# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ৩০/১১/২০১৯ শনিবাৰ

---

**(আজি ইংৰাজী ৩০-১১-২০১৯ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীযুত হিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ অধ্যক্ষতাত নিৰ্ধাৰিত সময়সূচীমতে শীতকালীন অধিৱেশনৰ কাম-কাজ আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৪১, শ্ৰীপবিন্দ্ৰ ডেকা। মাননীয় মন্ত্ৰী।

**শ্ৰীভবেশ কলিতা (মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত দিয়া হৈছে।

শ্ৰীপবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মই পাইছো। এই আঁচনিটো খুউব ভালেই আঁচনি আৰু আমাৰ জলসিঞ্চন বিভাগত যিবোৰ মিডিয়াম আৰু মেজৰ আঁচনি আছে এই আঁচনি সমূহ প্ৰায় বিফল হৈছে অৰ্থাৎ ৰূপায়ণত ব্যৰ্থ হৈছে। ধনশিৰি প্ৰকল্পটো ১৯৭৫ চনতে আৰম্ভ হৈছিল মাত্ৰ পাঁচ কোটি টকাত কিন্তু আজি তাত প্ৰায় এশপঞ্চাশৰ পৰা দুশ কোটি টকাৰ বাজেট হৈছে। কিন্তু আজিলৈকে সম্পূৰ্ণ হোৱা নাই। গতিকে এই আঁচনিখন লৈ আমাৰ মাননীয় মন্ত্ৰী মহোদয় ধন্যবাদৰ পাত্ৰ হৈছে। কিন্তু ইয়াৰ মাজতে মই এটা কথা ডাঙি ধৰিব বিচাৰিছো যে এই যিবোৰ আঁচনি এতিয়া ধৰি লওক ষাঠিটা আঁচনি পাঠশালা ডিভিজনত হৈছে, এই গোটেই বিলাক আঁচনি এক লগ কৰি দহ-বাৰ কোটি টকাৰ এটা পেকেজ কৰি দিছে। ফলত তাত থকা শ শ নিবনুৱা ইঞ্জিনিয়াৰ বি.এ, এম.এ পাছ যুৱক সকলে কাম নোপোৱা হৈছে। কোনোব ডাঙৰ ঠিকাদাৰে কামটো পাব আৰু তেওঁলোকে কমিচনত কোনোবা লৰাক হয়তো কামটো দিব। গতিকে মই তেখেতক ব্যক্তিগত ভাবে কথাটো কৈছো আৰু তেখেতে কৈছে এইটো কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত।

মই জলসিঞ্চন বিভাগৰ মন্ত্ৰী হৈ থাকোতে কেন্দ্ৰীয় চৰকাৰৰ বহু সিদ্ধান্ত মথাউৰি আৰু ব্ৰিজৰ লগত জড়িত মন্ত্ৰীক অনুৰোধ কৰি এনেকুৱা বহু সিদ্ধান্ত বাতিল কৰিছিলো - যে আপোনালোকৰ এই সিদ্ধান্ত আমাৰ তাত নহ'ব। একে ধৰণৰ সিদ্ধান্তই সমগ্ৰ ভাৰতবৰ্ষত কাম নিদিয়ে। সেয়েহে বহু সিদ্ধান্ত তেখেতে বাতিল কৰিছিল। গতিকে এনেকুৱা সিদ্ধান্ত ললে আমাৰ যুৱক সকল বঞ্চিত হ'ব। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যে যি সকল যুৱকে চাকৰি নাপায় ঠিকাকে জীৱনৰ জীৱিকা হিচাপে লৈছে তেওঁলোকক এনেদৰে বঞ্চিত কৰাটো ঠিক নহ'ব। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াই অনুগ্ৰহ কৰি যদি কেন্দ্ৰীয় চৰকাৰেই হয়, কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰক আৰু যদি নহয়, বোলে অসম চৰকাৰৰ সিদ্ধান্ত তেতিয়া হ'লে এই সিদ্ধান্তটো পুনৰ বিবেচনা কৰিব বুলি মই আশা কৰিলো আৰু তেখেতক অনুৰোধ কৰিলো।

**শ্ৰীভবেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জেষ্ঠ বিধায়ক সন্মানীয় পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছে আৰু তেখেতে আমাক যিটো পৰামৰ্শ দিছে, খুউব সুন্দৰ পৰামৰ্শ। অধ্যক্ষ মহোদয়, আজি পবিত্ৰ সদনক আমি জনাবলৈ পায় সুখী হওঁ যে পোন প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বলিষ্ঠ নেতা পৰম শ্ৰদ্ধাৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত আৰু জলশক্তি বিভাগৰ সুন্দৰ পদক্ষেপত আমি চাৰি হাজাৰ সাতশ উনাষিটা চেল'টিউবৱেলৰ অনুমোদন লাভ কৰিবলৈ

সক্ষম হৈছো আৰু ভাৰতবৰ্ষৰ ভিতৰত অসমেই প্ৰথম ৰাজ্য যিয়ে **"Pradhan Mantri Krishi Sinchai Yojana"**যোজনাটো পাবলৈ সক্ষম হৈছে। ইয়াৰ নাম দিয়া হৈছে **"এইছ.কে.কে.পি'হৰ খেত কো পানী"** আৰু এইটো যিহেতু এটা পাইলট বেছিছ্ আঁচনি যদি আমি ইয়াক ইনষ্টলেচন কৰিব পাৰো সীমিত সময়সীমাৰ ভিতৰত within the time limitation আৰু এইটোও কেন্দ্ৰীয় চৰকাৰৰ আগ্ৰহ আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আগ্ৰহ আছে। আগৰ ২০০৮-০৯ চনৰ পৰা যি আঁচনি চলি আছিল সেই সমূহৰ অৱস্থাটো কি সেই সম্পৰ্কে আপোনালোক অৱগত, এই পবিত্ৰ সদন অবগত। ধনশিৰি প্ৰকল্পৰ কথা তেখেতে উল্লেখ কৰিছে, সচাঁকৈ ধনশিৰিত আমাৰ বহুখিনি লায়বেলিতি আছে। তথাপিও আঁচনিখন আমি ২০১০ চনৰ ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিম বুলি আশা ৰাখিছে আৰু সন্মানীয় বিধায়ক গৰাকীয়ে আগবঢ়োৱা পৰামৰ্শটো আমি গ্ৰহণ কৰিছো। পৰবৰ্তী সময়ত আমি আৰু পোন্ধৰ লাখ টকা প্ৰদান কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো। নিশ্চিত ভাবে জলসম্পদ তথা জলশক্তি বিভাগৰ বলিষ্ঠ পদক্ষেপত আৰু আমাৰ সকলোৰে প্ৰচেষ্টাত আমি আঁচনিখন দিবলৈ সক্ষম হ্ম আৰু এই পবিত্ৰ সদনৰ সন্মানীয় মন্ত্ৰী আৰু বিধায়ক সকলক আহ্বান জনাও যে ইতিমধ্যে আপোনালোকলৈ এই ক্ষেত্ৰত এখন পত্ৰ প্ৰেৰণ কৰা হৈছে পূৱ গুৱাহাটী, এন.চি.হিল, পানেৰী আৰু ওদালগুৰি সমষ্টিত কেৱল দিব পৰা নাই। আমি আমাৰ বিভাগৰ অভিযন্তা সকলক নিৰ্দেশনা দিছো যাতে তেখেত সকলে আপোনালোকৰ লগত আলোচনা কৰি পিন পইন্ট ব্যৱস্থা গ্ৰহণ কৰিব দিলে আমি অতি শীঘ্ৰে আঁচনিখন আনিবলৈ সক্ষম হ'ম। এই আঁচনি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰস্তুত হৈ আছে আৰু ডেকা ডাঙৰীয়াই যি প্ৰস্তাৱ বা পৰামৰ্শ আগবঢ়াইছে আমি নিশ্চিত ভাবে চাম। সঁচাকৈয়ে যদি আমাৰ নৱপ্ৰজন্মৰ শিক্ষিত যুৱক-যুৱতী আগবাঢ়ি আহে আমি তেখেত সকলক সমষ্টি সাপেক্ষে ৰেজিষ্ট্ৰেচন কৰাৰ চেষ্টা কৰিম, কিন্তু এইটো ব্যক্তিগত হ'ব। যদি আমি নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিব নোৱাৰো আমাৰ মান সন্মানৰ কথা আহি পৰিব। কিন্তু কৃষকৰ মুখৰ ভাত যদি কোনোবাই কাঢ়ি খাই সেইটো আমি সহ্য নকৰিম। অধ্যক্ষ মহোদয়, তাৰ আধাৰতে কেন্দ্ৰীয় চৰকাৰৰ যিটো আগ্ৰহ মাননীয় মুখ্যমন্ত্ৰীয়ে যিটো কৈছে যে অতি সোনকালে সম্পূৰ্ণ কৰাৰ বাবে মাহে মাহে এইটো তদাৰক কৰি আছে আৰু ২০২০ চনৰ ভিতৰত কৃষক সকলৰ যি উৎপাদন এই উৎপাদন দুগুণ কৰিব লাগিব আৰু এই মানসিকতাৰে আমি এই আঁচনিখন গ্ৰহণ কৰিছো।

**শ্ৰীপবিন্দ্ৰ ডেকা ঃ** এই যে টাইমলি কমপ্লিচন এইটো কিয় নহয় প্ৰশাসনীয় লেপচ কাৰণে নেকি? মই এটা সাধাৰণ উদাহৰণ দিব বিচাৰিছো যে, এঠাইত এটা মিডিয়াম স্কীম হৈছিল (মই ঠিকাদাৰ জনৰ নাম নকও) তাত মাত্ৰ দুই গাড়ী শিল পেলায় তিনি বছৰৰ বিৰতিৰ পাচত সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱা বুলি কৈ সেই একে আঁচনিখনতেই পুনৰ পচপন্ন লাখ টকা বিচাৰিছে। I refused, No, I will not signe. আনকি সেই সময়ৰ মুখ্যমন্ত্ৰী মহোদয়কো জনাইছিলো যে তিনি বছৰ ধৰি তাত কোনো কামেই হোৱা নাই। গতিকে এইটোত অনুমোদন নজনাব। বিষয়া সকলৰ যিটো মনোভাৱ এইটো অলপ সলনি কৰিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক কিছু যত্ন কৰিব বুলি মই আশা ৰাখিছো আৰু মন্ত্ৰী মহোদয়ে যেন কোনো পৰিস্থিতিতে যাতে তেওঁলোকক লাই নিদিয়ে সেইটোও চেষ্টা এটা কৰিব বুলি মই আশা ৰাখিছো।

**শ্ৰীভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় ডেকা ডাঙৰীয়াই যিটো কথা কৈছে, তেখেতে যদি লিখিত দিয়ে তেতিয়া আমি চাব পাৰিম ক'ত কি প্ৰকৃততে হৈছে। আমি চেষ্টা কৰিছো, কিমান সফল হ'ব

পাৰিছো সেইটো আপোনালোকে জানিব।

**মাননীয় অধ্যক্ষ ঃ** সেই scheme টো এতিয়াৰ নহয়, বহুত আগৰ চাগে। তাৰ মানে তেখেতে মন্ত্ৰী থাকোতেও এনেকুৱা এটা ঘটনা দেখুৱাইছে। সেইটো lapse হব পাৰে বুলি কৈছে। গতিকে you will be careful.

এতিয়া supplementary মাননীয় সদস্য জাকিৰ হুছেইন ছিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন ছিকদাৰ, সৰুক্ষেত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি মন্ত্ৰী মহোদয়ে উত্তৰ দিলে ইয়াৰ আগতে কিন্তু যিখিনি পুৰনি গভীৰ নলী নাদ আছিল, সেইবিলাক সময়ে সময়ে বিকল হৈ যায় আৰু এবাৰ যদি বিকল হৈ যায়, সেই খিনি মেৰামতি কৰাৰ কাৰণে বিভাগৰ কোনো টকা পইচা নাথাকে। গতিকে আমি দেখিছো মাননীয় মন্ত্ৰী ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিছতে এই আঁচনি কৰাৰ ক্ষেত্ৰত যথেষ্ট আগ্ৰহ প্ৰকাশ কৰিছে, যদিও লেহেমীয়া হৈছে। হয়তো কেন্দ্ৰীয় চৰকাৰৰ বা ৰাজ্য চৰকাৰৰ পৰা পুজি মুকলি দিয়াত কিবা অসুবিধা যেন পোৱা অনুমান হয়। কাৰণ তেখেতক কলে লগে লগে আমি ইমান খিনি দিম, তোমালোকে ইমান খিনি পাবা, লেটাৰ এখন দিছো। আগ্ৰহ আছে, কিন্তু কৰিব পৰা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাক আমাৰ সমূহ বিধায়ক সকলৰ হৈ অনুৰোধ জনাইছো, আপুনি যাতে পুঁজি পোৱাথ হস্তক্ষেপ কৰে কাৰণ আমি যদি কৃষি ক্ষেত্ৰখনৰ উন্নতি কৰিব নোৱাৰো, আমাৰ দেশখন কেতিয়াও উন্নত নহয়। মন্ত্ৰী ডাঙৰীয়াই আমাৰ সকলো বিধয়াকৰ সহযোগিতা পাব।

এতিয়া কথা হ'ল যে পুৰনি যিখিনি গভীৰ নলী নাদ আছে, সেইখিনি মেৰামতিৰ নামত এই বিভাগে অহা বিত্তীয় বৰ্ষৰ পৰা এটা পুঁজিৰ ব্যৱস্থা কৰিব লাগে আৰু নতুনকৈ গভীৰ নলী নাদৰ যি আঁচনি দিব এইখিনি সকলো জিলাতে দিব নে নাই? ইতিমধ্যে আমি জানিব পাৰিছো গোৱালপাৰা জিলাৰ সন্মানীয় বিধায়ক সকলে জনাইছে সেই জিলাখনত সামৰি লোৱা হোৱা নাই।

দ্বিতীয় কথা হ'ল যে কাৰ্বিআংলঙ জিলাত irrigation scheme ৰ তদন্তৰ নামত CM vigilance ৰ জৰিয়তে এটা গোচৰ ৰুজু কৰা হৈছিল। সেই গোচৰৰ বৰ্তমান কি পৰ্য্যায়ত আছে, এই কথাখিনি মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ প্ৰশ্নটো যদি ইয়াৰ লগত সংগতি আছে, কিছু কথা জানিব পাৰিব। ইয়াত তথ্য নাথাকিলে পিছত দিব লাগিব। এতিয়া মন্ত্ৰীয়ে যিখিনি জানে সেইখিনি দিলেই হব।

**শ্ৰী ভৰেশ কলিতা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)** - মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য জাকিৰ হুছেইন ছিকদাৰ ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ টকাৰ অভাৱ হোৱা নাই। ইতিমধ্যে PMKSY আঁচনিৰ অধীনত ২৪৬ শ্বেয়াৰ আমাক অনুমোদন দিছে। already 131 শ্বেয়াৰ আমাক মুকলি কৰি দিছে। আমাক state share 90:10, ১০ শতাংশ আমাৰ মাননীয় বিত্তীয় মন্ত্ৰী মহোদয়ে অনুমোদন দি থৈছে। তেনেস্থলত বিত্তীয় নাটনি আমাৰ চৰকাৰৰ নাই। লগতে তেখেতে যিখিনি কথা কৈছে এইটো লেহেমীয়া হোৱাৰ কোনো কথা নাই কাৰণ এটা system মতে হয়। আমি আশা কৰিছো মাৰ্চৰ ১৫ তাৰিখৰ ভিতৰত এই যিখিনি কাম আছে, সম্পূৰ্ণ হব।

কাৰ্বিআংলঙৰ বিষয়টো আমাৰ তাত আহি পোৱা নাই পৰবৰ্তী সময়ত আমি চাই লম।

**মাননীয় অধ্যক্ষ** ঃ Thank you. এতিয়া শেষৰ supplementary আব্দুল ৰছিদ মণ্ডল।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, পশ্চিম গোৱালপাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো যে **২০১৮-১৯** চনত প্ৰত্যেকটো সমষ্টিত **৫০** টা কৈ shallow tube ৰ যিটো আৱন্টন দিয়া হৈছিল, অসমৰ বেলেগ বেলেগ জিলাত কি হৈছে নাজানো, কিন্তু গোৱালপাৰা জিলাত এটাও আৱন্টন দিয়া হোৱা নাই। এই বিষয়ত চৰকাৰে **২০১৯-২০** চনত যিটো আৱন্টন দিছে, আমি সুখি হৈছো, কিন্তু **২০১৮-১৯** চনত যিটো আৱন্টন দিয়াৰ সংখ্যা আছিলে, সেইবিলাক ৰূপায়ন কৰিব নে নাই ?

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰী ভৰেশ কলিতা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)** - মাননীয় অধ্যক্ষ মহোদয়, **২০১৮-১৯** চনৰ যিখিনি shallow tube ৰ কথা কৈছে, সেইখিনি sanction হৈ আছে। 2nd slab ত যিখিনি ৰৈ গৈছিল পঠাই দিয়াৰ ব্যৱস্থা কৰিব। another 15,000 cello- tube-well ৰ target আছে।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ কথাটো হৈছে sanction এতিয়া পালে, এইবিলাক কৰিব পাৰিব। দ্বিতীয়তে এই বছৰৰ কাৰণে যিটো বিচাৰিছে সেইটোও দিব।

**শ্ৰী ভৰেশ কলিতা, জলসিঞ্চন বিভাগৰ মন্ত্ৰী** - হয়, মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ** ঃ next question no. 42, Hon'ble Member Chakradhar Gogoi.

**শ্ৰী ভৰেশ কলিতা, জলসিঞ্চন বিভাগৰ মন্ত্ৰী** - মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মাজিয়াত ৰখা হৈছে।

**শ্ৰী চক্ৰধৰ গগৈ, মৰাণ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুটা প্ৰশ্ন আছিলে। ইয়াতে উত্তৰ পাইছো। কিন্তু মই এটা কথা তেখেতৰ পৰা জানিব খুজিছো যে আমাৰ সমষ্টিবিলাকত ৭০ টা মানকৈ shallow tubewell দিয়াৰ কথা কৈছিল। সৌৰশক্তি চালিত আৰু বিদ্যুৎ চালিত, ডিজেল চালিতও কৈছিলে। কিন্তু এতিয়ালৈকে আমি সেইটো পাবলৈ সক্ষম হোৱা নাই। এতিয়া আমাৰ খৰালি কাল আহি গ'ল, খেতিপথাৰত খেতি কৰিবৰ কাৰণে খেতিয়কক সেইটো প্ৰয়োজন আছিলে। সেইটো কেতিয়া হব, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

দ্বিতীয় কথাটো হ'ল আমাৰ পানীটোলা পঠালি বামত এটা RIDF ৰ আঁচনিৰ কাম হ'ব বুলি কৈছিলে। এইটো কেতিয়া হব। সেই কথাখিনিও আমি আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তাৰ উপৰিও মোৰ সমষ্টিত **২০১৭** চন মানতে কেইবাটাও পুৰনি আঁচনি MNR ৰ অধীনত কাম কৰা হৈছিলে। কিন্তু এতিয়াও ঠিকাদাৰ বিলাকে পইচা পোৱা নাই। civil ৰ কামৰ পইচা পাইছে। mechanical আৰু electrical ৰ কামৰ পইচা পোৱা নাই। গতিকে আমাক ঠিকাদাৰ বিলাকে প্ৰশ্ন কৰি থাকে, কেতিয়া পইচাখিনি পাব। মই সেইখিনিও আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী।

**শ্ৰী ভৰেশ কলিতা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)** - মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য চক্ৰধৰ গগৈ ডাঙৰীয়াৰ একেটাই প্ৰশ্ন MSDP PMKSY আঁচনিৰ যিহেতু এতিয়া Harvesting time ধান চপোৱাৰ সময়। ধান চপোৱাৰ পিছতে বিভাগৰ বিষয়াসকল ফিল্ডত যাব। তেখেতৰ সমষ্টিত যি কেইটা পইণ্ট পাইছে তাত পুল ৰাখিব আৰু সেইমতে তাত ইষ্টলেচনৰ

কাম আৰম্ভ কৰিব। বাৰিষা চিজন হোৱাৰ কাৰণে গ্ৰীড নমোৱাৰ প্ৰব্লেম আছিল। গাড়ীবিলাক লেণ্ডিং কৰিব নোৱাৰে। সেই কাৰণে আমি কাম আৰম্ভ কৰিবলৈ দিয়া নাছিলো। এতিয়া যিহেতু ধান চপোৱা হৈছে, খেতিপথাৰ মুকলি হৈছে সেই কাৰণে নিশ্চিত ভাৱে অতি কম দিনতে কামখিনি আৰম্ভ কৰিব পাৰিব আৰু কাম এলট কৰা হৈছে। তেখেতে যিটো MNR ৰ কথা কৈছে ডিমাণ্ডখিনি আনিব দিয়ক, নিশ্চিত ভাৱে তেখেতৰ যি কনট্ৰেক্টৰবিলাকে কাম পাইছিলে পইচা আছে নিশ্চিত ভাবে পাব আৰু এটা কথা আপোনালোকক জনাও, আমাৰ ইৰিগেশ্যন ডিপাৰ্টমেণ্টৰ অফিচবিলাক বিভিন্ন সমষ্টিত আছে, সেইবিলাক যদি বেয়া অৱস্থাত আছে সেইবিলাকো আপোনালোকে MNRত দিব। অকল স্কিমতে নহয়। তেতিয়াহ'লে আমি কিছু পইচা দি অফিচবিলাকো ঠিক কৰি দিব পৰো।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু দুটা কথা আছে। আমাৰ জিলা পৰ্য্যায়ত যিবিলাক ডিপাৰ্টমেণ্টেল অফিচ আছে ব্লক পৰ্য্যায়ত নাই। আমাৰ ব্লক পৰ্য্যায়ত এটা অফিচ কৰাৰ অতি দৰকাৰ আছিল। যিবিলাক অফিচ আছে সেইবিলাক চলিবৰ কাৰণে Office Expenditure পইচা বছৰত মাত্ৰ পাঁচ হেজাৰ টকাহে দিয়ে। যিটো কাৰণে অফিচবিলাক চলিবলৈ যথেষ্ট অসুবিধা হয়। বিভিন্ন সময়ত অফিচাৰ বিলাকে অৱগত কৰে এইটো কেনেকৈ সমাধান কৰিব পৰা যাব। সেই বিষয়ত আমি জানিব বিচাৰিছো আৰু দ্বিতীয়তে, Contingency fund একেবাৰে শূন্য। এনেকুৱা ধৰণৰ বিসংগতিৰ কাৰণে কেতিয়াবা কি হয়, য'ত এনেকুৱা প্ৰজেক্ট চলি থাকে- কৰবাত মিটাৰতো বেয়া হয়, ক'ৰবতা বৈদ্যুতিক বিসংগতি হয়, ক'ৰবাত মেচিনবিলাক বেয়া হয়। যদি অলপ পইচা থাকে সেইবিলাক থিতাতে দূৰ কৰি আকৌ সবল কৰিব পাৰি। কিন্তু ডিপাৰ্টমেণ্টৰ তেনে কোনো ফাণ্ড নথকাৰ বাবে তেওঁলোকে কৰিব নোৱাৰা বুলি আমাক জনায়। এই বিষয়ত মাননীয় মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি।

**শ্ৰী ভৰেশ কলিতা, জলসিঞ্চন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ পৰামৰ্শটো অতিকৈ ভাল। আমাৰ হাতত তেনেকুৱা কোনো ফাণ্ড নাই কিন্তু পৰৱৰ্তী সময়ত ইয়াক লোৱাৰ ব্যৱস্থা কৰা হ'ব আৰু নিশ্চিত ভাৱে আপোনালোকে কৰ্তন প্ৰস্তাৱ আনি তাত অংশগ্ৰহণ কৰিব। আমাক হেডবিলাক উনুকিয়াই দিলে আমি নিশ্চিতভাৱে কৰিবলৈ সক্ষম হ'ম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। এক নং প্ৰশ্নৰ উত্তৰত তেখেতে কৈছে **১১৩০** খন আঁচনি সম্পূৰ্ণ ভাৱে কাৰ্য্যক্ষম হৈ আছে কিন্তু যিবিলাক আঁচনি কাৰ্য্যক্ষম হৈ থকা নাই সেইবিলাকৰ প্ৰশ্ন কৰা হোৱা নাই যাৰ বাবে আমাৰ উত্তৰো নাই। মোৰ সমষ্টিৰ ভাতকুছি আৰু কপোহাত দুখন আঁচনি আছে আৰু মই আগতেও উক্ত বিষয়ত প্ৰশ্ন উত্থাপন কৰিছিলো। চাৰিটা মেচিনৰ কেতিয়াবা কোনোবাটো ভালে থাকে, কেতিয়াবা কোনোবাটো বেয়া থাকে। সেইখিনি ৰাইজে পইচা তুলি ঠিক কৰি কাম চলাই নিয়ে। তাত কোনো অপাৰেটৰ নাই, মাত্ৰ এজন হেল্পাৰ আছে। যদি কিবা বিসংগতি হয় তেতিয়া ৰাইজে তাক মেৰামতি কৰে। যদি কোনোবা এই বিভাগত নিযুক্ত আছেও তেখেতসকল কামত নাযায়, সেইবিলাকৰ ওপৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। Electicity Bill কাৰণে মাজে মাজে বেলেগ ডিপাৰ্টমেণ্টৰ মানুহে লাইন কাটিবলৈ যায়, সেইটো ডিপাৰ্টমেণ্টৰ দায়িত্ব হয়নে নহয় তাক মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় জানিব। যিহেতু মাত্ৰ দহ শতাংশ আমাৰ জলসিঞ্চন বিভাগৰ আওতাত পৰে ইয়াক আৰু দুগুণ বৃদ্ধি কৰাৰ আমি চিন্তা কৰিছো। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে মোৰ জনীয়া সমষ্টিতে নহয় বা বৰপেটাতে নহয় গোটেই অসমতে বিকল হৈ

থকা আঁচনিবিলাক অতি সোনকালে কাৰ্য্যক্ষম কৰি তোলাৰ ব্যৱস্থা হাতত লব নেকি।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মিনিষ্টাৰ প্লিজ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো আনিছে যে তেখেতৰ সমষ্টিত দুটা বিকল হৈ আছে। আপুনি দিব আমি চাম, যদি Viability আছে নিশ্চিত ভাৱে এই আঁচনি দুটা কাৰ্য্যক্ষম কৰি দিয়া হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত ৰাজেন বৰঠাকুৰ।

**শ্ৰী ৰাজেন বৰঠাকুৰ ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে আমি সৌৰ শক্তি আৰু ইলেক্‌ট্ৰিক চালিত কিছু চেলোফিল্টাৰ আমাৰ তাত পাবলৈ সক্ষম হৈছো। কিন্তু মই এটা কথা কওঁ যে আমাক ভাগ কৰি দিয়া হৈছে, যে ইমানটা চেলোফিল্টাৰৰ ইমানটা ইলেক্‌ট্ৰিচিটি, ইমানটা সৌৰশক্তি। কিন্তু এতিয়াও আমাৰ সমষ্টিবিলাকৰ পথাৰ বিলাকৰ মাজত বিদ্যুৎ শক্তি নাই। এই ক্ষেত্ৰত সৌৰ শক্তিটো বঢ়াই বিদ্যুৎ শক্তিৰটো কমাব পাৰি নেকি এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা কথা জনাব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰাজেন বৰঠাকুৰ ডাঙৰীয়াই যিটো উপদেশ দিছে সুন্দৰ উপদেশ। তেখেতে কৈছে যে আমি প্ৰথমবাৰৰ কাৰণে যিটো দিছিলো ২৫ আৰু ৭৫ ৰেচিঅ' আছিল। এতিয়া আমি সৌৰ শক্তিৰ যিটো কথা কৈছো অসমত সৌৰ শক্তিটো Viable সিমান নহয়। আমাৰ জলবায়ু বেলেগ, বিভিন্ন সময়ত প্লেট বিলাক নষ্ট হৈ যায়, সেই কাৰণে আমি বিদ্যুৎ শক্তিৰ ওপৰত গুৰুত্বটো বেছিকৈ দিছিলো। য'ত পথাৰৰ মাজত কাৰেন্ট নাথাকে তাত আমি সৌৰ শক্তিৰটো দিব কৈছিলো। যিখিনি এৰিয়াত আগৰে পৰা বিদ্যুৎ সংযোগৰ ব্যৱস্থা আছে বা তাত আমি ১০০ মিটাৰ ধৰিব পাৰো, তাত আমাৰ ব্যৱস্থাও আছিল আৰু এইবেলি আমি আকৌ চ'লাৰটো কমাই দিছো। চ'লাৰটোৰ দামটো বেছি, খৰচটো বেছি, বিদ্যুতৰ ক্ষেত্ৰত খৰচ অলপ কম হয় সেইটো আমি চাব লাগিব। তাৰ আধাৰতহে এইটো কৰা হৈছিল। পৰৱৰ্তী সময়ত মই আজিয়ে কৈছো যে নিউ প্ৰপোজেলত যি হয় আপোনালোকক সুধিব, যিখিনি আমাৰ খেতিপথাৰত সকলোতে কাৰেণ্ট নাই, আপোনালোকে তাত ধৰাই দিব আমি এইটো কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিম যে আমাক চ'লাৰ ৰেচিঅ'টো বেছি লাগে, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** কমালাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাঞ্জাৱ হাৰিয়ানাৰ দৰে ৰাজ্যত জলসিঞ্চন পদ্ধতিটো ভাল হোৱাৰ কাৰণে দুই তিনিবাৰকৈ ধান উৎপাদন কৰিব পাৰে, কৃষিৰ সামগ্ৰী উৎপাদন কৰিব পাৰে। অধ্যক্ষ মহোদয়, আমাৰ অসুবিধাটো কি হৈছে যে জলসিঞ্চন পদ্ধতিটো বেয়া।

**মাননীয় অধ্যক্ষ ঃ** Supplementary টো কৰক। কাৰণ সময়টো চাব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** এটা suggestion আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, suggestion টো।

**শ্ৰী কমালাক্ষ দে পুৰকায়স্থ ঃ** আমাৰ Agriculture Department আৰু জলসিঞ্চন বিভাগ দুয়োটাই দুই পিনে কাম কৰিলে নহ'ব। দুয়োটাক যদি লগ কৰিব পাৰো তেনেহলেহে আমাৰ ভাল হ'ব। নহলে কৃষকৰ আমি কেতিয়াও উন্নতি কৰিব নোৱাৰিম, আমাৰ কৃষকৰ লাভটো নহ'ব । এইটো মোৰ উপদেশটো থাকিল।

**মাননীয় অধ্যক্ষ ঃ** এইটো ভাল উপদেশ। আগতে আছিল, কিছুদিন পিছত পৃথক কৰিলে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** ধন্যবাদ দিছো কমালাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক। কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগ one coin two parts. আমি যদি সমন্বয় গঢ়ি কাম নকৰো ফলপ্ৰসু হ'ব নোৱাৰো। কৃষি বিভাগেও আমাক উপদেশ কৰিব লাগিব যে আমি ইমান এৰিয়া এইবাৰ দাবোল কৰিম বা ত্ৰিপোল কৰিম বুলি টাৰ্গেত ৰাখিছো। তাত আপোনালোকৰ জলসিঞ্চন বিভাগে পানী দিয়াৰ ব্যৱস্থা কৰক। এইটো কৰিব পাৰিলে নিশ্চয় ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো যে আমাৰ ডিব্ৰুগড় জিলাত প্ৰায় ৬ /৭ টা মান আঁচনি আছে, আঁচনিবোৰ প্ৰায় সম্পূৰ্ণ হৈছে আৰু প্ৰায় পানী দিয়াৰ ব্যৱস্থা কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কি কৰিব লাগে?

**শ্ৰী প্ৰশান্ত ফুকন ঃ** সেইখিনি সম্পূৰ্ণ হৈছে কিন্তু টেল পইন্টত পিছৰ ফালে বহু কেইটা আঁচনি যে আমাৰ মিডিয়াম আঁচনি বুলি এটা আছে, বৰলুৱা বুলি এটা আছে, বলাই বুলি আছে সেই আঁচনিবোৰ শেষৰ ফালে অলপ অলপ এক কি. মিটাৰ মান বাকী থাকি গৈছে আৰু আঁচনিটো on going হৈ আছে। সেইখিনি সম্পূৰ্ণ হৈ গ'লে সেই অঞ্চলৰ মানুহ সকল লাভাৱান হ'ব। মই মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব খুজিছো যাতে সেইখিনি কাম সোনকালে শেষকৰি দিলে আমাৰ ৰাইজ, মানে আমি যিমান টাৰ্গেত লৈছিলো টাৰ্গেতো সম্পূৰ্ণ কৰিব পৰা যাব। তাকেই মন্ত্ৰীয়ে বিভিন্ন উপায়েৰে এইটো কৰি দিয়াৰ ব্যৱস্থা কৰিব নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ জেষ্ঠ বিধায়ক প্ৰশান্ত ফুকন ডাঙৰীয়াই যিখিনি কথা কলে সচাই তেখেতৰ আঁচনিখিনি ভালদৰে চলি আছে। মাটি অধিগ্ৰহণৰটো অসুবিধা নাই?

**মাননীয় অধ্যক্ষ ঃ** ভূমি অধিগ্ৰহণৰ অসুবিধা আছে নেকি?

**শ্ৰী প্ৰশান্ত ফুকন ঃ** সেইখিনি হৈ গৈছে, কেনেলৰ কাম এলাইন্টমেন্ট হৈছে কিন্তু সম্পূৰ্ণ হোৱা নাই।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** ঠিক আছে, আমি কেনেলৰ কামখিনি সম্পূৰ্ণ কৰি দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আৰু এজনক দিছো ৰূপজ্যোতি কুৰ্মী। পিছৰটোত সময় নহ'ব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ এটা বিষয় দৃষ্টিগোচৰ কৰি এটা প্ৰশ্ন তেখেতলৈ থাকিব। বিষয়টো হ'ল মৰিয়ণি সমষ্টিৰ আমাৰ অসম নাগালেণ্ডৰ পৰা বৈ অহা প্ৰায় ৪ খন মান নৈৰ উপৰত ২০০৮ চনতে, আজিৰ পৰা প্ৰায় ১১ বছৰ আগতে আমি এফ আই চি আঁচনি ৪ টা পাইছিলো আৰু এই আঁচনিৰ ৮০/৯০ শতাংশ কাম সম্পূৰ্ণ হৈ যোৱাৰ পিছতো এই এল এ ৰ অসুবিধাৰ কাৰণে এতিয়ালৈকে ৰাইজৰ খেতি পথাৰত পানী দিব পৰা নাই। আগৰ আমাৰ চৰকাৰৰ সময়তো নোৱাৰিলো আৰু বৰ্তমান নতুন চৰকাৰ অহাৰ পিছতো, মাননীয় আগৰ পূৰ্বৰ মন্ত্ৰী ৰঞ্জিৎ দত্ত ডাঙৰীয়াকো ২০১৬ চনৰ পৰা।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কি কৰিব প্ৰশ্নটো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মই কৈ আছো। মই বিনম্ৰ জনোৱাৰ পিছতো সফল হ'ব নোৱাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই বুজি পাইছো, হোৱা নাই এতিয়া প্ৰশ্নটো কওঁক। You can not describe.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মই কৈ আছো। অলপ সময়। আমাৰ মুখ্য অভিযন্তাৰ কাৰ্য্যালয়ত তিনিবাৰকৈ সাক্ষাৎ কৰি লগ কৰি ছিলো, মই আৱেদন জনোৱাৰ পিছতো সফল হোৱা নাই। মোৰ প্ৰশ্নটো থাকিব মাননীয় মন্ত্ৰী মহোদয়ে আমাৰ মৰিয়ণি সমষ্টিলৈ যাব নেকি আৰু গৈ নিজে আঁচনিবোৰ পৰিদৰ্শন কৰিব নেকি ? আৰু যদি কৰে তেনেহলে বিষয়া সকলৰ যিসকলে ইয়াত এ চি ৰূমত বহি থাকে তেওঁলোকক লগত লৈ যাব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈছে যে তেখেতৰ সমষ্টিত যাব লাগে, সেই ক্ষেত্ৰত মই আগ্ৰহ প্ৰকাশ কৰিছো, নিশ্চিত ভাৱে যাম আৰু তেখেতক লগতলৈ আমি ডি চি অফিচত যাম। এল এ ৰ আঁচনিবোৰত কি অসুবিধা আছে, নিশ্চিত ভাৱে এল এ ৰ অসুবিধাখিনি দূৰ হলে কামখিনি হ'ব। তেখেতে কৈছে যে ৮০ শতাংশ কাম সম্পূৰ্ণ হৈছে। আৰু যদি ২০ শতাংশ কাম আমি কৰি দিব পাৰো নিশ্চিত ভাৱে কৃষক ৰাইজে তাত পানী পোৱাৰ ব্যৱস্থা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই শেষৰ Supplementary দিছো। এইবাৰ কেইবাটাও দিলো জলসিঞ্চন বিভাগত। কাৰণ এইকাৰণে এইটো আগতে আলোচনা বহুত সময় হোৱা নাই। এতিয়া আব্দুৰ ৰহিম আজমল। You have one Supplementary, please put it.

**Shri Abdur Rahim Ajmal (Jamunamukh) :-** Hon'ble Speaker Sir, in my Jamunamukh constituency this irrigation works is divided into two divisions i.e. one is in Hojai Division and other in Nagaon Division. Sir, I kindly request the Minister if he does it hold together in Hojai Division than it will be better and easier for the farmers. And one more thing Sir as the same thing which everybody is telling some of the works are in problems for the little bit of fund so it is defunct. So, this little bit of fund and if it goes into that said project it will be operational.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমি চেষ্টা কৰিম তেখেতে যিটো উপদেশ দিছে হোজাইক তাত আনিব লাগে আৰু লগতে যিখিনি বিকল হৈ আছে তেখেতে দিয়ক আমাক প্ৰপোজেল আৰু নিশ্চিতভাৱে তেখেতৰ যিখিনি আশা আছে সেই আশা পূৰণ হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মই নিদিও বুলি ভাবিছিলো। এতিয়া দিপক কুমাৰ ৰাভা। ইয়াৰ পিছত মই দিব নোৱাৰো বিনন্দ কুমাৰ শইকীয়াৰ প্ৰশ্নত।

**শ্ৰীদিপক কুমাৰ ৰাভা (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দুধনৈ সমষ্টিত দাংদালাপাৰ বুলি এটা দংবান আছে সেইটো ২০১৪ চনত বানে কেইবা টুকুৰা কৰিছিল, সেই দংবানটো মেৰামতিৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো আৰু লগতে বিঞ্চিৰাম দং বুলি এটা আছে সেইটো এটা ডাঙৰ প্ৰজেক্ট। তাৰে তিনিটা কেনেল আছে সেইকেইটাৰ বহুত ঠাইত নষ্ট হৈছে। সেইখিনি মেৰামতি কৰাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিলে নিশ্চয় সুখী হ'ম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য দুধনৈ সমষ্টিৰ যি দংবানটোৰ

কথা কৈছে সেইটো আমি বিবেচনা কৰি আছো আৰু অতি সোনকালে ইয়াৰ ফলপ্ৰসু সমধান পাবলৈ আমি সক্ষম হ'ম লগতে আৰু যিখিনি কথা কৈছে সেইখিনি কৰি দিয়াৰ কাৰণে ব্যৱস্থা কৰিম। পৰৱৰ্তী বাজেটত আটাইখিনি পইচা ভৰাই দিলে বিত্ত বিভাগে পইচাটো দিলে আমি নিশ্চয়কৈ কৰি দিব পাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আজি ভাল লাগিছে, কৃষি প্ৰধান ৰাজ্য অসম। আমি কৃষিক গুৰুত্ব নিদিলে আমাৰ লৰা-ছোৱালী বিলাকক সংস্থাপন সকলোকে দিয়া সম্ভৱ নহয়। গতিকে এটা ভাল হৈছে, কৃষি আৰু জলসিঞ্চন এই কথাটো আপোনালোকে আলোচনা কৰিব পাৰে। এইটো আমি প্ৰথম অৱস্থাত বিধায়ক হৈ থাকোতে আছিল, তাৰ পিছত এইটো পৃথক কৰি দিয়া হ'ল। কি কাৰণে নাজানো, হয়তো ভালৰ কাৰণে হ'ব পাৰে। কিন্তু এটা সমন্নয়ৰ খুব প্ৰয়োজন। লাগিলে এজন কেবিনেট দুজন ষ্টেট, তেনেকুৱাও হ'ব পাৰে। এইটো পাৰিলে চাব। এইটো ভাল কথা কৈছে আজি। ইয়াৰ পিছত প্ৰশ্ন নং ৪৩। বিনন্দ শইকীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনত ৰখা আছে।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো মই যোৱা অধিবেশনতো আনিছিলো আৰু মই সুখী যে মই প্ৰশ্নটো অনাৰ পিছত এইটো মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ হৈছে আৰু তেওঁ নিজে গৈ এই আঁচনিটো পৰিদৰ্শন কৰিলে। মই মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। এতিয়া ঘটনা হৈছে যিটো তদন্ত হৈছে এই তদন্তৰ মূল কামটো হ'ব জানুৱাৰী মাহৰ শেষৰ ফালে বা ফেব্ৰুৱাৰী মাহত। কাৰন এতিয়াও তাত পানী আছে। যিখিনি কাম পূৰ্ব্বতে কৰিছিল যে ২১ শতাংশ কাম হোৱা বুলি কৈছিলে, সেই কামখিনি আছিলে পানীৰ তলত। জানুৱাৰী মাহৰ শেষৰ ফালে quality control ৰ লোকসকল গৈছে বা feasiblity Study Committe গৈছিলে গতিকে মই ভাবো যে যিটো ২১ শতাংশ কাম হোৱা বুলি কৈছে এইটো শুদ্ধ নহ'বও পাৰে কাৰণ কিমানখিনি হৈছে সেইটো পানী শুকোৱাৰ পিছত গম পোৱা যাব। গতিকে মই আশা কৰিম যে, জানুৱাৰী মাহৰ শেহৰ ফালে বা ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহত গৈ যদি এই কমিটি দুখনে চায়, কোৱালিটি কনন্ট্ৰলে চায় আছল তথ্যটো পাব। তাৰ পিচত সেইমতে বিহীত ব্যৱস্থা ল'লে ভাল হ'ব বুলি ভাবো। এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা উত্তৰ আশা কৰিছো।

**শ্ৰীভবেশ কলিতা ( জলসিঞ্চন, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বিনন্দ শইকীয়া ডাঙৰীয়াই যিটো নৈনে বোঁৰতী জলসিঞ্চন আঁচনিৰ কথা উল্লেখ কৰিছে মই নিজে পৰিদৰ্শন কৰিছিলো তেখেতে সেইদিনা থাকিব পৰা নাছিলে। তেখেতৰ প্ৰতিনিধি আমাৰ লগত আছিলে তাৰ লগতে আমাৰ বিভাগৰ কোৱালিটি কনট্ৰ'লকো আমি পঠিয়াইছো। বিশাল পুখুৰী সদৃশ হৈ আছে, অগ্ৰগতি নিৰূপন কৰাৰ বহুত সমস্যা আছে । ২১ পাৰ্চেন্ট কাম সঠিক হৈছেনে নাই , আমাৰ পইচাও আছে, আমি ৫ কোটি টকা আমি ধৰি ৰাখিছিলো। তেখেতে এই আঁচনিটোৰ ওপৰত প্ৰতি বিধান সবাতে গুৰুত্ব দিছে, হয় প্ৰযোজন আছে, সেই অঞ্চলৰ খেতিয়কসকল খেতিৰ প্ৰতি যথেষ্ট আগ্ৰহী। পশ্চিম পাৰ্টটোত যথেষ্ঠ খেতি কৰে। তাতে পথৰুঘাট অঞ্চল য'ত ঐতিহাসিক কৃষক বিদ্ৰোহ হৈছিল বৃটিছৰ বিৰুদ্ধে আমি সকলোৱে জানো। সেই অঞ্চলৰ কৃষকসকলক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ যথেষ্ঠ দায়িত্ব আছে। বিভাগৰ মন্ত্ৰী হিচাপে তাত কন্ট্ৰিবুট কৰাৰ মোৰো আশা আছে। কিন্তু কথাটো হ'ল পানীৰ তলত থকা বাবে আমি ধৰিব পৰা নাই। আমি তাত প্ৰয়োজনীয় পুঁজি দিম কিন্তু ভাইয়েব্লিটি যদি নাই কেনেকৈ দিম গতিকে যদি আঁচনিখন ভাইয়েৰল হয় তেন্তে আঁচনিখন কৰি দিয়াৰ ক্ষেত্ৰত আমাৰ কোনো অসুবিধা নহ'ব।

বিত্ত বিভাগৰ পৰা টকা আমি পাইছো বা ভৱিষ্যতেও পাম। তেখেতে আমাক যিটো suggestion দিছে যে ফেব্ৰুৱাৰী মাহত পানীৰ Layer টো তলত যাব তেতিয়া আমি সত্যতা নিৰূপন কৰাত সক্ষম হ'ম।

**শ্ৰীবিনন্দ শইকীয়া (ছিপাঝাৰ) ঃ** অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো। লগতে এটা চাজেশ্যন আছে ৫ কোটি টকা যিহেতু এইটো ৰিভাইভেলৰ কাৰনে ধৰা হৈছে, এতিয়া যদি ফেব্ৰুৱাৰী মাহত চোৱাৰ পিচত কামটোত ভায়েব্লিটি নাথাকে বা কাম কৰাৰ পৰিবেশ নাথাকে ৫ কোটি টকাটো অলটাৰনেটিভ কিবা ব্যৱস্থা কৰিব নেকি কাৰন খেতিয়কসকলে আজি ইমান দিনলৈ আশা কৰি থাকিল। তেতিয়া মই ভাবো যে, টকাখিনিও সদ ব্যৱহাৰ হ'ব। আকৌ মাৰ্চ আহিলে গতিকে মই ভাবো যে বাজেটৰ টকা গুছি যাব। গতিকে যদি আঁচিনখন ভায়েৰল নহয় অলটাৰ নেটিভ কিবা ব্যৱস্থা ল'ব নেকি?

**শ্ৰীভবেশ কলিতা ( জলসিঞ্চন, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় বাজেটত যিটো ৫ কোটি টকা আছে যদি আঁচনিখন ভায়েবল নহয় আমি এইটো reap-propriate কৰি major medium বা sallow Tubel বা Deep Tubel ৰ আঁচনি আমি ল'ব পাৰো। কেতিয়কৰ প্ৰতি আমাৰ গুৰুত্ব আছে। ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** এইটো মই exception হিচাপে দিছো। ৰুল নহয় - দেবানন্দ হাজৰিকা ।

**শ্ৰীদেবানন্দ হাজৰিকা (বিহপুৰীয়া) ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, মই ইৰিগেশ্যন ডিপাৰ্টমেন্টৰ অধীনত মোৰ সমষ্টিৰ এটা প্ৰশ্ন শুধিব বিচাৰিছো। যিটো চাব ডিভিজনেল অফিছ আছে , তাৰ ঘৰবিলাকৰ অৱস্থা দেখিলে এনেকুৱা লাগে যে দুৰ্ভিক্ষত পিড়িত হৈছে। ঘৰবিলাক মেৰামতিৰ ব্যৱস্থা কৰিব পৰা যায়নেকি ,তাত যিহেতু চাব ডিভিজনেল অফিছাৰ বা এক্সিকিউটিভ অফিচাৰ বহা যিটো অফিছ সেইটো চাবলৈ বৰ দুখ লগা অৱস্থা হৈছে। তাত অন্য অফিছো আছে কিন্তু এইটো ডিহেতু ইৰিগেশ্যন ডিপাৰ্টমেনটৰ লগত জড়িত মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিম নেকি যে সেই অফিচাৰ গৰাকী বা এচ ডি ও গৰাকী সন্মানজনক ভাবে অফিচত বহাৰ বাবে কিবা সুব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীভবেশ কলিতা ( জলসিঞ্চন, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য দেৱানন্দ হাজৰিকাই সুন্দৰ চাজেশ্যন দিছে। এইটো সঁচা আপোনালোকে জানে জলসিঞ্চন বি ভাগৰ অফিছবিলাক বহু পুৰনি হৈ গ'ল। তেতিয়া Assam Type ঘৰবিলাক আছিল । আমি আশা কৰিছো, planning বিলাক, phase manner ত আমি আকৌ কৰিম। আমাৰ Division Office , SDO Office, Circle Office বিলাক সময়ে সময়ে ঠিক কৰি এটা সুন্দৰ পৰিবেশ দিয়াৰ বাবে ব্যৱস্থা লোৱা হ'ব। আমাৰ infra-structure লাগিব , পৰিবেশ সুন্দৰ হ'লে কাম কৰি ভাল লাগিব তাৰ ফলত কামো ভাল হ'ব। এইটো ভাল চাজেশ্যন। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্যন নং ৪৪- হাফিছ বছিৰ আহমেদ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ( সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**হাফিছ বছিৰ আহমেদ (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল আটানি আৰক্ষী চকীখন পূৰ্ণ পৰ্য্যায় আৰক্ষী থানালৈ উন্নীত কৰা। কিন্তু উত্তৰত কোৱা হৈছে পূৰ্ন

পৰ্য্যায়ৰ থানালৈ উন্নীতকৰণ বা স্থাপনৰ নতুন মাপকাঠি অনুসৰি প্ৰস্তাৱ এতিয়ালৈ পোৱা নাই যাৰ কাৰণে কৰিব পৰা নাই। ইতিমধ্যে নতুন মাপকাঠি হিচাপে প্ৰস্তাৱ দিয়াৰ নিৰ্দ্দেশনা জাৰি কৰা হৈছে বুলি কৈছে মই বিভাগীয় মন্ত্ৰীক ধন্যবাদ দিছো। কথা হ'ল মহোদয় , এই আঠানি আৰক্ষী থানা খন মহামায়া থানাৰ অন্তৰ্গত আছিল কিন্তু বি টি এ ডি ভাগ হোৱাৰ পিচত এটা বৃহৎ অংশ নন বি টি এ ডিত পৰা কাৰনে এইখিনি পুলিছ প্ৰশাসনৰ কাৰনে আঠানি আৰক্ষী থানাখন কৰা হৈছে আৰু পূৰ্ণ পৰ্য্যায়ৰ থানা গৌৰীপুৰ থানাৰ লগত এটাছ কৰা হৈছে। তাৰ পৰা গৌৰীপুৰ যথেষ্ঠ দূৰ, এটা অংশ গৌৰীপুৰ এটা অংশ বিলাসীপাৰাত এটাছ কৰা কাৰনে পাবলিকে অত্যন্ত বেয়া ধৰনে সমস্যাৰ সন্মুখীন হৈছে। জীয়াতু ভুগিব লগা হৈছে সেই কাৰনে ইয়াৰ আগতেও প্ৰশ্নটো উত্থাপন কৰিছিলো কিন্তু এতিয়ালৈকে প্ৰস্তাৱৰ অপেক্ষাত আছে। মই ভাবো মন্ত্ৰী মহোদয়ে বা চৰকাৰে চৰকাৰী যি নীতি নিয়ম আছে অতি সোনকালে এই প্ৰস্তাৱ অনাৰ ব্যৱস্থা কৰি এইখন আৰক্ষী চকী পূৰ্ণ পৰ্য্যায়ৰ থানালৈ উন্নীত কৰাৰ বাবে এটা আশ্বাস দিবনেকি সদনত?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... মিনিষ্টাৰ প্লিছ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়। আমাৰ প্ৰায় ১৮ টা পেৰামিটাৰ ইয়াত নিৰ্দ্ধাৰিত কৰা হৈছে। সেই খিনি হ'ল- জনসংখ্যা থাকিব, তাৰে এলেকা থাকিব, পুলিছ আৰু জনতাৰ অনুপাত থাকিব। যোগাযোগৰ ব্যৱস্থা, তাৰ পিছত দাখিল হোৱা কেচ বা অভিযোগৰ সংখ্যা , আইন শৃংখলাজনিত ঘটনা তাত কিমান সংঘটিত হৈছে। এইটো এটা মাপকাঠি , যদি অপ্ৰাকৃতিক কাৰনত মৃত্যুৰ সংখ্যা বেছি হৈছে সেইটো এটা মাপকাঠি আৰু আন্তৰাষ্ট্ৰীয় যদি সীমা হয় সেইটো এটা মাপকাঠি। এনেকৈ ১৮ টা মাপকাঠি নিৰ্ণয় কৰা হৈছে থানা কৰাৰ কাৰনে। আমি সকলোৱে জানো অধ্যক্ষ মহোদয় যে বিভিন্ন সমষ্টি বা এৰিয়াৰ পৰা থানা কৰাৰ প্ৰস্তাৱ আহিয়ে আছে সেই কাৰনে চৰকাৰে এই ১৮ টা মাপকাঠি নিৰ্দ্ধাৰণ কৰি ডি জি পি অফিচৰ পৰা ৰিপোৰ্ট বিচাৰিছে। আঠানি থানাৰ যিটো কথা কৈছে Practical কথাটো মই বুজিছো। গতিকে ৰিপোৰ্টটো পোৱাৰ পিচত যদি এই পেৰামিটাৰৰ ভিতৰত পৰে নিশ্চয় আমি ব্যৱস্থা ল'ম। কিন্তু সমস্যাটো আমি অনুভৱ কৰিছো যে এইটো সত্য কিন্তু এই মাপকাঠিৰ ভিতৰত আহিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** সমস্যাটো অনুভৱ কৰিছে যেতিয়া অলপ এৰা ধৰা কৰি ব্যৱস্থা ল'ব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** এটা-দুটা মাপকাঠি নাথাকিলেও তাৰ কাৰণে ৰৈ নাথায়, চৰকাৰে সহানুভূতিৰে নিশ্চয় চাব।

**হাফিছ বছিৰ আহমেদ (পশ্চিম বিলাসীপাৰা) ঃ** মই কেৱল কৈছো মহোদয়, এটা অঞ্চল দুখন থানাত পৰিছে গতিকে এটা Special Case হিচাপে লৈ বিষয়টোৰ এটা ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Special Case হিচাপে ল'ব বুলি কৈছে, আপুনি যোগাযোগ কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যেতিয়া চৰকাৰে পেৰামিটাৰ হিচাপে ল'ব তাত Special Case হিচাপে নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি Powerfull Minister কিবা এটা কৰি দিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মই Powerfull Minister নহয় অধ্যক্ষ ডাঙৰীয়া।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰটো স্পেচিয়েল কেছ হিচাবে ল'ম বুলি কৈছে। আপুনি যোগাযোগ কৰিব।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া চৰকাৰে এটা পলিচী আকাৰত

ল'ব যে ১৮ টা পেৰা মিটাৰ থাকিব লাগিব গতিকে তাত স্পেচিয়েল কেচ হিচাবে নহ'ব। যেতিয়া ডি জি পি অফিচৰ পৰা এই প্ৰস্তাৱটো আহিব, এই পেৰা মিটাৰ বিলাক বিবেচনা কৰি মুখ্য সচিবৰ নেতৃত্বত গঠিত কমিটি এখনে গোটেই কথাখিনি বিবেচনা কৰিব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ উকিয়াম হৈছে এটা পিকনিক স্পট আৰু হাজাৰ হাজাৰ গাড়ী তালৈ যায়। বকো থানাৰ পৰা সেই অঞ্চলটো নিয়ন্ত্ৰিত হয়। ইমান গাড়ী হয় যে কেতিয়াবা তাত ৫০-৬০ খন গাড়ীৰ দ্বাৰা যানযটৰ সৃষ্টি হয়। বকোৰ পৰা আহি ছয়গাওঁ আৰু ছয়গাওঁৰ পৰা ১৫-১৬ কিলোমিটাৰ দূৰ তালৈকে যাব লাগে। গতিকে পৰ্য্যটকৰ সুবিধাৰ কাৰণে তাত ভালদৰে এটা পুলিচ ষ্টেচন বনাই দিব লাগে। দ্বিতীয়তে, মোৰ সমষ্টিৰ জামবাৰীৰ আদ্ধেটাৰীত এটা ইণ্ডাষ্ট্ৰী হাব গঠিত হৈছে। বেম্বো পাৰ্ক আৰম্ভ হৈছে। ইতিমধ্যে বহু শ কোটি টকাৰ টি পাৰ্ক ও তাত আৰম্ভ হ'ব। বকো থানাৰ পৰা তাত এটা চাব-ষ্টেচন হৈছে গতিকে সেইটো অধিক শক্তিশালী আৰু ক্ষমতা সম্পন্ন কৰি দিব লাগে। তৃতীয়তে, বকো আৰু পলাশবাৰীত থানাত ইন্সপেক্টৰ আছে কিন্তু ছয়গাওঁ থানাত ইন্সপেক্টৰ নাই। গতিকে তাত এজন ইন্সপেক্টৰ নিযুক্তি দি থানা খনৰ উন্নতিকৰণ কৰিব লাগে আৰু এটা নতুন বিল্ডিং দিব লাগে। শুৱালকুছিৰ ৰিভাৰ পুলিচ ষ্টেচনটো অধিক শক্তিশালী কৰিব লাগে। আশা কৰো মন্ত্ৰী মহোদয়ে কথাখিনি গুৰুত্ব সহকাৰে ল'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ৰ হাতত যদি তথ্য আছে দি দিয়ক নহ'লে পিছত দিব।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰা উকিয়ামৰ ক্ষেত্ৰত চৰকাৰে এই কথাবিলাক চাব। তাত যাতে কোনো ধৰণৰ অসুবিধা নহয় তাৰবাবে চিকিউৰিটিৰ পইণ্টৰ পৰা চৰকাৰে কথাখিনি বিবেচনা কৰি চাব আৰু যি থানাৰ কথা কৈছে এই থানাৰ বিষয়টো এতিয়া পেৰা মিটাৰৰ ভিতৰত আহি গ'ল। গতিকে পেৰা মিটাৰৰ ভিতৰত যদি পৰা যায় ইয়াক কৰা যাব। নতুন বিল্ডিং বিলাকৰ ক্ষেত্ৰত মৈত্ৰেয়ী আঁচনিৰ যোগেদি পৰ্য্যায়ক্ৰমে আমি কৰি আছো। এই কথাটো সকলো সদস্যৰে জ্ঞাত। গতিকে তেখেতে কোৱা কথাখিনি আমি বিবেচনা কৰি চাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৪৫। শ্ৰী আব্দুল কালাম ৰছিদ আলম। মন্ত্ৰী মহোদয়।

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আব্দুল কালাম ৰছিদ আলম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি জিনাৰি ৰিভাৰ ফ্ল' ইৰিগেশ্যন স্কীম এটাৰ কাম চলি আছে। মই প্ৰশ্ন কৰিছিলো কেতিয়াৰ পৰা আৰম্ভ হৈছে আৰু কেতিয়া শেষ হ'ব? কিমান শতাংশ কাম হ'ল? উত্তৰত দিলে ৯০ শতাংশ কাম শেষ হৈছে আৰু ১০ শতাংশ কাম কৰিবলৈ বাকী আছে। এইটো ২০২২ চনত শেষ হ'ব। অৰ্থাৎ এই মন্ত্ৰী আৰু চৰকাৰৰ দিনত কাম শেষ নহ'ব। গতিকে এই ১০ শতাংশ কাম কৰিবলৈ ইমান সময় কিয় লাগিব? মই ২০১৬ বৰ্ষতে এই স্কীমৰ বিষয়ে বিধান সভাত কৈছিলো। কিন্তু স্কীমটো সঠিক ভাৱে নোহোৱাৰ বাবে মই বিধান সভাত আপত্তি কৰিছিলো। সেই সময়ৰ মন্ত্ৰী মহোদয়ে এইটো তদন্ত কৰা হ'ব বুলি মোক কৈছিলে আৰু কৈছিলে যে 'আপোনাক লৈ তদন্ত কৰা হ'ব' কিন্তু সেই তদন্ত এতিয়ালৈকে হোৱা নাই। উত্তৰত জনালে যে কোনো ধৰণৰ আপত্তি বিভাগীয়ভাৱে কৰা নাই। কিন্তু মই নিজেই আপত্তি কৰিছিলো। মেঘালয়ৰ যিটো ঢল পানী আহে, যাৰ বাবে গোৱালপাৰা, কৃষ্ণাই অঞ্চলত ফ্লাচ ফ্লাড হয় এটাই ৰাস্তা আছিলে এই পানীটো ওলোৱা। এই ৰাস্তাটো এই স্কীমটোৰ বাবে বন্ধ কৰি দিছে। সেইকাৰণে মই এটা তদন্ত বিচাৰিছিলো। কিন্তু তদন্তটো নকৰিলে। মই তদন্তৰ সেই প্ৰতিবেদনটো বিচাৰিছিলো। কিন্তু উত্তৰত ক'লে এইটো বোলে আপত্তিয়ে হোৱা নাই। সদনত আপত্তি হৈছে মই

কৰিছো আৰু 'গ' ত মই প্ৰশ্ন কৰিছিলো যে কিমান বিঘা মাটি খেতিয়কৰ ক্ষতি হৈছে? উত্তৰত ক'লে যে প্ৰায় ৮৯ বিঘা মাটি ক্ষতি হ'ব। ইতিমধ্যে স্কীমৰ ৯০ শতাংশ কাম শেষ হৈছে কিন্তু উত্তৰত ক'লে যে ক্ষতি হ'ব যিটো ইতিমধ্যে ক্ষতি হৈ গৈছে। গতিকে এই ক্ষতিপূৰণ বিলাক কেতিয়া দিব? অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই বিষয়ত মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী আব্দুল কালাম ৰছিদ আলম ডাঙৰীয়াই কৰা প্ৰশ্নৰ উত্তৰটোত লিখিছে যে হেড ৱৰ্কৰ কামটো ৯০ শতাংশ হৈছে। বাকী যিখিনি কেনেল বা চাইডৰ কাম হোৱা নাই তাৰ বাবে লেণ্ড ইকুইজেশ্যনটো হোৱা নাই আৰু এই বিষয়ে তদন্ত কৰা হ'ব বুলি মই সন্মানীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আশ্বাস দিছো। ২০২০ লৈকে আমি টাৰ্গেট ৰাখিছো। ২০২১ ৰ ভিতৰতো হয়তো সম্পূৰ্ণ হৈ যাব পাৰে যদিহে লেণ্ড ইকুইজেশ্যনৰ কামটো আমি শেষ কৰিব পাৰো। ধন্যবাদ।

**শ্ৰী আব্দুল কালাম ৰছিদ আলম ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি হেড ৱৰ্কৰ কাম মুখ্য বান্ধটোৰ ওচৰত কৰিলে তাতটো মাটিৰ ক্ষতি হৈছে সেইখিনি ক্ষতিপূৰণ এতিয়ালৈকে কিয় দিয়া নাই?

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উপায়ুক্ত ডাঙৰীয়াৰ পৰা লেণ্ডৰ সবিশেষ তথ্য আহি পোৱা নাই। আহি পালে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব যিহেতু স্কীমৰ লগত এইখিনি পইচা ধৰা থাকে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উপায়ুক্তৰ লগত টেকআপ কৰি ল'ব। এতিয়া প্ৰশ্ন নং ৪৬। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা। তেখেতে অনুপস্থিত। এতিয়া প্ৰশ্ন নং ৪৭। শ্ৰী মহেশ্বৰ বড়ো। মন্ত্ৰী মহোদয়।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী মহেশ্বৰ বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন উপ-আৰক্ষী চকী স্থাপনৰ সম্পৰ্কে আছিল। উত্তৰটো পাইছো। দৰং জিলা দুখন জিলাত বিভক্ত হ'ল। ওডালগুৰি আৰু দৰং। ইতিমধ্যে পুলিচ প্ৰশাসনক ৰি-অৰগেনাইজ কৰি দৰং আৰু ওডালগুৰি দুয়োটা পাৰ্ট কৰি দিয়া হ'ল। এতিয়া এৰিয়াৰ প্ৰয়োজন হোৱাত পুলিচ প্ৰশাসনৰ তৰফৰ পৰা এই বিলাক এৰিয়াক পি পি বহোৱা হৈছে। মোৰ সমষ্টিৰ নামখোলা এতিয়া ছিপাঝাৰ থানাৰ অন্তৰ্ভুক্ত হ'ল। আগতে অবিভক্ত দৰঙৰ ওচৰতে খৈৰাবাৰী থানা আছিল। দূৰত্ব বেছি হোৱা কাৰণে এতিয়া তাত পি পি বহোৱা হ'ল। ৰাইজৰ দাবী অনুযায়ী ইয়াত আউটপোষ্টৰ প্ৰয়োজন অনুভৱ কৰি প্ৰশাসনক প্ৰস্তাৱ প্ৰেৰণ কৰিছে। এতিয়া বিভাগে মূল্যাংকনৰ মাত্ৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আছে। একে প্ৰশ্ন মই আগৰ বিধান সভা বিলাকতো কৰিছিলো। উত্তৰটো একেধৰণৰে আহি আছে। এতিয়া মই জানিব বিচাৰিছো বৰ্তমান চৰকাৰৰ আমোলত আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ নেতৃত্বাধীন এই চৰকাৰৰ আমোলত যি মাপ-কাঠি মূল্যাংকনৰ ব্যৱস্থা চলি আছে, সেইটো সম্পূৰ্ণ কৰিব পাৰিবনে? প্ৰায় তিনিটা বছৰ ধৰি এইখন সন্মানীয় বিধান সভাৰ মজিয়াত এই প্ৰশ্নবিলাক মই কৰি আছিলো। যদি হয়, মাপ কাঠি ঠিক -ঠাক কৰি দিব লাগে আৰু যদি মাপ কাঠিৰে ঢুকি নাপায় তেতিয়া এটা উত্তৰ পালেও ৰাইজে যথেষ্ঠ সকাহ পাব। গতিকে অত্যন্ত জৰুৰী হোৱা হেতুকে এইবোৰ অঞ্চলত পি পি বহাই থব লাগে। ওদালগুৰি জিলাতো ভকতপাৰাত আৰু তাৰ বাহিৰেও দলং ঘাটত পি পি বহাইছে, লক্ষিমপুৰত পি পি বহাইছে, ৰাণী পুখুৰীত পি পি বহাইছে। এইবোৰ অঞ্চলৰ ৰাইজে এতিয়া বহুত ডিমাণ্ড দি আছে এইখিনি বিবেচনা কৰিবৰ কাৰণে নিশ্চয় পুলিচ প্ৰশাসনৰ পৰা এইখিনি প্ৰস্তাৱ প্ৰেৰণ কৰাৰ ব্যৱস্থা চলি আছিল। গতিকে আগৰ যিখিনি হৈছিল, সেইখিনিয়ে সম্পূৰ্ণ হোৱা নাই। এই চৰকাৰৰ কাৰ্য্যকালতে

সম্পূৰ্ণ হ'বনে সেইটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কথাটো ক'লো যে, এই যিটো মাপ-কাঠি নিৰ্ণয় কৰা হৈছে ১৮ টা পইন্টৰ, মাপকাঠি খিনি লাগিব। বিভিন্ন ঠাইত থানাৰ প্ৰয়োজনটো আমি চৰকাৰে অনুভৱ কৰিছো, প্ৰয়োজন আছে আৰু ডিমাণ্ডো বহুত আছে। গতিকে প্ৰয়োজন আৰু ডিমাণ্ড এই দুটাক লৈ ১৮ টা মাপকাঠি সেই দুটা নিৰ্ণয় কৰা হৈছে আৰু আমি ভাৰো আমাৰ মাননীয় সদস্য গৰাকীয়ে কোৱামতে নামখলাৰ ওপৰত আৰক্ষী স্থাপনৰ কাৰণে দৰং জিলা SP ৰ পৰা প্ৰস্তাৱ পোৱা হৈছে। কিন্তু দৰং ঘাটৰ সম্পৰ্কত তাৰ পৰা কোনো ধৰণৰ প্ৰস্তাৱ এতিয়ালৈকে অহা নাই। লগতে ভকতপাৰাত যিখন আছে ওদালগুৰি তাতো আৰক্ষী প্ৰশাসনৰ পৰা মুখ্য কাৰ্য্যালয়ৰ যোগেদি চৰকাৰে প্ৰস্তাৱ পাইছে। সেই প্ৰস্তাৱবিলাক চৰকাৰে বিবেচনা কৰি আছে আৰু এই মাপকাঠিৰ ভিতৰত পৰিলে নিশ্চয় উন্নতিকৰণ কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দুজন বিধায়কে Suplementry বিচাৰিছে, জয়ৰাম ইংলেং আৰু নন্দিতা দাসে, কিন্তু মই দুখিত। দুটামান question মই আকৌ যাব বিচাৰিছো। সমষ্টি specific. Next Question 48. মানুন ইমদাদুল হক চৌধুৰী, তেওঁ অনুপস্থিত। এতিয়া ৪৯, নৰেণ সোনোৱাল। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

শ্ৰী নৰেণ সোনোৱাল, নাহৰকটীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মই পাইচো। কিন্তু নাহৰকটীয়া, টিংখং আৰু ডুলিয়াজান এই মানুহবিলাকৰ সুবিধাৰ কাৰণে পূৰ্ণাঙ্গ হিচাপে কেতিয়া আমাৰ মহকুমাটো স্থাপিত হ'ব সেই কথাটো মই জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে যে নাহৰকটীয়াৰ অন্তৰ্গত চৰকাৰীভাৱে ঘোষণা হ'ল, আমি জ্ঞাত আৰু সেই সময়ত এটা কথা হৈছিল যে বহু কেইটা Sub-division জিলা ঘোষণা কৰা হৈছিল without in creation Staff. গতিকে Staff নোহোৱাকৈতো কোনো Sub-division বা জিলা হ'ব নোৱাৰে। আমি এতিয়া আমাৰ চৰকাৰ অহাৰ পিছত আমি দেখিলো এইবিলাক ঘোষণা হ'ল কিন্তু কোনো Staff creation নহ'ল আৰু কোনো establishment ৰ ব্যৱস্থা নহ'ল, আৰু without creation of staff এটা মহকুমা কেতিয়াও চলিব নোৱাৰে। মহকুমাটোৰ লগত জড়িত All Departments থাকিব। সেইকাৰণে এই বিষয়টো পুনৰ বিবেচনা কৰি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এখন কেবিনেট চাব কমিটি গঠন কৰি দিছে আৰু কেবিনেট চাব কমিটি এই গোটেইবিলাক বিষয়বিলাক আলোচনা কৰি আছে আৰু তেওঁলোকে কোনটো ঠাইত আচলতে Sub-division হ'ব লাগে, Sub-division হোৱাৰ কাৰণে যিখিনি প্ৰয়োজনীয় তথ্য লাগে, এই গোটেইখিনি Cabinet Sub-Committee বিবেচনা কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে যিটো Sub-Committee গঠন কৰি দিছে, আমাৰ বিত্ত বিভাগৰ মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা এই Sub-Committee ৰ Chairman. গতিকে এই Sub-Committee খন গোটেই যিবিলাক মহকুমা বিভিন্ন ঠাইৰ পৰা উত্থাপন হৈছে বা জিলাৰ ক্ষেত্ৰতো উত্থাপন হৈছে, সেই গোটেই বিষয়টো তেখেতসকলে আলোচনা কৰি আছে আৰু আলোচনা কৰি তেখেতসকলে ৰিপোৰ্ট দিয়াৰ পিছত এই কথাখিনি সঠিকভাৱে জানিব পৰা হ'ব। কাৰণ এতিয়া গোটেই বিষয়টো Under Consideration of Cabinet Sub-Committee added

by Dr. Himanta Biswa Sarma, Keshab Mahanta & one member.

**মাননীয় অধ্যক্ষ ঃ** Thank you. এতিয়া নাহৰকটীয়া মহকুমা, নাহৰকটীয়া সমষ্টি, গতিকে নাহৰকটীয়াৰ লগত সংযোগ থকা কিবা প্ৰশ্ন থাকিলে ক'ব পাৰে।

**শ্ৰী তেৰছ গোৱালা, দুলীয়াজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, নাহৰকটীয়া আৰু দু লীয়াজান লাগি আছে। ইয়াত Sub-division দিয়াৰ বাবে ধন্যবাদ জনাইছো। দুলীয়াজানত প্ৰায় ৮ টা পঞ্চায়ত আৰু ৮ টা পঞ্চায়তক মই Sub-division ত অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ জনাইছো। যিহেতু ডিব্ৰুগড় Headquater যাবলৈ আমাক ৫০ কিঃমি আৰু নাহৰকীয়া যাবলৈ আমাক ১৫ কিঃমি লাগে। গতিকে আমাক যদি ৮ টা পঞ্চায়ত অন্তৰ্ভুক্ত কৰি দিয়ে তেতিয়া আমাৰ ৮ টা পঞ্চায়তৰ ৰাইজে উপকৃত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো মন্ত্ৰী ডাঙৰীয়াই চাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Sub-division টো যেতিয়া Sub Committee য়ে সিদ্ধান্ত ল'ব, যদি লয় এইটো এটা Restructuring এনেয়ে হ'ব। ওচৰৰ যিখিনি এৰিয়া আছে, তাৰো population ৰ কথা আছে। গতিকে এই কথাখিনি নিশ্চয় বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ইচ্ছা কৰিলে আপুনি মুখ্যমন্ত্ৰীলৈ এখন চিঠি দি থব পাৰে। ---হুলস্থুল----I'm not allow to you. please sit down . You are a learned member. Don't interprete. মই কৈছো আপোনালোকে Rule পঢ়িব। Suplementry Question related হ'ব লাগিব। সমষ্টি ভিত্তিত প্ৰশ্নবোৰ মিল থাকিলে তেওঁ পাব। House ত related নোহোৱা প্ৰশ্নবোৰ নকৰিব। মন্ত্ৰীক এনেও লগ পাব। বিমল বৰা আপোনাৰ related question হ'লেহে আপুনি ক'ব পাৰিব।

**শ্ৰী বিমল বৰা, টিংখং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ টিংখং সমষ্টিৰ ওচৰত নাহৰকটীয়া আৰু তাৰ কাষত মৰাণ, দুয়োটাতে মহকুমা ঘোষণা কৰা হৈছে। নাহৰকটীয়া মোৰ সমষ্টিৰ সীমাৰ পৰা ১৫ কিঃমি মান হয় । টিংখং সমষ্টিৰ অন্তৰ্ভুক্ত হ'ব। এইক্ষেত্ৰত চৰকাৰে কেনেধৰণে বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়ালৈকে যিহেতু বিষয়টো Under consideration, গতিকে আপোনালোকৰ Grievance টো মুখ্যমন্ত্ৰীৰ যি আছে তেওঁলোক লৈ পঠিয়াই দিব। যদি JD কৰা হয়, আপোনালোকৰ এৰিয়াবোৰ যাতে সোমাব পাৰে। ----হুলস্থুল-----

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ঋতুপৰ্ণ বৰুৱা (লাহোৱাল)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, আলফাৰ সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যি আলোচনা চলি আছে, সেই আলোচনা প্ৰক্ৰিয়া বৰ্তমান কি পৰ্যায়ত আছে? তাত কি কি বিষয় আলোচনা কৰা হৈছে? কোন কোন সদস্যই এই আলোচনাত অংশ গ্ৰহণ কৰিছে? মই ইয়াৰ উত্তৰ যদিও পাইছো সেই উত্তৰত মই সন্তুষ্ট নহয়। দ্বিতীয়তে, আলফাৰ সৈতে আলোচনাৰ প্ৰক্ৰিয়াত মুখ্য ভূমিকা গ্ৰহণ কৰা শ্ৰী ৰেৱতী ফুকন ডাঙৰীয়া যোৱা ডেৰ-দুবছৰ ধৰি হেৰাই আছে। এই সদস্য গৰাকীৰ অৱস্থিতি বৰ্তমানলৈকে গম পোৱা নাই। তেখেতক কেন্দ্ৰীয় চৰকাৰে ৰাখি থৈছে নে কি হৈছে গম পোৱা নাই।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি আধা মিনিটৰ ভিতৰত উত্তৰটো দি শেষ কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই আলোচনাটো বৰ্তমান কি পৰ্যায়ত আছে, কি কি বিষয় আলোচনা হৈছে ইত্যাদি সকলো কথা উত্তৰত স্পষ্টভাৱে কোৱা হৈছে আৰু ১৩ টা উগ্ৰপন্থী সংগঠনে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত শান্তি আলোচনাত অংশগ্ৰহণ কৰিছে । সেয়েহে, আমাৰ চৰকাৰ আশাবাদী যে এই আলোচনাৰ এক ইতিবাচক ৰূপ পাবলৈ আমি সক্ষম হ'ম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Question Hour is over.

মই এটা কথা ক'ব বিচাৰিছো যে, আমাৰ এটা ডাঙৰ ভুল হৈছে। প্ৰশ্ন নং ৫৭ ৰ উত্তৰত তাৰিখৰ চনটো ২০১৯ ৰ বিপৰীতে ভুলতে ২০১৮ হৈ আছে। মই এইটো শুধৰাবলৈ দিছো। এইটো দেখুৱাই দিয়াৰ বাবে জাকিৰ হুছেইন ডাঙৰীয়া আপোনাক ধন্যবাদ জনাইছো।

এতিয়া ৰকিবুল হুছেইন ডাঙৰীয়া, আপোনাৰ Point of Order টো কওঁক।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, সদন চলি থকা অৱস্থাত আমাৰ এজন মাননীয় সদস্যই অসম চুক্তিৰ ক্ষেত্ৰত এনে কিছুমান কথা কৈছে যিবোৰ ক থা সদনত হৈ যোৱা ঘটনাৰ পৰিপন্থী।

**মাননীয় অধ্যক্ষঃ** ৰকিবুল হুছেইন ডাঙৰীয়া, বেলেগ কথা আনিলে মোক notice দিব লাগিব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** Point of Order ৰ যি নিয়ম, সেই নিয়মৰ ভিত্তিত মই এই কথাটো উত্থাপন কৰিছো। It is very much related with the Point of Order. কথাটো হ'ল যে- তেওঁ কৈছে যে, প্ৰফুল্ল মহন্তইহে চুক্তি স্বাক্ষৰ কৰিছিল, তেওঁ দায়ী নহয়। এই কথা যি জন সদস্যই কৈছে তেখেত তেতিয়া মন্ত্ৰী আছিল, অৰ্থাৎ ১৭ মাৰ্চ ২০১০ত আমাৰ সদনে এটা প্ৰস্তাৱ লৈ থৈছিল যে, আমি সদনে অসম চুক্তিৰ ভিত্তিত এন.আৰ.চি. কৰাৰ ক্ষেত্ৰত সংকল্প প্ৰস্তাৱ লৈছো..

**মাননীয় অধ্যক্ষঃ** আপুনি মোক কাগজখন দিয়ক।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** হয় ছাৰ, মই আপোনাক কাগজখন দিব বিচাৰিছো।

(মাননীয় সদস্য গৰাকীয়ে কাগজখন মাননীয় অধ্যক্ষৰ ওচৰত দাখিল কৰে।)

**মাননীয় অধ্যক্ষঃ** Next Point of Order- Durga Bhumij.

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা)ঃ** অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন ১০২ (ক) টো মই তৰাচিহ্ন প্ৰশ্নতহে দিছিলো। কিন্তু এই প্ৰশ্নটো তৰাবিহীনতহে দিয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** এই বিষয়ত মই কৈছো যে, ২০ টা তৰাচিহ্নিত প্ৰশ্নৰ লটাৰী হোৱাৰ পিছত ৫০ টা প্ৰশ্ন তৰাবিহীনত দিয়া হয়। গতিকে, যি সকল সদস্যৰ প্ৰশ্ন তৰাচিহ্নত অন্তৰ্ভূক্ত নহয়, তেওঁলোকৰ প্ৰশ্ন তৰাবিহীনত অন্তৰ্ভূক্ত কৰা হয়। সেয়েহে আপোনাৰ প্ৰশ্নটো তৰাবিহীনত দিয়া হৈছে।

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা)ঃ** ঠিক আছে মহোদয়। তৰাবিহীন প্ৰশ্ন ১০২ (ক) ত মই সুধিছিলো যে, অসমত Detention Camp ত কিমান জন আচামীৰ মৃত্যু হৈছে? কিন্তু তাৰ উত্তৰত পাইছো যে Detention Campত ঘোষিত বিদেশীহে ৰখা হয়। এইটো বৰ খেলিমেলি। এনেধৰণৰ উত্তৰ পালে আমি কি আশা কৰিম? এই ক্ষেত্ৰত গৃহ বিভাগ serious নহয়।

**মাননীয় অধ্যক্ষঃ** This is a serious matter. I will look into it.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে গৃহ বিভাগে seriously উত্তৰ দিছে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, এতিয়া Point of Order খিনি একেলগে লৈ লওঁ। তাৰ

পিছত আপোনাৰ কথাখিনি ক'ব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰা চিহ্নিত প্ৰশ্ন নং ৫৭ ত মই সোধা প্ৰশ্নৰ উত্তৰত বিভাগে যিধৰণৰ তথ্য দিব লাগিছিল সেই ধৰণে দিয়া নাই আৰু মই বিভাগৰ উত্তৰত সন্তুষ্ট নহয়। গতিকে মই আশা কৰিম, আপোনাৰ জৰিয়তে পৰৱৰ্তী সময়ত মন্ত্ৰী ডাঙৰীয়াই তথ্যখিনি দিব।

**মাননীয় অধ্যক্ষঃ** Alright, I will look into it and let you know.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মহোদয়, যোৱা বানপানীত কিমান মানুহ কেনেধৰণে ক্ষতিগ্ৰস্ত হৈছে তাৰ ভয়াৱহতাৰ কথা সকলোৰে জানে।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ কথাটো কি? মই বুজা নাই এই কথাটোৰ লগত আপোনাৰ Point of Order ৰ কি সম্পৰ্ক আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মই কথাটো কৈছো।

**মাননীয় অধ্যক্ষঃ** এনেই কথা ক'ব নোৱাৰে।

কমলাক্ষে দে' পুৰকায়স্থ, আপোনাৰ Point of Order টো কওঁক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** ছাৰ, মোৰ কথাটো গুৰুত্বপূৰ্ণ।

**মাননীয় অধ্যক্ষঃ** নাই নহ'ব। তেখেতেও গুৰুত্বপূৰ্ণ কথা উলিয়াইছিল। You can not misuse Point of Order.

কমলাক্ষে দে' পুৰকায়স্থ, আপুনি কওঁক।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মোৰ তৰাবিহীন প্ৰশ্ন নং ৭।

**মাননীয় অধ্যক্ষঃ** তৰাবিহীন প্ৰশ্ন নং ৭টো আজি নাই।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** হয় ছাৰ, এইটো যোৱাকালিৰ প্ৰশ্ন।

**মাননীয় অধ্যক্ষঃ** যোৱোকালিৰ প্ৰশ্ন আজি নাহে। আপুনি পিছত মোৰ কাৰ্যালয়ত আহিব, মই লৈ ল'ম।

এতিয়া, আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মোৰ তৰাবিহীন প্ৰশ্ন নং ৯৬ ত মই নতুনকৈ কিমান জন সদস্য বিদেশী ন্যায়াধিকৰণত নিয়োগ কৰা বিষয়ে সুধিছিলো। মই প্ৰশ্নটো ১৭-১৮ দিন আগতেই জমা দিছো। কিন্তু বিভাগে এই ১৭-১৮ দিনত ২০০ জন সদস্যৰ নামৰ তালিকা সংগ্ৰহ কৰি দিব নোৱাৰি উত্তৰ দিছে যে list is being prepared. ২-৩ বছৰ আগতেও কৰা প্ৰশ্নৰ উত্তৰতো ঠিক এনেকৈয়ে নাম সংগ্ৰহ কৰি থকা বুলি কৈছিল। কিন্তু আজিলৈকে মই সেই তথ্য পোৱা নাই। গতিকে, এনেধৰণে সদায় প্ৰশ্নৰ উত্তৰ সমূহ বিভাগে skip কৰি যায়।

**মাননীয় অধ্যক্ষঃ** I will look into it, next.

**মোঃ নুৰুল হুদা (ৰূপহী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন আছিল ১১৮. মোৰ প্ৰশ্নটো আছিল ২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০ চনত এই তিনিটা বিত্তীয় বৰ্ষত নগাওঁ জিলাত বানপানী, গৰাখহনীয়, ধুমুহা আৰু অগ্নি কাণ্ডত ক্ষতি গ্ৰস্ত লোকসকলক পুনৰ সংস্থাপন আৰু সাহাৰ্য্য দিয়াৰ ক্ষেত্ৰত কোন কোন বিভাগত কিমানজন ক্ষতিগ্ৰস্ত লোক আছে, তাৰ তালিকা ৰাজহ চক্ৰৰ ভিত্তিত দাখিল কৰিব। কিন্তু এতিয়ালৈকে এই তালিকাখন দিয়া হোৱা নাই আৰু মই ইয়াৰ উত্তৰ পোৱা নাই।

**মাননীয় অধ্যক্ষ মহোদয় ঃ ১১৮** নম্বৰ প্ৰশ্নৰ (ক)ত ইয়াৰ উত্তৰটো কি দিছে?

**মোঃ নুৰুল হুদা (ৰূপহী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ জিলাৰ উপায়ুক্তই দিয়া তথ্য অনুসৰি এই তিনিটা বিত্তীয় বৰ্ষত নগাওঁ জিলাত বানপানী, গৰাখহনীয়া, ধুমুহা আৰু অগ্নি কাণ্ডত ক্ষতি গ্ৰস্ত লোকসকলক ৰাজহ চক্ৰৰ ভিত্তিত পৰিসংখ্যা অনুবদ্ধ উত্তৰ "ক" ত দিয়া হ'ল বুলি কৈছে আৰু এই "ক" ৰ উত্তৰত কেৱল সৰ্বমুঠটোহে দিছে। নামসহ দিয়া নাই বা বিত্তীয় বৰ্ষ ২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০ চনত ধুমুহা আদিত ক্ষতিগ্ৰস্ত লোকসকলক ক'ত কিমান দিছে, সেইটো সঠিকভাৱে দিয়া নাই।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** মাননীয় সদস্য, আপুনি ক'ব বিচাৰিছে যে ১১৮ নম্বৰ প্ৰশ্নৰ (ক)ত যিটো উত্তৰ দিছে, সেইটোত আপুনি সন্তুষ্ট নহয়। মই এইটো ইয়াত ক'ব নোৱাৰিম। পিছত জনাই দিম। ইয়াৰ পিছত আপোনাৰ প্ৰশ্নটো কি আছিল?

**মোঃ নুৰুল হুদা (ৰূপহী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয় কথাটো আছিল যে যদি এই ক্ষতি গ্ৰস্ত লোকসকলক সাহাৰ্য্য আৰু পুনৰ সংস্থাপন দিয়া হৈছে, সাহাৰ্য্য প্ৰাপ্ত হিতাধিকাৰীৰৰ নাম ঠিকনা আৰু কিহত ক্ষতিগ্ৰস্ত হৈছিল ৰাজহ চক্ৰৰ ভিত্তিত সদনত দাখিল কৰিব লাগে। কিন্তু এইটো প্ৰশ্নৰ উত্তৰো মোক দিয়া হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মই এই বিষয়টো চাই ল'ম। এতিয়া ৰফিকুল ইছলাম ডাঙৰীয়া আপুনি কওঁক।

**শ্ৰী ৰফিকুল ইছলাম, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰা বিহীন প্ৰশ্ন নং-১১২। মোৰ প্ৰশ্নটো আছিল, Foreign Tribunal আৰু সীমান্ত আৰক্ষীৰ ওচৰত কোনোধৰণৰ গোচৰ নাই আৰু কোনো ধৰণৰ গোচৰ নথকা স্বত্তেও তেওঁলোকৰ ভোটাৰ লিষ্টৰ আগত 'ডি' লগাই থোৱা আছে। এই ব্যতিক্ৰমী চৰকাৰে এই 'ডি' বোৰ আঁতৰোৱাৰ কিবা ব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** এই প্ৰশ্নটোৰ উত্তৰত কি দিয়া হৈছে?

**শ্ৰী ৰফিকুল ইছলাম, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত দিছে যে বিদেশী ন্যায়াধিকৰণৰ মতামত অনুসাৰে 'ডি' আঁতোৰোৱাৰ ব্যৱস্থ্যা কৰা হ'ব। Foreign Tribunal আৰু সীমান্ত আৰক্ষীৰ ওচৰত কোনো ধৰণৰ গোচৰ নথকা স্বত্বেও তেওঁলোকৰ ভোটাৰ লিষ্টৰ নামৰ আগত ভুল বশতঃ 'ডি' লগাই দিয়া হ'ল। মোৰ কথাটো হৈছে যিসকলৰ নামত গোচৰ নাই, তেওঁলোকৰ নাম 'ডি' ভোটাৰত যাব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কৈছে যে (গ) নম্বৰ প্ৰশ্নৰ উত্তৰটো শুদ্ধ নহয়। মই এই বিষয়টো চাই লম আৰু এই বিষয়ে আপোনাক জনাম।

এতিয়া ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাচিহ্নিত প্ৰশ্ন নং-৫৯। এই প্ৰশ্নটো মই যোৱা ২০১৬ চনৰ পৰা প্ৰত্যেকবাৰে বিধান সভাত আনি আছো যে Civil District Area সুনিৰ্দ্দিষ্ট হ'ব লাগে। এইটোৰ বাবে বিভিন্নধৰণৰ কমিটি বনোৱা হৈছে আৰু চাৰে তিনি বছৰ পাৰ হ'ল। কিন্তু এতিয়ালৈকে হোৱা নাই আৰু তিনিবছৰ ধৰি মোৰ প্ৰশ্নৰ উত্তৰত একেখিনি কথাকে দি থকা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এই প্ৰশ্নটোৰ যোৱা তিনি বছৰে একেটা উত্তৰে পাই আছে আৰু আপুনি ইয়াৰ এটা সঠিক উত্তৰ বিচাৰিছে। মই এই বিষয়ে অলপ জানো আৰু মই বিষয়টো চাম।

এতিয়া মাননীয় সদস্য দীপক ৰাভা ডাঙৰীয়াই কওঁক।

**শ্ৰী দীপক কুমাৰ ৰাভা (দুধনৈ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন নং হৈছে- ১২৩। ষষ্ঠ অনুচ্ছেদ সম্পৰ্কত ৰাভা, তিৱা, মিচিং সম্পৰ্কত তিনিটা জনগোষ্ঠীক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত

কৰিব লাগে বুলি যোৱা তিনিটা বছৰে মই বিধান সভাৰ মজিয়াত প্ৰশ্ন উত্থাপন কৰিছিলো। কিন্তু মই এই প্ৰশ্নৰ উত্তৰত পাইছো যে এই প্ৰস্তাৱটো আজিলৈকে ৰাজ্যচৰকাৰৰ পৰা পঠিওৱা হোৱা নাই। মই সৌ-সিদিনাখন মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিছিলো আৰু তেতিয়া জাতীয় সংগঠনৰ এজন লীডাৰো আমাৰ লগত আছিল। তেতিয়া মন্ত্ৰী মহোদয়ে আমাক কৈচিল যে তেওঁলোকে ইতিমধ্যে প্ৰস্তাৱটো পঠিয়াইছে আৰু আমাৰ দিল্লী গৈ কথা পতাৰ সময় হৈছে। কিন্তু প্ৰকৃততে মন্ত্ৰী মহোদয়ে এটা অসত্য কথা কৈছিল। আজি বিভাগীয় মন্ত্ৰী মহোদয় আমাৰ মাজত নাই। কিন্তু সংসদীয় পৰিক্ৰমা মন্ত্ৰী আজি আমাৰ মাজত আছে। যিহেতু এই তিনিটা জনগোষ্ঠীৰ ভাষা-সাহিত্য, শিক্ষা, সংস্কৃতিৰ উন্নয়ণৰ ক্ষেত্ৰত ভাৰতীয় সংবিধানত ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰিব লাগে। এই কথাখিনি গুৰুত্ব সহকাৰে লৈ আমাৰ কেবিনেটে অতি সোনকালে এই প্ৰস্তাৱটি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ইয়াৰ উত্তৰটো পোৱা নাই আৰু মই এই বিষয়টো গুৰুত্ব সহকাৰে চাম। এতিয়া মাননীয় সদস্য নিজানুৰ ৰহমান ডাঙৰীয়া কওঁক।

**শ্ৰী নিজানুৰ ৰহমান, ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো মই তৰা চিহ্নিতত দিছিলো। কিন্তু তাত অহা নাই আৰু তৰা বিহীন প্ৰশ্ন নং ১২৬ ত আহিছে। সেইটোত মই আপত্তি কৰা নাই। কিন্তু তৰাবিহীন প্ৰশ্নতো মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ সম্পূৰ্ণ উত্তৰ দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটো আছিল যে ধুবুৰী জিলাৰ অন্যান্য পিচপৰা শ্ৰেণীসমূহৰ বাবে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে, আঁচনিসমূহ কি কি ? আৰু আপুনি কৈছে যে আপুনি ইয়াৰ সম্পূৰ্ণ উত্তৰ পোৱা নাই। ঠিক আছে, মই এই বিষয়টো চাই দিম। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ উত্তৰ দিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দূৰ্গা ভূমিজ ডাঙৰীয়াই যিটো কথা কৈছে যে আমাৰ বিভাগ serious নহয়। কিন্তু মই ক'ব বিচাৰিছো যে আমাৰ গৃহ বিভাগ এই বিষয়টো লৈ অতি serious. আৰু গুৰুত্বসহকাৰে লৈছে। তেওঁৰ প্ৰশ্নটো আছিল যে দুজন মুণ্ডা উপাধিৰ মানুহক ডিটেইন কৰি ৰখা হৈছে। প্ৰকৃততে ডিটেনশ্যন কেম্পত সেইসকল লোককহে ৰাখিব পাৰিব যাক Foreign Tribunal লৈ বিদেশী বুলি ঘোষণা কৰিব। কিন্তু যদি দূৰ্গা ভূমিজ ডাঙৰীয়াই কৈছে যে তেওঁলোক স্বদেশী হয়, তেনেহ'লে তেওঁলোকে আপীল কৰাৰ অধিকাৰ আছে। এই ক্ষেত্ৰত গৃহ বিভাগ যথেষ্ট serious । দ্বিতীয়তে মাননীয় সদস্য গৰাকীয়ে ডি-ভোটাৰৰ কথা কৈছে। ডি-ভোটাৰ চিহ্নিতকৰণ প্ৰকৃততে Election Commissioner এ হে কৰে। তেখেতে কৈছে সীমা-সুৰক্ষা পুলিচ আৰু Foreign Tribunal লৈ কোনো ৰিপোৰ্ট দিয়া নাই। তথাপিও তেনে লোকৰ নামৰ আগত 'ডি' লাগিছে। যদি তেনেকুৱা কোনো গোচৰ আছে, তেনে ব্যক্তিয়ে গোচৰ আপীল কৰিব পাৰে আৰু নিয়ম অনুসৰি তেওঁৰ গোচৰটো নিষ্পত্তি কৰা হ'ব। আমাৰ মাননীয় ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, তাৰ ফাইনেল ৰিপোৰ্টটো এতিয়া আহিছে। Low & Commissioner ৰ জৰিয়তে কামটো কৰা হৈছে। Lets hope for the best.

**মাননীয় অধ্যক্ষ ঃ** মই আপোনালোক সকলোকে এটা কথা ক'ব বিচাৰিছো যে আমি আপোনালোকক এই কাৰণেই দিওঁ যাতে তাৰ শুদ্ধ উত্তৰ আহে আৰু সন্তুষ্ট হয়। সেইকাৰণে এইখিনি সময় দিওঁ আৰু এই সকলোবোৰ মই নিজেই পৰীক্ষা কৰিম আৰু বিভাগ সমূহলৈ এই প্ৰশ্নসমূহ উত্তৰৰ বাবে পঠিয়াম। এইবোৰ প্ৰশ্নৰ উত্তৰ মোৰ তাত জমা থাকে আৰু আপোনালোকে বিচাৰিলে মই

আপোনালোকক দেখুৱাব পাৰিম। মাননীয় মন্ত্ৰীয়ে ইয়াৰ উত্তৰ দিব বিচাৰিছে, সেইকাৰণে দিবলৈ দিয়া হৈছে। নিদিলেও একো কথা নাই। কাৰণ ইয়াৰ উত্তৰ সমূহ মন্ত্ৰীয়ে পিছত আপোনালোকক জনাই দিব। এতিয়া বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কওঁক।

**বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা ১২৫ নং তৰা বিহীন প্ৰশ্ন আছিল আৰু ইয়াৰ উত্তৰত প্ৰকৃত তথ্য দিয়া হোৱা নাই। ইয়াৰ আগতেও গৃহ, উদ্যোগ বা চাহ বাগানৰ ক্ষেত্ৰতো বহুতো প্ৰশ্নৰ সঠিক উত্তৰ পোৱা নাই। সেয়েহে এইখিনি আপোনাৰ দৃষ্টি গোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ কিছুমান উত্তৰ মোৰ তাত আহে। ইয়াৰো উত্তৰো হয়তো আহিব।

**বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় মন্ত্ৰী মহোদয়ে ডি-ভোটাৰৰ ক্ষেত্ৰত যিখিনি উত্তৰ দিলে, তাৰ এটা অসত্য কথা তেওঁ মুখেৰে প্ৰকাশ পালে বাবে মই ক'ব বিচাৰিছো যে ১৯১৭ চনতে প্ৰদেশ কংগ্ৰেছ প্ৰতিষ্ঠা কৰা স্বাধীনতা যুঁজাৰু ছবিলাল উপাধ্যায়ৰ পুত্ৰী মঞ্জু উপাধ্যায় তেজপুৰত ডি-ভোটাৰ হিচাপে চিহ্নিত হৈছে। এই ক্ষেত্ৰত পুলিচ বিভাগে জনাইছে যে বোৰ্ডাৰ পুলিচে তেওঁৰ ওপৰত কোনো তদন্ত কৰি ডি-ভোটাৰ কৰা নাই। Election Officer ক আৰ টি আই কৰাৰ পিছত ডেপুটি কমিশ্যনাৰ অফিচৰ যোগেদি ক'লে যে তেওঁলোকেও ডি-ভোটাৰ মাৰ্ক কৰি Foreign Tribunal লৈ পঠিওৱা নাই। এইটো এটা অবুজ সাঁথৰ হৈ পৰিছে। সেয়েহে মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক দৃষ্টি গোচৰ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া দ্বিতীয় কাৰ্য্যসূচীলৈ যাম। যোৱা ২৮ নবেম্বৰত বহা কাৰ্য্য উপদেষ্টা সমিতিৰ সিদ্ধান্ত মৰ্মে আমি শিক্ষা বিভাগৰ মন্ত্ৰীক অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাছনি কৰিছিলো। বাকীখিনি কাৰ্য্যসূচী সময় থাকিলে কৰা হ'ব। মই প্ৰথমতে শিক্ষা মন্ত্ৰী মহোদয়ক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০২০ চনৰ ৩১ মাৰ্চত হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং-৭১ ত শিক্ষাৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ৩৭ হাজাৰ ৫০ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই দুটা কৰ্ত্তন প্ৰস্তাৱ পাইছো। এটা হৈছে বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু তেওঁৰ সহযোগী আনটো কৰ্ত্তন প্ৰস্তাৱ হৈছে হাফিজ বছিৰ আহমেদ আৰু তেওঁৰ সহযোগী সকলৰ। মই যিকোনো এজনক এইটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মঞ্জুৰী নং ৭১, দাবীৰ নাম শিক্ষা, আমি বিৰোধী দল কংগ্ৰেছ আৰু অন্য সকলৰ হৈ এটা কৰ্তন প্ৰস্তাৱ উঠাইছো যে ২০১৯-২০২০ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৫১১ ৰ পৰা ৫২৭পৃষ্ঠাত থকা শিক্ষা শিতানৰ ৭১ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ৩৭০৫০.২৩ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ৩৭০৫০.২৩ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। মহোদয়, এই বিষয়ত আমাৰ সদস্য সকলে বক্তব্য ৰাখিব মই মাত্ৰ এটা কথা উনুকিয়াই দিব বিচাৰিছো, আজি যি খিনি কথা আলোচনা কৰা হ'ব সেই গোটেই কথা বিলাক ইয়াৰ পূৰ্বেও Speaker's Initiative ত আলোচনা হৈছিল। কিন্তু অতি দুখৰ বিষয় যে আমি বাকী সকলো প্ৰতিবেদন পালো আজিলৈকে শিক্ষাবিভাগৰ Action Taken Report বা এই

আলোচনা বিলাকত কি কৰিব সেইটো এতিয়ালৈকে পোৱা নাই, আৰু তাৰ বাবে এই বিলাক অ-মীমাংশিত হৈ আছে, আৰু বিভিন্ন ৰাজপথত আন্দোলনো চলি আছে। গতিকে আজি যাতে এই গোটেই কথাখিনিৰ এটা সুদুত্তৰ পাওঁ সেইটো আশা কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- I will look into it মই এতিয়া সকলোৱে হৈ এই টো উত্থাপন হ'ল বুলি ধৰি ল'ব পাৰো । এতিয়া মই বক্তাসকলক তেখেত সকলৰ বক্তব্য দিবলৈ অনুৰোধ কৰিছো। প্ৰথমতে মোৰ তাত আছে শ্ৰী শ্বেৰমান আলি আহমেদ। কিন্তু বৰ্তমানলৈকে তেওঁ আহি পোৱা নাই। এতিয়া শ্ৰী ৰফিকুল ইছলাম। আপুনি আৰম্ভ কৰক, মই বাকী কেইটা বিধায়িনী দলৰ কোনে ক'ব নামখিনি দিবলৈ অনুৰোধ কৰিছো যাতে নামখিনি পিছত নিদিয়ে।

**শ্ৰী ৰফিকুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি২০১৯-২০২০ চনৰ কাৰণে অতিৰিক্তভাবে যিখিনি পইচা শিক্ষা বিভাগৰ কাৰণে ৰখা হৈছে, বা যি ৩৭০৫০.২৩ লাখ টকা বিচাৰিছে ইয়াৰ পৰা আমি ১০০ টকা কৰ্ত্তন বিচাৰি যি প্ৰস্তাৱ আনিছো তাৰ পক্ষত মই কিছু কথা ক'ম।

**মাননীয় অধ্যক্ষ** ঃ- মই আৰম্ভণিতে এটা কথা ক'ব বিচাৰিছো। মই Flexible হ'ম কিন্তু Suplimentary Demand ৰ cut-motion ত সাধাৰনতে যি কেইটা Head ত পইচা দিয়ে সেই কেইটা ক'ব লাগে। আপোনালোকে চাইছেনে নাই ক'ব নোৱাৰো যদি চাইছে খুব ভাল কথা কাৰণ গোটেইখিনি টানিব নোৱাৰে। এইটো General debate নহয় বজেটৰ নিচিনাকৈ তথাপিও মই Flexible হ'ম। সেই কাৰণে যিকেইটা পইচা ধৰিছে, সেই কেইটা বিষয়ৰ ওপৰত বেছিকৈ চকু দিব। General discussion নকৰিব।

**শ্ৰী ৰফিকুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যিটো ৭১ নং মঞ্জুৰী এইটো মাধ্যমিক আৰু প্ৰাথমিকৰ কাৰণে প্ৰযোজ্য।

**মাননীয় অধ্যক্ষ** ঃ- মাধ্যমিক আৰু প্ৰাথমিক মানে Higher Education ৰ cut-motion ত নাই। আপোনালোকে সেইটো Confine কৰিব।

**শ্ৰী ৰফিকুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ভাৰতবৰ্ষৰ ভিতৰত অসমত শিক্ষাৰ যি অৱস্থান অৰ্থাৎ আমি প্ৰায় ২৬ নং ত আছো। Out of 36 State ইয়াৰ পৰা আমি আগবাঢ়িব লাগিব। তাৰ কাৰণে আমি বিভিন্ন পদক্ষেপ ল'ব লাগিব। আমি দেখিছো যে মাননীয় মন্ত্ৰী মহোদয়ে চিন্তা-চৰ্চা কৰিছে। ভাৰতৰ বেলেগ State যিবিলাকৰ literacy rate বেছি তাৰ লগত ফেৰ মাৰিব পাৰো। ইয়াৰ কাৰণে চিন্তা-চৰ্চা নিশ্চয় তেখেতে কৰিব। আমি সকলোৱে মিলি কৰিব লাগিব আৰু কৰাটো নিতান্তই প্ৰয়োজন। শিক্ষা যদি আমাৰ নাথাকে knowledge is power শিক্ষাই শক্তি knowledge is light শিক্ষাই পোহৰ। গতিকে আজি অসমৰ যিটো অৱস্থা, গোটেই অসমৰ সকলো জিলা বা সকলো চাব-ডিভিজন সমানভাবে শিক্ষিত হোৱা নাই। আজি আমাৰ যি literacy rate আছে ৭৩ বা ৭২ যিটো কম বেছি হৈ থাকে অৰ্থাৎ সকলো জিলা সমানভাবে হৈ থকা নাই। অসমত কিছুমান জিলা আছে য'ত ৮৬/৮৭/৮৮ শতাংশলৈকে literacy rate হয়। আজি ধুবুৰী জিলাৰ literacy rate 63, চিৰাং জিলাৰ literacy rate ৬৩ দৰঙৰ ৬৩, বৰপেটা জিলাৰ ৬৩, ধুবুৰী একেবাৰে তলত ৫৮ শতাংশ। অসমত কিছুমান জিলাত literacy rate ৫৮ শতাংশ পৰ্য্যন্ত হৈ আছে। এইটো ভাল কথা কিন্তু ৮৭ নহয় আমাৰ টো ৯০ শতাংশৰ ওপৰ হ'ব লাগিব। যিবোৰ অঞ্চলত বা যি জিলাত শিক্ষাৰ হাৰ এতিয়াও কম, তাত আমি বিশেষ ভাবে দৃষ্টি দিব লাগিব। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আজি ৪-৫ খন জিলাৰ অৱস্থা ভাল হ'লে গোটেই অসমখন উন্নত নহয়। বিগত দিনত আমি এই কথাবিলাক কৈছিলো যে

অসমৰ তিনিভাগৰ এক অঞ্চল বা দুই ভাগৰ এক অঞ্চল যদি বাদ দি বাকী অঞ্চল সমূহত দৃষ্টি দিওঁ কেতিয়াও আমাৰ literacy rate ঠিক নহ'ব। সন্তোষজনক নহ'ব। ভাৰতবৰ্ষৰ যিবিলাক State ৰ literacy rate ভাল তাৰ লগত ফেৰ মাৰিব নোৱাৰিম। নৰ্থইষ্টৰ যদি আমি ত্ৰিপুৰাত যাওঁ আমাতকৈ বহুত ভাল। সেই পৰ্য্যায় পাবৰ কাৰণে আমি যথেষ্ট ভাল পদক্ষেপ ল'ব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত শিক্ষা ব্যৱস্থাটো কেনেকৈ চলি আছে সেই কথাবিলাক পৰ্য্যালোচনাৰ প্ৰয়োজন আছে। দুদিনমান আগত বৰপেটাৰ District Head Quarter ৰ পৰা তাত যিজন in-charge আছে তেওঁৰ পৰা মই বৰপেটাৰ স্কুল বিলাকৰ সম্পৰ্কে data উলিয়াইছো। প্ৰাথমিক আৰু মাধ্যমিক স্কুলৰ কথা মোৰ সমষ্টিৰ পৰাই আৰম্ভ কৰিছো। মোৰ সমষ্টিত ১০ খন বিদ্যালয় আছে য'ত মাত্ৰ এজন শিক্ষক আছে, ছাত্ৰ- ছাত্ৰী ১৫০ জন, প্ৰাথমিক স্কুলত এতিয়া পঞ্চম শ্ৰেণীও আছে। মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমত এনে বহু বিদ্যালয় আছে য'ত ৫-৬ টা শ্ৰেণী এজন শিক্ষকে চলাই আছে। এনেকৈ কেনেকৈ স্কুল বিলাক চলি আছে সেই কথাবোৰ আমি চিন্তা কৰিব লাগিব। শিক্ষকে উপাই নাপাই চলাই আছে। তাৰ উপৰিও মিড ডে মিলৰ যি যন্ত্ৰণা তেখেতসকলৰ ওপৰত এইখিনিকলৈ শিক্ষক ব্যস্ত থাকে। এজন শিক্ষক থকা স্কুল মোৰ জনীয়া সমষ্টিত ১০ খন আছে আৰু গোটেই অসমত যদি আমি বিচাৰো একাধিক স্কুল আছে। ১৫০ জন ছাত্ৰ-ছাত্ৰীৰ এখন স্কুলএজন শিক্ষকে চলোৱাতো মুঠেই সম্ভৱ নহয়। এই স্কুলবিলাক কেনেকৈ চলি আছে, এই ক্ষেত্ৰত নিশ্চয় আমি গুৰুত্ব দিব লাগে, আৰু অতি সোনকালে এজনীয়া শিক্ষক থকা স্কুল বিলাকত শিক্ষক নিযুক্তি দিয়া হয়, তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। এইখিনি ডাটা প্ৰাইমাৰী স্কুলৰ কেৱল। মই বিভিন্ন ঠাইত গৈছো, খাৰবালি এম ই স্কুল তাত এজন শিক্ষক, ছাত্ৰ-ছাত্ৰী ১২৪ জন, ৩টা শ্ৰেণীত মাত্ৰ এজন শিক্ষক। এটা শ্ৰেণীলৈ যদি শিক্ষক যায়, বাকী দুটা শ্ৰেণীৰ কি অৱস্থা হয় এনেধৰণে চলি থাকিলে কেনেকৈ আমি কেৰেলা বা ত্ৰিপুৰাৰ লগত ফেৰ মাৰিম। গতিকে আমি স্কুলত শিক্ষক দিব লাগিব। অকল এই সমষ্টিতে নহয় বৰপেটা জিলাৰ বিভিন্ন চৰ-চাপৰিত, বাঘবৰ, চেঙা এই বিলাকত মই খবৰ লৈছো। বহু এম ই স্কুল এতিয়া এজন শিক্ষকৰ দ্বাৰা পৰিচালিত হৈ আছে। চৰচৰি এম ই স্কুল, খাৰবালি ছুটিৰ বাজাৰ এখন চৰৰ এম ই স্কুল এজনীয়া শিক্ষকৰ দ্বাৰা চলি আছে। গোটেই অসমত যদি বিচাৰি উলিয়াই এনেকুৱা বহু স্কুল এজনীয়া শিক্ষকৰে চলি আছে। বৰ আচৰিত ধৰণৰ কথা যে তিনিটা শ্ৰেণীৰ এটা শ্ৰেণীলৈ যদি শিক্ষকজন যায় বাকী শ্ৰেণীকেইটা কেনেকৈ চলে ? মই মন্ত্ৰী মহেদয়ক অনুৰোধ কৰিছো, এই বিলাক পদক্ষেপ সোনকালে ল'ব লাগে, আৰু আমাৰ এই বেমাৰ বিলাক দূৰ কৰি আমি যাতে আগুৱাই যোৱাৰ বাবে ব্যৱস্থা হাতত লওঁ। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এম ই স্কুল, হাই স্কুল আৰু এল পি স্কুল এটা কেম্পাচত থাকিলে সেই স্কুলবোৰ একেলগ কৰি দিয়া হ'ল ভাল কথা। আমি যিটো ডাটা উলিয়াইছো, মোৰ জনীয়া সমষ্টিৰ কলগাছিয়া হাইস্কুলত ১২ টা পদ খালী, টি এণ্ড ডি গাৰ্লচ্ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৩-১৪ টা পদ খালী বুনিয়ালগুৰি হায়াৰ ছেকেণ্ডাৰী স্কুলত মই ৰাতিপুৱা খবৰ লৈ আহিছো ১৩ টা পদ খালী। হাই স্কুল হাইছেকেণ্ডাৰী স্কুলত ১৩ টা পদ খালী আছে। জনীয়া হাই স্কুলত ৬ টা পদ, লাংলা হাইস্কুলত য'ত আমাৰ বৰপেটাৰ এম পি চাহাবৰ সৰু ভাই অধ্যক্ষ হৈ আছে, তাতে ১২ টা পদ খালী আছে। মাননীয় অধ্যক্ষ মহোদয়, ঠিক তেনেকৈ বুনিয়াল গুৰি আৰৱিক কলেজত ১৭ টা পদ খালী। মাত্ৰ ৩ জন শিক্ষকহে আৰৱিক কলেজত আছে। এখন বিদ্যালয়ত যদি ১০ ৰ পৰা ১৭ টা পদ খালী থাকে কেনেকৈ সেই বিদ্যালয় চলিব মাননীয় অধ্যক্ষ মহোদয়? বৰপেটা জিলাত প্ৰায় ৬০০ ৰো অধিক শিক্ষক আৰু কৰ্মচাৰীৰ পদ খালী হৈ আছে। কৰ্মচাৰী ১০০

হ'ব আৰু ৫০০ ৰো অধিক শিক্ষক হ'ব। জনীয়া সমষ্টিত ২৬৫ জন শিক্ষক আৰু কৰ্মচাৰীৰ পদ খালী হৈ আছে। কৰ্মচাৰী ৬৫ হ'ব আৰু ২০০ ৰো অধিক শিক্ষকৰ পদ খালী আছে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই কথাবিলাক নোট কৰি অতি সোনকালে যদি শিক্ষক নিযুক্তি নিদিয়ে আমি যিমান মিড্‌ডে মিল বা আন কিবা কৰি থাকো শিক্ষাৰ মানদণ্ড কেতিয়াও উন্নত নহ'ব। সেইটোও কৰিব লাগিব মিড্‌ডে মিলও চাব লাগিব, সেইখিনিও ঠিক -থাক কৰিব লাগিব। সেইখিনত নিশ্চয় মাননীয় মন্ত্ৰী মহোদয়ৰ দায়িত্ব আছে। কিন্তু শিক্ষক যদি স্কুলত নাথাকে কেনেকৈ হ'ব? আজি ভেঞ্চাৰ স্কুলৰ কথা যেতিয়া আহে মাননীয় অধ্যক্ষ মহোদয় কেতিয়াবা আমাক কোৱা হয়, যে আপোনালোকে কেৱল শিক্ষকৰ কথাহে কয়, ছাত্ৰৰ কথা আপোনালোকে নকয়। এখন বিদ্যালয় হাইস্কুল যিবিলাকৰ কথা মই ক'লো ৮০০, ৯০০, ১১০০ পৰ্য্যন্ত ছাত্ৰ-ছাত্ৰী আছে। মোৰ তাত হাই মাদ্ৰাছা স্কুলৰ পৰা ষ্টেণ্ড কৰিছে, ভাল স্কুল। চাৰিশৰো অধিক ছাত্ৰ-ছাত্ৰী আছে। নদীৰ গড়াখহনীয়াত ভাঙি গ'ল, এতিয়া বেলেগ এখন প্ৰাথমিক বিদ্যালয়ৰ চোতালত হাইস্কুল চলি আছে। কেইবাবছৰ হৈ গ'ল, চৰকাৰীভাৱে এটুকুৰা মাটি আৱণ্টন কৰা হ'ল নাইবা ঘৰ দিয়া হ'ল। ইয়াৰ কোনো একো ব্যৱস্থা নাই। তেনেকে তেখেত সকলে বিদ্যালয়সমূহ চলাই আছে। মই ভাৱো, এইটো অকল মোৰ জনীয়াৰ বৰটেঙাত নহয়, নদীপৰীয়া অঞ্চলত যদি আমি বিচাৰো, শদিয়াৰ পৰা ধুবুৰীলৈকে বহু হাজাৰ হাজাৰ শ শ স্কুল বা অনুষ্ঠান-প্ৰতিষ্ঠান হ'ব। যিবিলাক নদীৰ গড়াখহনীয়া ভাঙি গ'ল, কিছুসংখ্যকৰ ব্যৱস্থা যদি হৈছে, বহুত অনুষ্ঠানৰ কিন্তু ব্যৱস্থা কৰা হোৱা নাই। এতিয়া বাঘবৰ, মোৰ জনীয়াত ভাঙি যোৱা বিদ্যালয় বৰপেটা সমষ্টিত। কাৰণ তাত মাটি নাই। বেকী নদীৰ গড়াখহনীয়াত ভাঙি গৈছে, ওচৰত বৰপেটা সমষ্টি তাতে গৈ স্কুল পাতিছে। এতিয়া জনীয়া সমষ্টিৰ বিদ্যালয় সমূহ পৰিদৰ্শন কৰাৰ কাৰণে যিসকল দায়িত্বত আছে, বি,অ' হওঁক বা এচ আই হওঁক, সেই সকলে বৰপেটাত গৈ নাচায়। পৰীক্ষা নকৰে। ঠিক বাঘবৰ সমষ্টিৰ বিদ্যালয়, চুনাবাৰী গোটেই সমষ্টিটো নদীৰ খহনীয়াত জাহ গ'ল। গতিকে বাঘবৰৰ সেই বিষয়াসকলে আহি জনীয়া সমষ্টিৰ বিদ্যালয় পৰিদৰ্শন নকৰে। মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাসমূহৰ সমাধানৰ সূত্ৰ উলিয়াব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ সময় ২৪ মিনিট আছে। যদি অন্য এজনে নকয়, তেন্তে আপুনি ক'ব ।

**শ্ৰীৰফিকুল ইছলাম, জনীয়া ঃ** মই ১২-১৪ মিনিট কম, তেখেতে ১০ মিনিটমান ক'ব। মাননীয় অধ্যক্ষ মহোদয়, অকল বৰপেটা বুলি নহয়, গোৱালপাৰা, ধুবুৰী, শদিয়ালৈকে মই কৈছো সকলো জিলাতে এনেকুৱা হৈ আছে। গতিকে মোৰ পৰামৰ্শ হ'ল এই বিষয়ে যে, এতিয়া কিন্তু কিছুসংখ্যক জিলাত, কিছুসংখ্যক বিদ্যালয়ত অতিৰিক্ত শিক্ষক আছে। এইটো কথা সঁচা। দুশ-ডেৰশ প্ৰাইমেৰী স্কুলত এজন শিক্ষক, কিন্তু কিছুমান স্কুল আছে দহ, বাৰ, পোন্ধৰজন ছাত্ৰ, তাত কিন্তু পাঁচ-ছয়-সাতজন শিক্ষক। এনেকুৱা ধৰণৰ তথ্য আমি আগতে বিধান সভাৰ পৰা লৈছো। এতিয়াও নিশ্চয় বিচাৰিলে তেনেকুৱা হ'ব, যদি গোটেই অসমত চাৰ্ভে কৰা যায়। যিবিলাক বিদ্যালয়ত শিক্ষক বেছি হৈ আছে, সেই বিদ্যালয় সমূহৰ শিক্ষক সকলক অতি সোনকালে য'ত শিক্ষক নাই, তাত নিযুক্তি দিব লাগে আৰু ইয়াৰ পিছতো যিবিলাক পদ খালী হৈ আছে, সেইখিনি জোৰা মাৰিলে অকল নহ'ব, নিযুক্তি প্ৰক্ৰিয়া প্ৰায় বন্ধৰ নিচিনা, নিযুক্তি প্ৰক্ৰিয়াৰ জৰিয়তে সেই পদসমূহ খালী নাথাকে। কাৰণ শিক্ষা বিভাগক আমি যদি গুৰুত্ব নিদিও, কোনটো বিভাগক আমি গুৰুত্ব দিম? মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো, অতি কম সময়ৰ ভিতৰত সময় নিৰ্ধাৰিত কৰি নিযুক্তি প্ৰক্ৰিয়া হাতত লৈ যাতে শিক্ষক নিযুক্তিৰ জৰিয়তে এই পদসমূহ পূৰণ কৰা হয় আৰু অহা অধিবেশনত যাতে আমি ক'ব

লগা নহয় যে, এই কেইখন স্কুলত পদসমূহ খালী হৈ আছে। মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ এই অনুৰোধ থাকিল। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগে লগে প্ৰাইমেৰী, এল পি আৰু এম ই, হাইস্কুলৰ কথা কৈছো, চৰকাৰী পৰ্য্যয়িত কেইবা হাজাৰ বিদ্যালয় আছে, কিন্তু ইয়াৰ সমানে ভেঞ্চাৰ স্কুল আৰু প্ৰাইভেট স্কুল অসমত আছে। এতিয়া সেই ভেঞ্চাৰ স্কুলৰ শিক্ষক সকলেও ত্যাগ কৰিছে। আমি লক্ষ্য কৰিছো যে, ২০-২৫ বছৰ কাম কৰি কিছুমানে ভেঞ্চাৰ স্কুলৰ পৰা অৱসৰ লৈছে, তেখেতসকলৰ স্কুল বা তেখেতসকলৰ পদ প্ৰভিঞ্চিয়েলাইজ হোৱা নাই। আগৰ চৰকাৰৰ দিনত কিছু লৈছিল, বহুত বাকী থাকিল। কিন্তু সময় মতে লোৱা নহ'ল। এই চৰকাৰে প্ৰতিশ্ৰুতি দিছিল, যে ভেঞ্চাৰ স্কুলবিলাক প্ৰভিঞ্চিয়েলাইজ কৰিব বা পদবিলাক প্ৰভিঞ্চিয়েলাইজ হ'ব। কিন্তু এতিয়ালৈকে সেই কথাটো হৈ উঠা নাই। তাত বহুত ধৰণৰ সমস্যা আছে প্ৰাইমেৰী এম ই স্কুলৰ পৰা আৰম্ভ কৰি এম ই আৰু হাইস্কুল বিলাকত issue date এটা লৈ সমস্যা হৈ আছে। 01-01-2006 ৰ যিটো cut of date দিয়া হৈছিল সেইটো আগৰ act ত আছিল আৰু আকৌ এমেণ্ড কৰি এইটো কৰা হ'ল যে, 01-01-2006 ত issue হ'ব লাগিব। কিন্তু আমি দেখিছো এইটো বাস্তৱ। এটা স্বীকৃতি কোনো এটা অনুষ্ঠানক দিয়াৰ পাছত আমাৰ যি সকল অফিচত থকা দায়িত্বশীল ব্যক্তি আছে, একেদিনাখন সকলোকে letter issue নকৰে। কোনোবা ১০-২ দিন, ২-১ দিন পাছত গৈ letter office ৰ পৰা আনিছে, Issue date টো হয়তো দুদিন পিছত হৈছে। ইয়াৰ কাৰণে এই বিদ্যালয়সমূহ বাহিৰত আছে। মই ভাৱো, মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে নিশ্চয় চিন্তা কৰিব। বিশেষভাৱে এম ই স্কুল affected হৈ আছে, হাইস্কুলতো এনেকুৱাধৰণৰ হৈ আছে। এই Issue date ৰ কাৰণে। কিন্তু আগত যিবিলাক বিদ্যালয় প্ৰভিঞ্চিয়েলাইজ হ'ল, তাত কিন্তু এই কণ্ডিশ্যন নাছিল। সেই সকলে সুযোগটো পালে। Issue date আৰু recogniation date এটাই আছিল। 01-01-2006, recognaition date আছিল Issue দুইমাহ-তিনিমাহ, পাচমাহ পিছত যেতিয়াই হওঁক, সেইটো কথা নাছিল, সেইবিদ্যালয়সমূহ প্ৰভিঞ্চিয়েলাইজ হ'ল কিন্তু পিছৰ যি বিদ্যালয় থাকিল তাত এইটো কণ্ডিশ্যন লগোৱাৰ কাৰণে বহু বিদ্যালয় তাৰ পৰা বাদ পৰিছে। সেই শিক্ষকসকল কিন্তু আজি বিদ্যালয়সমূহত পাঠদান দি আছে। আমি দেখিছো ওচৰ চুবুৰীয়াই যদি কোনো কাম কৰা নাই, তাৰ কাৰণে আমি নকও। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ল'ৰা-ছোৱালীয়ে ভাল শিক্ষা পাব লাগিব। তাৰ কাৰণে কম্প্ৰমাইজ কৰাৰ কথা কথা কোৱা নাই। কিন্তু যিসকল শিক্ষকে আজি ভেঞ্চাৰ স্কুলত বিশ-পচিশ বছৰে চাৰ্ভিচ দি আছে, কোনো ধৰণৰ সা-সুবিধা নিদিয়া সত্বেও তেখেত সকলে কিন্তু স্কুল বন্ধ কৰি দিয়া নাই আৰু সেইডোখৰ ঠাইত আমি কিন্তু চৰকাৰী বিদ্যালয় দিয়া নাই। বিধান সভাত এনেকুৱা সিদ্ধান্ত লোৱা হৈছিল যে আমি চৰকাৰী স্কুল পাতিম, ক'ত পতা হ'ল। তেনেকুৱা ধৰণৰ আমি স্কুল নাপাতিলো। আমাৰ সেই শিক্ষক সকলেই আমাক চাৰ্ভিচ দি আছে। মই এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম এই সমস্যাটোৰ সমধান কৰা হয়। ইয়াৰ পাছত হাইস্কুল বা হাইয়াৰ চেকেণ্ডাৰী সমূহত আঠটা শিক্ষকৰ পদ আগৰ যিখন এক্ট আছিল, তাত আমি আঠজন শিক্ষক ল'লো। বহু বিদ্যালয় আছিল, চৰকাৰী নিয়ম অনুযায়ী তেখেতসকলে দহ-বাৰজন শিক্ষক নিযুক্তি দিলে আৰু আমি আমাৰ ফালৰ পৰা দিব দিলো, সেইসকলক। চৰকাৰী নিয়ম অনুযায়ী তেখেতসকলে দহজন বা বাৰজন শিক্ষক নিযুক্তি দিলে, হঠাৎ আমি এক্ট পাচ কৰিলো যে, আঠজনৰ বেছি শিক্ষক নলওঁ। ৯ নম্বৰ, ১০ নম্বৰ, ১১নম্বৰ শিক্ষক জন বাদ পৰিল। বহুত ৯ নম্বৰ, ১০ নম্বৰ শিক্ষক অসমীয়া আৰু ইংৰাজী বিষয়ৰ শিক্ষক আছে। এই সকলৰ নিযুক্তি সময় হিচাপে লৈ serially লোৱা হ'ল। তেতিয়া অসমীয়া আৰু ইংৰাজী বিষয়ৰ শিক্ষক অবিহনে কেনেকৈ বিদ্যালয় চলিব।

এই সমস্যা বিলাক কিন্তু জুনিয়ৰ কলেজ বিলাকত হৈছে। যদিও মাননীয় অধ্যক্ষ মহোদয়, আপুনি কৈছিল যে, হাইয়াৰ এডুকেশ্যনৰ কাৰণে নহয়, কিন্তু দুটামান কথা মই কৈ যাওঁ, হাইয়াৰ এডুকেশ্যনৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** হাইয়াৰ এডুকেশ্যনৰ উত্তৰ আপুনি নাপাব।

**শ্ৰীৰফিকুল ইছলাম, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, কলেজ বিলাক প্ৰভিঞ্চিয়েলাইজ কৰা হ'ল ভাল কথা। কিন্তু মোৰ জনীয়া সমষ্টিত এখন কলেজ আছে, শংকৰ মাধৱ কলেজ। তাতে মাত্ৰ ছজন শিক্ষকৰ পদ প্ৰভিঞ্চিয়েলাইজ হৈছে আৰু চব্বিশ জন শিক্ষকৰ পদ Under qualified হৈ আছে। কিন্তু এই Under qualified শিক্ষকসকল জনীয়াৰ বুলি নহয়, আৰু বিভিন্ন কলেজত ছয়, দহ, বাৰটা পদহে হ'ল, ওঠৰ বিশটা পদ এতিয়াও Under qualified. এই Under qualified শিক্ষকসকল ইতিমধ্যে qualified হ'ল। তেখেতসকলে NET qualified কৰিলে পি এইচ্ ডি কৰি তেখেতসকলে চাবমিট কৰিলে। কিন্তু বছৰ বছৰ ধৰি অতিক্ৰম হৈ আছে এই সকলৰ পদ এতিয়ালৈকে প্ৰভিঞ্চিয়েলাইজ হোৱা নাই। তেখেতসকলো কোনো ধৰণৰ সুবিধা পোৱা নাই। এতিয়া ছয়জন, দহজনকৈ শিক্ষকৰ যোগেদি কেনেকৈ এখন বিদ্যালয় চলিব পাৰে। বাকী শিক্ষক সকলক Under qualified কৰি ৰাখিলো। তেওঁলোকে দুই তিনিবছৰ আগতে qualified হৈ চাবমিট কৰাৰ পাছত যেতিয়া নহ'ল, তেতিয়া মানসিকতা কেনেকুৱা ধৰণৰ হ'ব পাৰে, শ্ৰেণীত গৈ কি পঢ়াব সেই শিক্ষকসকলে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ফাইল যদি put up হৈছে, যদি এইখিনি Under consideration ত আছে, অতি সোনকালে মোকোলাই দি এই যিসকল শিক্ষক qualified হ'ল তেখেতসকলক ল'ব লাগে আৰু বহুধৰণৰ সমস্যা এই বিদ্যালয়সমূহত আছে। যিহেতু আমাৰ ফালৰ পৰা বিদ্যালয় দিব পৰা নাই, তাৰ কাৰণে এই ভেঞ্চাৰ বিদ্যালয়সমূহৰ প্ৰতি সদয় হওক, এইখিনি মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। মই আগতেও কৈছো যে অসমৰ সকলো ঠাইত literacy rate সমান নহয়। আজি জনীয়া, বাঘবৰ এই চৰ চাপৰি বিলাকত 40%, 45% literacy rate, ইয়াতকৈ বেছি নহয়। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম, এই চৰচাপৰি, ধুবুৰী, গোৱালপাৰা, বৰপেটা বা শদিয়া, চাহ বাগান বিলাকতো literacy rate একে চৰ অঞ্চলৰ নিচিনা, 35%, 40%, 45% তকৈ বেছি নহয়। গতিকে বাগান অঞ্চল বা চৰ অঞ্চলত বিশেষভাৱে এটা দৃষ্টি দি সেই অঞ্চলবিলাকক যাতে literacy rate 35%, 40% ৰ পৰা আমি 70%, 80% লৈকে লৈ যাব পাৰো। তাৰ কাৰণে বিশেষ পদক্ষেপ লোৱাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। মাননীয় অধ্যক্ষ মহোদয় mid-day-meal ক লৈ বহু বিতৰ্ক চলি আছে এল পি, এম ই স্কুল বিলাকত দিয়া হয়। মাননীয় মন্ত্ৰী মহোদয়ে কিছুমান জিলাত গৈ তেখেতে enquiry কৰি চাইছে। কিন্তু ল'ৰা-ছোৱালীয়ে খাদ্য পাব লাগিব, পুষ্টিহীনতাত ভুগিছে, কালি আলোচনা হৈছিল ইয়াৰ ওপৰত। আজি বন্ধ হৈ আছে, বহুত বিদ্যালয়ত এইবোৰ হৈ থকা নাই। কি কৰিলে ল'ৰা-ছোৱালীয়ে খাব পাব বা সেই বিদ্যালয়সমূহত বা আমি ভালকৈ দিব পাৰিম তাৰ কাৰণে ব্যৱস্থা হাতত ল'ব লাগিব। কিন্তু আজি চাৰিটা বা পাঁচ টা এন জি অ' ক দিয়া হৈছে, সেইটো কিমানদূৰ সম্ভৱ হ'ব মই নাজানো। ইমানখিনি ছাত্ৰ-ছাত্ৰীৰ খাদ্য ৰাতিৰ পৰা ২৪ ঘণ্টাৰ আগত বনালে সেই খাদ্যবিলাক ঠিক হৈ নাথাকে। চাউল দালি একেলগে যদি ধুই পৰিষ্কাৰ কৰি নিদিয়ে সেই খাদ্য খুৱালে বেমাৰ-আজাৰ হ'ব। যদি পৰিস্কাৰ কৰি দিয়ে আমাৰ কোনো কথা নাই। কোনোবা এন,জি,অ' আহিছে আমাৰ কোনো প্ৰশ্ন নাই। কিন্তু এইটো অসম্ভৱ, ১ লাখ মানুহৰ খাদ্য বনাই কেনেকৈ দিব। ইমানখিনি আমাৰ এতিয়াও হৈ উঠা নাই। যেতিয়ালৈকে হৈ

নুঠে তেতিয়ালৈকে আগৰ নিয়মমতে চলি থাকিবলৈ দিব লাগে যাতে“ মিড ডে মিল” বন্ধ নহয়। মই মাননীয় মন্ত্ৰী মহোদয়ক এইটো অনুৰোধ জনাইছো ৷আৰু যদি বেলেগ ব্যৱস্থা লব খোজে,যিখিনি পইচা “ মিড ডে মিল”ৰ কাৰণে দিয়া হৈছে,সেইখিনি পৰ্যাপ্ত নহয় ৷পইচাৰ পৰিমাণটো বঢ়াই দি ষ্টুডেন্টৰ একাউন্টত যদি আমি পোনপটীয়াকৈ দি দিও আৰু নিৰ্দেশ যদি এটা থাকে যে লৰা-ছোৱালীয়ে টিফিন ঘৰৰ পৰা লৈ আাহিব লাগিব। এইটো কৰিলে মই ভাৱো মাক-দেউতাক সকলে তেতিয়া কৃপনালি নকৰে। একাউন্টত যদি পোনপটীয়াকৈ পইচাখিনি দিয়া হয় তেতিয়া তাৰ সদ্ব্যৱহাৰ হোৱাৰ লগতে ঠিকা,এন,জি,অ' আদিত হোৱাৰ দৰে চুৰিকাৰ্য আদি হ'ব নোৱাৰে। মুঠতে ছাত্ৰ-ছাত্ৰী সকল লাভবান হবপৰাকৈ এটা ব্যৱস্থা কৰিলে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে চেষ্টা কৰিছে, কিন্তু চেষ্টা কৰাৰ পিচতো বিভাগটো ঠিক-ঠাক হোৱা নাই। মই যিবিলাক পোষ্টৰ কথা কৈছো অতি সোনকালে পদক্ষেপ লৈ যাতে খালি পদসমূহ পূৰণ কৰা হয় আৰু যিবিলাক স্কুলৰ শিক্ষক নাই, যিবিলাকত বেছি শিক্ষক আছে ইয়াৰ অনুপাতটো ঠিক কৰি অতি কম সময়ৰ ভিতৰত ব্যৱস্থা ল'ব লাগে। আজি উদ্যোগসমূহত তলা লগা দেখা গৈছে। জি,ডি,পি ৪.৫ লৈ আহি গ'ল। যিবিলাক ইণ্ডাষ্ট্ৰি আছিল,লাখে লাখে বন্ধ হৈ আছে। বিভিন্ন চেক্টৰৰ কৰ্মচাৰীসকল ঘৰমুৱা হৈ আছে। এনেকুৱা অৱস্থাত যদি আমি আমাৰ লৰা-ছোৱালীক শিক্ষিত কৰিব নোৱাৰো আমাৰ ভৱিষ্যত অন্ধকাৰ হ'ব। গতিকে এই ডিপাৰ্টমেন্টৰ ওপৰত অধিক গুৰুত্ব দি ভেঞ্চাৰ স্কুল প্ৰভিন্সিয়েলাইজ কৰা আৰম্ভ কৰিব লাগে।¯ আমাৰ যি চৰকাৰী স্কুল আছে ইয়াৰ ৰিজাল্ট তুলনামূলকভাৱে প্ৰাইভেট স্কুলতকৈ বেয়া । কটন মহাবিদ্যালয়ক লৈ আমি গৌৰৱ কৰো, ই আমাৰ ঐতিহ্য। কিন্তু আজি কিছুদিনৰ পৰা দেখিছো কটনৰ যিটো ষ্টেণ্ড কৰাৰ ৰেট এইটো ঠিক হৈ থকা নাই। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো কটন মহাবিদ্যালয়ৰ ওপৰত বিশেষ দৃষ্টি দিব লাগে। ইয়াৰ কাৰণ বিচাৰি উলিয়াই লৈ বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা সদুত্তৰ বিচাৰিছো আৰু অতি সোনকালে পদক্ষেপ লোৱাৰ আশা ৰাখি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য গুৰুজ্যোতি দাস ।

**শ্ৰীগুৰুজ্যোতি দাস (মঙলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি ক'বলৈ দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে এ আই ইউ ডিএফৰ সদস্যগৰাকীয়ে বক্তব্য ৰাখিলে। মই প্ৰথমে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ এই চৰকাৰখন স্বাধীনতাৰ ৭০ বছৰৰ পিছত প্ৰথম চৰকাৰ, যিখন চৰকাৰৰ মুখ্যমন্ত্ৰী গৰাকীয়ে অসমৰ শিক্ষা ব্যৱস্থাটোক ১০০ শতাংশই বিনামূলীয়া কৰাৰ চেষ্টা কৰিছে। এই গৰাকী মুখ্যমন্ত্ৰীৰ নেতৃত্বত এই চৰকাৰ খনেই ইতিমধ্যে লাখ লাখ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকে বি,এ, বি,এছ,ছি, বি,কম পঢ়াবলৈ সক্ষম হৈছে। অধ্যক্ষ মহোদয় , প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত যি দাবী মঞ্জুৰী অনা হৈছে ই অতি প্ৰয়োজনীয় আৰু বাধ্যতামূলক, আমি দৰকাৰী বুলি বুলি অনুভৱ কৰিছো। ইতিমধ্যে আমাৰ দেশৰ কেৰালা ১০০ শতাংশ শিক্ষিত ৰাজ্য আৰু মিজোৰাম দ্বিতীয় শিক্ষিত ৰাজ্য। অসমখনকো আমি ১০০ শতাংশই শিক্ষিত ৰাজ্য হিচাপে কৰিবলৈ যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিব লাগিব। সেই পদক্ষেপ ইতিমধ্যে এইখন চৰকাৰে লৈ থকা আমি দেখিবলৈ পাইছো। শিক্ষামন্ত্ৰী ডাঙৰীয়াইও যথেষ্ট পদক্ষেপ ইতিমধ্যে হাতত লৈছে আৰু সেইকাৰণেই তেখেতে হয়তো পইচা বিচাৰিছে। অসমৰ শিক্ষা ব্যৱস্থাটো আমাৰ আগৰ পূৰ্বপুৰুষসকলে ৩-৪ খন গাওঁৰ মাজত বা এখন গাওঁত বিদ্যালয় স্থাপন কৰিছিল। সেই বিদ্যালয়সমূহ লাহে লহে পৰ্যায়ক্ৰমে চৰকাৰীকৰণ কৰা

হৈছে। কিন্তু আমি লাহে লাহে এই কথাবিলাকো দেখিবলৈ পাইছো যে আমাৰ চৰকাৰী বিদ্যালয়বিলাকত ছাত্ৰ-ছাত্ৰীৰ পৰিমাণ হ্ৰাস হোৱা দেখা গৈছে। হয়টো বিভিন্ন সময়ত, বিভিন্ন ব্যক্তিগত বিদ্যালয় স্থাপন হোৱা কাৰণে চৰকাৰী বিদ্যালয় সমূহত নামভৰ্তিৰ পৰিমাণ কম হোৱা দেখা পাইছো। সেয়ে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে প্ৰাইভেট স্কুল বিলাকক আমি হয়তো নাকী লগাব লাগিব বা প্ৰাইভেট বিদ্যালয়সমূহৰ প্ৰতি অলপ গুৰুত্ব প্ৰদান কৰিব লাগিব। আমি দেখিবলৈ পাইছো যে চৰকাৰী বিদ্যালয়সমূহত যিখিনি সুবিধা প্ৰদান কৰা হয়, প্ৰাইভেট বিদ্যালয়ত সেইখিনি সুবিধা প্ৰদান কৰা নাযায়। আজি মিড ডে মিলৰ কথা আমি কৈ আহিছো। আমাৰ চৰকাৰী বিদ্যালয়সমূহত আমি মিড ডে মিলৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰি আহিছে। কিন্তু ব্যক্তিগত বিদ্যালয়সমূহত সেই মিড্‌ডে মিলৰ ব্যৱস্থা নাই। তদুপৰি আমাৰ চৰকাৰী বিদ্যালয়সমূহৰ প্ৰতি যি বিশ্বাস সেইটো ক'ৰবাত অভিভাৱকসকলৰ হেৰাই গৈছে। সেই বিশ্বাস আমি কেনেকৈ ঘূৰাই আনিব পাৰি তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মঙ্গলদৈ সমষ্টিৰ ৰাইজে মোক বিধায়কৰ দায়িত্ব অৰ্পণ কৰাৰ পিছত প্ৰথমতে মই এখন সভা আয়োজন কৰিছিলো গোটেই মঙ্গলদৈ সমষ্টিৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয় সমূহৰ শিক্ষাগুৰু সকলক লৈ যাতে হেৰাই যোৱা সেই বিশ্বাসবোৰ পুনৰ ঘূৰাই আনিব পাৰো। প্ৰায় ১২শমান শিক্ষাগুৰু তাত উপস্থিত হৈছিল আৰু বিভিন্ন জনে বিভিন্ন সমস্যা দাঙি ধৰিছিল। কোনোবাই কৈছিল শ্ৰেণীকোঠাৰ অভাৱ, কোনোবাই কৈছিল আঁচবাবৰ অভাৱ, কোনোবাই কৈছিল মোৰ ঘৰৰপৰা যথেষ্ট কিলোমিটাৰ দূৰত হয়, কোনোবা এজন শিক্ষাগুৰুয়ে কৈছিল যে আমাক হিচাপ পৰীক্ষণ কৰিব দিয়া হয় আদি বিভিন্ন সমস্যাসমূহ তেওঁলোকে দাঙি ধৰিছিল। তেওঁলোকক উত্তৰো দিবলগীয়া হৈছিল যে কেনেকুৱা ধৰণে কি সমস্যা সমাধান কৰিলে আমি এই বিদ্যালয়সমূহৰ বিশ্বাস ঘূৰাই আনিব পাৰিম। মই এটা কথা অনুমান কৰিব পাৰিছো যে কেতিয়াবা আমাৰ শিক্ষাগুৰু সকলৰ উপস্থিতিৰ অভাৱ বা শিক্ষাগুৰু সকলৰ বিদ্যালয়ৰ প্ৰতি হেমাহী অকণমান কৰবাত হোৱা হেতুকে হয়তো সেই বিশ্বাসসমূহ হেৰাই গৈছে। কাৰণ মই প্ৰায়বিলাক বিদ্যালয়তে বিধায়ক হোৱাৰ পিছতো গৈছো। আমাৰ স্কুলবিলাকত প্ৰায় ৫০ গৰাকী ছাত্ৰ-ছাত্ৰী থাকে আৰু ১০ গৰাকীমানকৈ শিক্ষক থাকে। মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো তেওঁ দায়িত্ব লোৱাৰ পিচত দেখিছো যে বিদ্যালয়সমূহ সময়মতে আৰম্ভ হৈছে আৰু সময়মতে ছুটী হৈছে। যি গুণোৎসৱৰ আৰম্ভ কৰা হৈছিল,সেই গুণোৎসৱৰ জৰিয়তে আকৌ আমাৰ বিদ্যালয়সমূহৰ মানদণ্ড উন্নত হৈ পৰিছে আৰু বিশ্বাস এটা ঘূৰি অহা যেন মোৰ অনুভৱ হৈছে। কাৰণ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ইউনিফৰ্মৰ ব্যৱস্থা কৰা হৈছে, মিড ডে মিলৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু বিভিন্ন বিদ্যালয়সমূহত নতুনকৈ ইতিমধ্যে শৌচালয়ৰ ব্যৱস্থা কৰা হৈছে, খোৱাপানী যোগানৰ ব্যৱস্থা কৰা হৈছে। এতিয়া বিদ্যালয়গৃহ নিৰ্মাণ কৰাত আমি গুৰুত্ব প্ৰদান কৰিব লাগিব। আমি দেখিছো চৰ অঞ্চলৰ প্ৰায়ভাগ বিদ্যালয়ৰে কিন্তু আন্তঃগাঁথনি সুন্দৰ। এইকাৰণেই সুন্দৰ এম,এছ,ডি,পিৰ অধীনত এডিশ্যনেল ক্লাচৰুম যথেষ্ট পাইছে। মোৰ সমষ্টিৰ অন্তৰ্গত চৰ অঞ্চলত বিভিন্ন বিদ্যালয় আছে। সেই বিদ্যালয়সমূহৰ আন্তঃগাঁথনি কিন্তু বৰ সুন্দৰ। কিন্তু কেতিয়াবা কেতিয়াবা দেখা যায় বিভিন্ন বিদ্যালয়ৰ শিক্ষাগুৰুসকলেও ক'ৰবাত ভাড়াত শিক্ষক ৰাখে। তেনেকুৱা কথাও আমি পেপাৰে-পত্ৰই পাইছো। এই ক্ষেত্ৰত মই ভাৱো যে সেই স্থানীয় শিক্ষাগুৰুসকলে কৰবাত যদি চাকৰি কৰি আছে তেওঁলোকক তাৰ পৰা স্থানীয় বিদ্যালয়খনত নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰে অথবা তেওঁলোকক ট্ৰেন্সফাৰ কৰি আনি স্থানীয় বিদ্যালয়ত দিব লাগে। এই প্ৰক্ৰিয়াটো আগতে আছিল। আগতে গাওঁৰ ব্যক্তিজনে গাওঁৰ স্কুলখনত চাকৰি লাভ কৰিছিল। সেইকাৰণে গাওঁৰ লৰা-ছোৱালীসকলক চিনিপোৱাৰ

বাবে শিক্ষা ব্যৱস্থাটোও সুন্দৰ হৈ আছিল। কিন্তু এতিয়া লাহে লাহে বিদ্যালয়ত শিক্ষাৰ ঠাইত সেইটো এটা বৃত্তিলৈ ৰূপান্তৰিত হৈছে । মই ভাবো যে সেই ব্যৱস্থা খিনি আমি কৰিব পাৰো। আমাৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি সেই অভিভাৱক সকলৰ বিশ্বাস আমি আকৌ ঘূৰাই আনিব পাৰিম। মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ব্যৱস্থাটো তেখেতে অতি সোনকালে গ্ৰহণ কৰে বা আমি আকৌ সেই বিদ্যালয়ৰ মানদণ্ড ঘূৰাই আনিব পাৰো। মই ভাবো আমাৰ ২০২০ চনৰ পৰা নতুন শিক্ষা নীতি আৰম্ভ কৰা হ'ব। ইয়াৰ আগতেও বিধান সভাৰ মজিয়াত এটা কথা আলোচনা হৈছিল যে, প্ৰাক্-প্ৰাথমিক শিক্ষা ব্যৱস্থাটো আকৌ আৰম্ভ কৰিব লাগিব। নতুন শিক্ষা নীতিত আমাৰ ৩ বছৰৰ পৰা ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব । যদি আমি প্ৰাক-প্ৰাথমিক বিদ্যালয় আনিব বিচাৰো নিশ্চয় ইয়াত পইচাৰ প্ৰয়োজন হ'ব। প্ৰাক্প্ৰাথমিক অহাৰ লগে লগে ছাত্ৰ-ছাত্ৰী বিলাক বৌদ্ধিক ভাবে যথেষ্ট আগবাঢ়িবলৈ সক্ষম হ'ব । আমি এতিয়া বৰ্তমান সময়ত যেতিয়া প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰু বা ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰো প্ৰায় ঠেলা-ঠেলিৰ কথা দেখা পাওঁ। হাইস্কুলৰ ছাত্ৰ এগৰাকীয়ে যেতিয়া স্পষ্টকৈ একো ক'ব নোৱাৰে তেতিয়া এম ই স্কুলৰ দোষ দিয়ে যে এম ই স্কুলে ভালকৈ পঢ়াই নপঠালে বা এম ই স্কুলৰ ছাত্ৰক যেতিয়া প্ৰশ্ন কৰো তেতিয়া এল পি স্কুলৰ শিক্ষকৰ দোষ ধৰে যে এল পি স্কুলৰ শিক্ষকে ভালকৈ বৰ্ণমালা নিশিকালে। এনেকুৰা ধৰণৰ বিভিন্ন কথা শুনিবলৈ পাও। আমি আজিকালি দোষাৰোপ কৰাৰ অভ্যাসটো গ্ৰহণ কৰি লৈছো । এই কথা মই সেই কাৰণে কৈছো যে, বিভিন্ন সময়ত বিভিন্ন বিদ্যালয়ত যাওঁতে দেখা পাও যে নৱম শ্ৰেণীৰ ছাত্ৰইও অসমীয়াত এযাৰ সলসলীয়াকৈ কথা ক'ব নোৱাৰে । ইয়াত আমাৰ কাৰ গাত দোষ মই ক'বলৈ বিচৰা নাই কিন্তু গুনগত শিক্ষা আমাক লাগে। কাৰণ শিক্ষায়ে সমাজ সংস্কাৰ কৰে । মই ভাবো আমাৰ চৰকাৰে যি বিনামূলীয়া শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে যাতে দৰিদ্ৰতা শিক্ষাৰ ক্ষেত্ৰত কেতিয়াও হেঙাৰ হ'ব নোৱাৰে । সেই কাৰণে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ ৭০ বছৰ পিছত আজি লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে বি এ, বি এছ ছি, বি কমৰ বিনামূলীয়া শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে। এই চৰকাৰে সঁচাকৈ গৌৰৱ কঢ়িয়াই আনিছে। আজি মই এই সদনৰ মজিয়াত মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যে কেইদিন মান আগত তেওঁ নিজেই কেইখন মান বিদ্যালয় হঠাৎ পৰিদৰ্শন কৰিছে। যাৰ কাৰণে তেওঁ তাত হৈ থকা পৰিস্থিতি দেখিবলৈ সক্ষম হৈছে । যাৰ কাৰণে আমাৰ প্ৰশাসনিক বিষয়া সকলেও গুৰুত্ব প্ৰদান কৰিব লাগে । আমাৰ ব্যক্তিগত বিদ্যালয় সমূহ যেনেকৈ চলি আছে, চৰকাৰী বিদ্যালয় সমূহ কিয় তেনেকৈ চলিব নোৱাৰে । আমি কেতিয়াবা যদি চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয় তুলনা কৰি চাও দেখা পাম বে-চৰকাৰী বিদ্যালয়ৰ শিক্ষকে কিন্তু সিমান দৰমহা নাপায় । পেঞ্চন লাভ নকৰে । কিন্তু আমাৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষকে পেঞ্চন লাভ কৰে, যথেষ্ট পৰিমানে লাভ কৰে। তাৰ পিছতো কিহৰ কাৰণে ছাত্ৰ-ছাত্ৰীৰ পৰিমানটো কমি গৈছে । সেই বিলাকো আমি বিশ্লেষণ কৰিব লাগে । মই ভাবো যে আমাৰ চৰকাৰ খনে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিছে । এই যে বিনামূলীয়া শিক্ষা ব্যৱস্থাটো গ্ৰহণ কৰিছে তাৰ কাৰণে হয়তো অসম এটা সময়ত ভাৰতবৰ্ষৰ ভিতৰত ১০০ শতাংশ শিক্ষিত ৰাজ্য হিচাপে পৰিগনিত হ'ব। আমাৰ মঙ্গলদৈ সমষ্টিতো বহু কেইখন বিদ্যালয় আছে, কোনো কোনো বিদ্যালয়ৰ আন্তঃগাঠনি কিছু দুৰ্বল। সেই বিলাকৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰক। মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো যে আমাৰ বিদ্যালয়ৰ সমূহৰ কাৰণে তেখেতে অনুদান আগবঢ়াইছে। ইতিমধ্যে আমাৰ বহু কেইখন বিদ্যালয়ত কম্পিউটাৰ লেব আৰু বিজ্ঞানাগাৰৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে । এই খিনিতে মাননীয় উপাধ্যক্ষ মহোদয় মই আপোনাৰ যোগেদি মাননীয়

মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে হাইস্কুলৰ কম্পিউটাৰ শিক্ষকৰ কাৰণে এটা স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যিটো সময়ত ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডি ডাঙৰীয়াই ডিজিটেল ইণ্ডিয়াৰ কথা কৈছে সেই ডিজিটেল ইণ্ডিয়াৰ সময়ত আমি কম্পিউটাৰ শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। আমাৰ কিছুমান স্কুলত শিক্ষকৰ অভাৱ হৈছে কিন্তু অনুপাত হিচাপে আমি স্কুলত শিক্ষকৰ অভাৱ হোৱা বুলি নাভাবো। কাৰণ এজন শিক্ষকৰ বিপৰীতে বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী, কৰবাত ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে কম সংখ্যক শিক্ষক। যদি গড় হিচাপত চোৱা যায় তেতিয়াহ'লে ৩০ জন ছাত্ৰ-ছাত্ৰী এজন শিক্ষকৰ বিপৰীতে থকা পৰিলক্ষিত হৈছে । এম ই, এল পি স্কুলৰ ক্ষেত্ৰত যিটো এমালগেমেশ্যন কৰা হৈছে সেইটো এটা ভাল পদক্ষেপ লোৱা হৈছে। তাৰ মাজতো কেতিয়াবা দেখা পাওঁ এম ই স্কুলৰ প্ৰধান শিক্ষক বা এল পি স্কুলৰ প্ৰধান শিক্ষকৰ মাজত মতানৈক্য আছে। সেই কাৰণে কেতিয়াবা স্কুলখনৰ শিক্ষা ব্যৱস্থা বেয়া হোৱা দেখা পাইছো। সেইবিলাক ক্ষেত্ৰতো সমাধান কৰাৰ কিবা এটা পদক্ষেপ লোৱা উচিত বুলি মই ভাৱো। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে কেইদিনমান আগতে আমাৰ যিবিলাক drop-out student তেওঁলোকক বিদ্যাজ্যোতি প্ৰাথমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰোৱা হয়, কিন্তু দেখিছো তাত বিনামূলীয়া সামগ্ৰী বিতৰণ কৰিছে। কিন্তু সেয়া অতি নিম্ন মানদণ্ডৰ। অনাগত দিনত যাতে ঠিকাদৰে তেনেকুৱা ধৰণৰ নিম্ন মানদণ্ডৰ বস্তুবিলাক প্ৰদান নকৰে তাৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সেই সকল ছাত্ৰ-ছাত্ৰীয়ে ভাল সামগ্ৰী পালে বৰ আনন্দ লাভ কৰে। এই যে জ্যোতি কেন্দ্ৰত তেওঁলোকক ৰাষ্টাৰ পৰা বুটলি আনে, এই কেন্দ্ৰ সমূহ অলপ ভাল কৰিব লাগে। কাৰণে এশ শতাংশ শিক্ষিত কৰি তুলিবলৈ সেইবিলাকো ভাল কৰিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আৰু এটা অনুৰোধ কৰিব বিচাৰিছো যদিও এইটো প্ৰাথমিক নহয়, মাধ্যমিকত হয়। আমাৰ অসমত প্ৰায়ে কেইখন মান B.Ed. College বন্ধৰ ফালে গৈছিল। কিন্তু শিক্ষা মন্ত্ৰীৰ পদক্ষেপত সেই কেইখন আকৌ ক্ৰমশ হ'বলৈ সক্ষম হৈছে। হয়তো কৰবাত আন্তঃগাঁঠনিৰ অভাৱ আছে। মংগলদৈত এখন বিএড কলেজ আছে তাৰ আন্তগাঠনিৰ ব্যৱস্থা লবৰ কাৰণে ইতিমধ্যে মই আপোনাক এখন আৱেদনৰে জনাইছো। বিএড কলেজ সমূহৰ আন্তগাঠনি সবল কৰি ক্ৰমশ কৰাৰ যাতে ব্যৱস্থা গ্ৰহণ কৰে। নতুন শিক্ষা নীতি মতে এগৰাকী শিক্ষক হ'বলৈ গলে বিএড বাধ্যতামূলক হ'ব। সেয়েহে মই আপোনাৰ জৰিয়তে দি মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। কাৰণ মংগলদৈৰ বিএড কলেজ বহুত পুৰণি, এটা সময়ত বিভিন্ন অপপ্ৰচাৰ চলিছিল যে বিএড কলেজ বন্ধ হ'ব। কিন্তু সেইটো নহ'ল। আমি সেইটো ক্ৰমশ কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, তাত এগৰাকী স্থায়ী অধ্যক্ষৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মংগলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে এশ বছৰ পূৰ্ণ কৰিছে। এশ বছৰ হৈ যোৱা বিদ্যালয়ত এতিয়াও শিক্ষকৰ পদ খালী হৈ আছে। সেইখিনি পূৰণ কৰাৰ কাৰণে মই অনুৰোধ জনাইছো। আৰু আমাৰ চৰকাৰে এটা ব্যৱস্থা গ্ৰহণ কৰিছিল যে এশ বছৰ গৰকা বিদ্যালয় সমূহ বা ৫০ বছৰ হোৱা বিদ্যালয়ত আৰ্থিক অনুদান দিব। এইটো মই সেইকাৰণে কৈছো মই যিখন প্ৰাথমিক বিদ্যালয়ত পঢ়িছিলো আৰ এন বালিকা প্ৰাথমিক বিদ্যালয় আগতে বালিকা আছিল, পিছত বালক-বালিকা হৈ গ'ল। সেই খন বিদ্যালয় ইতিমধ্যে ১২০ বছৰ অতিক্ৰম কৰিছে। মই এইবাৰ বিধায়ক উন্নয়ন পুঁজিৰ পৰা গোটেইখিনি সুন্দৰ কৰিছো। কিন্তু মোৰ সমষ্টিত কেইবাটাও ক্ষতিগ্ৰস্ত হোৱা বিদ্যালয় আছে, সেইবিলাকৰ আন্তঃগাঁঠনিক উন্নয়ন কৰি তাক আমি সুন্দৰ বিদ্যালয় হিচাপে প্ৰতিষ্ঠিত কৰি গুণগত শিক্ষাৰ মানদণ্ড প্ৰদানৰ বাবে এক শৈক্ষিক পৰিবেশ গাঁও বা সেই অঞ্চলত ব্যৱস্থা গ্ৰহণ কৰিব পাৰো। তাৰ উপৰি মই আৰু এটা অনুৰোধ কৰিব বিচাৰিম

যাতে আমাৰ বিদ্যালয় সমূহত যি পোচাকৰ ব্যৱস্থা।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকৰ দলৰ আৰু কেইজনমান আছে। অলপ চমু কৰক।

**শ্ৰীগুৰুজ্যোতি দাস (মঙলদৈ)ঃ** হয় উপাধ্যক্ষ মহোদয়, মই আৰু ২ মিনিট মান সময় লম। আমাৰ চৰ অঞ্চল বিলাকৰ মই দেখিছো বৰ সুন্দৰ আঁন্তঃগাঠনি আছে। কিন্তু কেতিয়াবা কিছুমান বিদ্যালয়ত আচ বাবৰ অলপ প্ৰয়োজন, ডেক্স-বেন্সৰ অলপ অভাৱ আছে, সেইখিনি ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম বা আহ্বান জনাম। কাৰণ ডেক্স-বেন্সৰ অভাৱতো কেতিয়াবা কিছুমান বিদ্যালয়ত এই ভালকৈ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে অসুবিধা পায়। সেই কাৰণে উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো ইমান সুন্দৰ বিষয় এটাত কবলৈ দিয়াৰ কাৰণে। ইতিমধ্যে সদৌ শেষত আপোনাৰ লগতে মন্ত্ৰী মহোদয়কো ধন্যবাদ জ্ঞাপন কৰিছো। শিক্ষা ক্ষেত্ৰত খনত তেওঁৰ যি বলিষ্ঠ পদক্ষেপ লৈ আছে মই ভাৱো অনাগত দিনত এই চৰকাৰৰ নেতৃত্বত নিশ্চয় অসম খনত ১০০ শতাংশই শিক্ষিত ৰাজ্য হিচাপে পৰিগণিত হ'ব পাৰিম। কাৰণ মিজোৰাম এসময়ত সন্ত্ৰাসবাদীৰে ভৰপুৰ আছিল, সেই মিজোৰাম আজি ভাৰত বৰ্ষৰ ভিতৰত দ্বিতীয় শিক্ষিত ৰাজ্য হিচাপে পৰিগণিত হৈছে। আমাৰ চৰকাৰ খনে যি পদক্ষেপ লৈছে এই পদক্ষেপতে অসমখন নিশ্চয় ভাৰত বৰ্ষৰ ভিতৰত এটা সময়ত ১০০ শতাংশই শিক্ষিত ৰাজ্য হিচাপে পৰিগণিত হ'ব আৰু বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ লৈছে সেই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ(উত্তর করিমগঞ্জ)** - মাননীয় উপাধ্যক্ষ মহোদয়,আমি কর্তন প্রস্তাবের সমর্থন জানিয়ে আমি আমার বক্তব্য উত্থাপন করছি। উপাধ্যক্ষ মহোদয়, যদিও কর্তন প্রস্তাবের সমর্থন করছি কিন্তু আমরা চাই, যে শিক্ষা বিভাগকে আরও গুরুত্ব দেওয়া হোক। শিক্ষা বিভাগকে আরও অধিক টাকা দেওয়া হোক। সেটা আমাদের সবার কথা। উপাধ্যক্ষ মহোদয়, নেশন্যাল লেভেলে শিক্ষার হার হচ্ছে **৭৪.৪** শতাংশ, অসমের হার যদি দেখি তাহলে আমরা দেখতে পাব **৭৩.১৮** শতাংশ **১১** র সেনসাস অনুসারে। এবং সেই মর্মে অসমের মধ্যে আমার করিমগঞ্জ জেলায় শিক্ষার হার **৯২.৮২** শতাংশ। তারমানে ভারতবর্ষের এভারেজ শিক্ষার হার থেকে আমাদের অসমের শিক্ষার হার অনেকটা কম। তাই আমরা চাই, শিক্ষা সম্বন্ধে যাতে কোনও কম্প্রমাইজ করা না হয়, সেটাই যাতে আমাদের সবার উদ্দেশ্য হয়। গুরু ব্রহ্মা গুরু বিষ্ণু, গুরুদেব মহেশ্বর, গুরু স্বাক্ষাত পরমব্রহ্ম তস্মৈ শ্রী গুরুবৈ নমঃ। আমরা গুরুকে ব্রহ্মা বিষ্ণুর সাথে তুলনা করি। গুরু আমাদের পূজনীয়। কিন্তু সেই গুরুকে যদি চোরের সাথে তুলনা করা হয়, সেই গুরুকে যদি ড্রাইভারের সাথে তুলনা করা হয় তাহলে আমরা গুরুর সম্মান কোথায় রাখলাম। শিক্ষকদেরকে তার অধিকার থেকে বঞ্চিত না করাই আমাদের উদ্দেশ্য থাকা উচিৎ। অতএব আমরা যদি শিক্ষক সমাজকে সামাজিক ভাবে ওদের স্টেটাসকে আরও বর্ধিত করতে পারি তাহলে আমাদের শিক্ষার পরিবেশকে আরও বৃদ্ধি করতে পারব। উপাধ্যক্ষ মহোদয়, এই বিধানসভায় আমরা অনেকবার বলেছি যে আমাদের এম.ই, এল.পি স্কুলগুলিতে সিঙ্গল টিচার আছে। অনেক স্কুলে **১২** জন, **১৩** জন শিক্ষক আছে। ছাত্র-ছাত্রী **২** জন,**৩** জন বা **১০** জন আছে। এরকম তথ্য শেরমান আলি স্যার ও দিয়েছেন, আমিও অনেকবার দিয়েছিলাম বিধানসভায়। তথ্যগুলি দেওয়ার পরও কিন্তু সেই স্কুল গুলোকে আজও ঠিক করা হয়নি। উপাধ্যক্ষ মহোদয়, আমাদের পরামর্শ ছিল যে মেয়েদের জন্য ট্রেন্সফার পলিসি একটা আছে, কয়েকটা জেলাতে বদলি করা হল। কিন্তু কতগুলোতে করা হল না। মেয়েদের

নিকটবর্তী এন,এইচ এর সামনে এনে ছেলেদেরকে যাতে ইন্টিরিয়র জায়গায় পাঠানো হয়। গণতান্ত্রিক শাসন ব্যবস্থায় আমরা জন প্রতিনিধি, আমাদেরকে অনেক ছেলেরা বলেন যে স্যার আমাদের বদলি করে আনুন। কিন্তু আমরা বলি যে আমরা পারব না। কিন্তু কিছু এমন ব্যক্তিকে আমরা দেখি যে যাদের দিসপুরের সঙ্গে সম্পর্ক আছে, তারা বলে যে আমরা বদলি করে এনে দেব। এবং দেখা যায় যে ওরা **১৫ -২০** দিনের মধ্যে বদলি করে নিয়ে আসে। এই যে পরিবেশ সৃষ্টি করা হয় তার ফলে আমাদের শৈক্ষিক পরিবেশ নষ্ট হয়। আমরা দেখেছি যে **৪০০০** টেট শিক্ষক তাদের চাকরি নিয়মিত করার জন্য অনেক আন্দোলন করেছিল। শিক্ষা মন্ত্রীর কাছ থেকে তাদের আশ্বস্থ করা হয়েছিল। কিন্তু আজ অবধি কোন ব্যবস্থা গ্রহণ করা হয়নি। উপাধ্যক্ষ মহোদয়, যেহেতু ওদেরকে কন্ট্রেকচুয়েল চাকুরি দেওয়া হয়েছে, ওদের চাকুরি যাতে নিয়মিত করা হয় তারজন্য আমাদের শিক্ষা মন্ত্রী যাতেকোন ব্যবস্থা করেন। টাকা বর্ধিত করা হোক,কাটমোশনে টাকা **১০০** টাকা নয়, লাগলে **৫** কোটি টাকা বৃদ্ধি করা হোক। আমাদের কোন আপত্তি নেই। কিন্তু শিক্ষকদেরকে যাতে নিয়মিত করা হয়। উপাধ্যক্ষ মহোদয়, বিশেষ করে ছাত্র- ছাত্রীদের পোষাকের ব্যপারে আমি বলতে চাই যে **২০১৮-১৯** এবং **১৯-২০** এর স্কুল ইউনিফর্ম আজ অবধি দেওয়া হয়নি। তার কারনটা কি? তার কারন হচ্ছে আগে স্কুলের প্রধান শিক্ষকের উপর দায়িত্ব ছিল পোষাক কিনে দেওয়ার। কিন্তু এখন সেই পোষাকগুলি সেন্ট্রোলি কেনার জন্য আমাদের ছাত্র-ছাত্রীরা দু-বছর থেকে স্কুলের পোষাক পাচ্ছে না। আমরা জানি শিক্ষার অধিকার থেকে ছাত্র-ছাত্রীরা বঞ্চিত হচ্ছে। উপাধ্যক্ষ মহোদয়, **২০১৭** সালে গুনোৎসব করা হয়েছিল। সেই গুনোৎসবের পর বলা হয়েছিল ইনফস্ট্রাকচার পরিবর্তন হবে, বাউণ্ডারি ওয়াল করা হবে,ইলেকট্রিফিকেশন করা হবে, অনেক কাজ করা হবে। আমরা তা শুনে খুশি হয়েছিলাম। আমরা এই বিধানসভায় দাঁড়িয়ে আমাদের শিক্ষামন্ত্রীকে ধন্যবাদ জানিয়েছিলাম যে এরকম সঠিক একটি পদ্ধতি হাতে নেওয়ার জন্য। কিন্তু আজ আমরা দেখতে পেলাম **১০১৭** তে গুণ-উৎসব শুরু হয়েছিল। দু-তিনবার গুনোৎসব হয়ে গেল কিন্তু তারপর কোন ফিডবেক পাওয়া যায়নি। এখনও স্কুলগুলিতে আগের সমস্যা গুলোই রয়ে গেল। গুনোৎসবে বলা হয়েছিল **৯৩০** কোটি টাকা বিভিন্ন স্কুলে দেওয়া হবে। সেটা বাজেটে এলকেশন ধরা হয়েছে। কিন্তু সেই **৯৩০** কোটি টাকা কোথায় গেল? কোন স্কুলে টাকা দেওয়া হল? গুনোৎসবের পর আমাদের স্কুলগুলির কি উন্নতি হল? সেটাই প্রশ্ন? উপাধ্যক্ষ মহোদয, অনেক স্কুল আছে যেগুলি **১০০** বছর পার হয়েছে। আমার করিমগঞ্জ জেলাতেই যেমন গভর্ণমেন্ট হাই স্কুল, নীলমনি হাইস্কুল আছে যে **১০০** বছর পূর্ণ হয়েছে। এরকম আরোও অনেক স্কুল আছে যেগুলি **১০০** বছর হয়েছে। **২০১৬-১৭** র বাজেটে উল্লেখ ছিল, যে স্কুলের **১০০** বছর হবে সেই স্কুল গুলোকে **৫০** লক্ষ করে টাকা দেওয়া হবে। কিন্তু আজ **২০১৯-২০** সাল চলছে আজ অবধি এক টাকাও দেওয়া হয়নি। আমরা ডিপিআর বানিয়ে দিয়েছি, অনেক প্রোপজাল দিয়েছি কিন্তু সরকারের তরফ থেকে কোনও টাকা আজ অবধি দেওয়া হয়নি। তাহলে বাজেটে কেন কথাগুলো উল্লেখ করা হয়েছিল। উপাধ্যক্ষ মহোদয়, সরকারি হাইয়ার সেকেণ্ডারি স্কুলগুলিতে **২০১৩** থেকে প্রিন্সিপাল নিযুক্তি করা হচ্ছে না। সমহারে অসমের প্রভিনসিয়েলাইজড হাইস্কুলগুলোতে **২০১৭** সালে বিজ্ঞাপন দেওয়া হয়েছিল। **২০১৮** সালে ইন্টারভিউ নেওয়া হয়েছিল প্রায় **৫০০** হেড্-মাষ্টারকে কিন্তু এখনও নিযুক্তি দেওয়া হয়নি। উপাধ্যক্ষ মহোদয়, শৈক্ষিক পরিবেশ গড়ে তুলতে হলে আগে পরিবেশকে গড়তে হবে। আমরা কিন্তু আমাদের পরিবেশ এখনও গড়ে তুলতে পারিনি। তাই শিক্ষামন্ত্রী এখানে উপস্থিত আছেন আমি কাট-মোশনের মাধ্যমে কথাগুলি বলছি। শিক্ষামন্ত্রী উত্তর দেবেন ঠিকই কিন্তু উত্তর

দেওয়ার পর সেগুলো যাতে কার্যকরী হয় সেটাই আশা রাখছি।

**মাননীয় উপাধ্যক্ষ ঃ** আপনার আর **৪১** মিনিট সময় আছে।

**শ্রী কমলাক্ষ দে পুরকায়স্থঃ** আমি আরও **২০-২৫** মিনিট বলব।

**মাননীয় উপাধ্যক্ষ ঃ** আপনারা **৫** জনের নাম দিয়েছেন। আপনি **৮** মিনিট বলেছেন।

**শ্রী কমলাক্ষ দে পুরকায়স্থঃ** ঠিক আছে। আমি আরও **২০** মিনিট বলব।

বিশেষ করে এই যে প্রধান শিক্ষকের পদ খালি হয়ে আছে। ৫০০টা পদ খালি হয়ে আছে। পদ গুলো পূরণ কেন করা হচ্ছে না, না হওয়ার কারণ গুলো কি? কোন জায়গায় সে গুলো বন্ধ হয়ে আছে সেগুলো অনুসন্ধান করতে হবে। আমি মনে করি আমাদের শৈক্ষিক পরিবেশ তখনই গড়ে উঠবে যখন আমরা গোড়া থেকে এই সমস্যা গুলো সমাধান করতে পারব। উপাধ্যক্ষ মহোদয়, হাইস্কুলের কন্ট্রাক্টচ্যুয়েল শিক্ষকের নিযুক্তি হয়েছিল, আজ যে হাইস্কুল গুলো চালানো হচ্ছে সেখানে কিন্তু সেই কন্ট্রাক্টচ্যুয়েল শিক্ষকদের ভূমিকা অপরিহার্য। প্রথম থেকে শুরু করেই আজ অবধি আমরা দেখেছি যে তিন বা চার মাস পর্যন্ত কিন্তু তাদের বেতন হয় না। প্রত্যেক ফেব্রুয়ারী মাসে তাদের চাকরির মেয়াদ বৃদ্ধির জন্য প্রস্তাব পাঠানো হয় । মেয়াদ বৃদ্ধির সুপারিশ করা হয়। সেভাবেই চলছে। ২০১৬ কেবিনেট মেমোরেণ্ডাম হয়েছিল তাদের চাকরির নিয়মিত করণের জন্য। যারা স্কুল গুলো সুন্দর ভাবে পরিচালনা করছে, যাদের জন্য শিক্ষার একটা পরিবেশ সৃষ্টি হয়েছে, যারা অক্লান্ত ভাবে খেটে যাচ্ছে তাদের চাকরি নিয়মিত করা হচ্ছে না সেটা খুব দুঃখের বিষয়। আমি অনুরোধ করবো যাতে তাদের চাকরি নিয়মিত করা হয়। জানি হাইকোর্টের একটা কেস চলছে। যদি সরকার চায় তাহলে এফিডেভিড দিয়ে সেই সাবজুডিস বিষয় টা সমাধান করতে পারে। আমি জানি আমাদের শিক্ষামন্ত্রী উত্তারাধিকার সূত্রে অনেক সমস্যা পেয়েছেন। কিন্তু এই সমস্যা গুলোকে আরও বেশি বৃদ্ধি করা হচ্ছে। আমরা চাই এই সমস্যা গুলোর সমাধান করার জন্য শিক্ষা মন্ত্রী যাতে ব্যবস্থা গ্রহণ করেন।

উপাধ্যক্ষ মহোদয়, আমি মাদ্রাসা শিক্ষার কথা বলছি। প্রি-সিনিয়র মাদ্রাসা বা সিনিয়র মাদ্রাসার যা দুরবস্তা আমরা দেখেছি। একটা মাদ্রাসায় আমি দেখেছি একজন শিক্ষক আর একজন চতুর্থ শ্রেণীর কর্মচারী মাদ্রাসাকে পরিচালনা করছে। চতুর্থ শ্রেণীর কর্মচারীই মাদ্রাসাকে প্রধানত পরিচালনা করছে। যে মাদ্রাসা একটা চতুর্থ শ্রেণীর কর্মচারী পরিচালনা করবে, সেই মাদ্রাসার কি অবস্থা হবে উপাধ্যক্ষ মহোদয়। মাদ্রাসা টেট নিযুক্তির মাধ্যমে ২৯৪ টা পদের নিযুক্তি দেওয়া হবে। ইতিমধ্যে হাইকোর্ট থেকে অর্ডার বেরিয়েছে। কিন্তু আজ অবধি ২৯৪ টা শিক্ষকের কেন নিযুক্তি দেওয়া হচ্ছে না? আমাদের সংস্কৃত শিক্ষা টোলের মাধ্যমে পরিচালনা করা হয়। আমরা দেখেছি এই বিধান সভায় শপথ গ্রহণের সময় অনেকেই সংস্কৃতে শপথ নিয়েছিলেন। আমি খুব খুশি হয়েছি আমাদের দেব ভাষাতে শপথ নেওয়ার জন্য। আমাদের বিত্ত মন্ত্রী বাজেট পেশ করার দিন সংস্কৃত শ্লোক দিয়ে শুরু করেন, আবার সংস্কৃত শ্লোক দিয়েই শেষ করেন। তিনি বলেছেন যে সংস্কৃত ভাষাকে আরও এগিয়ে নিয়ে যেতে লাগবে। টোল গুলোর আরও উন্নতি করতে হবে। আজ বিধান সভায় আমি বলতে চাই যে সংস্কৃত টোল গুলোর যে বিভীষিকাময় অবস্থা তার উন্নতির জন্য ব্যবস্থা গ্রহণ করতে হবে। সংস্কৃত ভাষাকে জীবিত রাখার জন্য আমরা আপনাদের কোন ব্যবস্থা দেখতে পারছি না। আমরা চাই সংস্কৃত ভাষাকে উন্নত করা হোক। আমাদের বরাকের ইঞ্জিনিয়ারিং কলেজ থেকে শুরু করে অনেক গুলো সমস্যা আমাদের আছে। সম্প্রতি আমাদের যে টেট হয়েছিল তা খুব সুন্দর ভাবে হয়েছিল, অনেক সময় আমরা দেখি যে প্রশ্ন পত্র ফাঁস হয়ে যায়, টিভিতে সেগুলো

দেখানো হয়। কিন্তু উপাধ্যক্ষ মহোদয়, আমি একটা কথা বলতে চাই যে, সম্প্রতি টেটের পরীক্ষায় প্রশ্ন করা হয়েছিল যে নজরুল ইসলামের জন্ম কত তারিখে হয়েছিল। চারটা অপসন ছিল। কিন্তু এই চারটা অপসনের একটাও নজরুল ইসলামের জন্ম তারিখ ছিলনা। সিলেবাসের বাইরে থেকে অনেক গুলো প্রশ্ন করা হয়েছিল। বিষয় টা হচ্ছে যে বা যারা এই প্রশ্ন গুলো করছেন, যাদের জন্য আজ শিক্ষার এই অবস্থা, ছাত্র-ছাত্রী দের এই অবস্থা। তারা যে ভুল করছে, তাদের বিরুদ্ধে কি ব্যবস্থা নেওয়া হচ্ছে? অসমের শিক্ষা ব্যবস্থা দিনে দিনে কেন এত রসাতলে যাচ্ছে অন্য রাজ্যের তুলনায় তার কারণ টা কি? অল অসম প্রাথমিক শিক্ষা সম্মেলন অসমেব. প্রতিটা ব্লকে ধর্ণা কার্যসূচী হাতে নিয়েছেন। প্রতিটা দিন শিক্ষকদের যে আন্দোলন অর্থাৎ টেট শিক্ষকদের আন্দোলন, কন্ট্রাক্টচ্যুয়েল টেট শিক্ষকদের আন্দোলন, অন্যান্য শিক্ষকদের আন্দোলন এই সব আন্দোলনে শিক্ষা ব্যবস্থায় একটা বিভীষিকাময় পরিবেশ সৃষ্টি হয়েছে। তার জন্য শিক্ষা ব্যবস্থার উপর আলোচনা হয়েছিল। রিপোর্ট সাবমিট করা হয়েছিল। তার জন্য কি ব্যবস্থা নেওয়া হয়েছে সেটা কিন্তু আমরা জানি না। একটা অঞ্চলের উন্নতি শুধু রাস্তা ঘাট, ব্রিজ বা বাহ্যিক দিক দিয়ে হয় না। সেই অঞ্চলের উন্নতি টা তখনই হবে, যখন একটা অঞ্চলের মানুষ কতটা শিক্ষিত হবে সেটার উপর নির্ভর করে। আমাদের এন সি আর টি নর্মস নিয়ে ভূটানের শিক্ষা ব্যবস্থা চালু হয়। সব থেকে বড় কথা হচ্ছে যে আজ ভারতবর্ষের শিক্ষা ব্যবস্থা থেকে ভূটানের শিক্ষা ব্যবস্থা অনেক এগিয়ে। তাই আমি মনে করি যে অসমের শিক্ষা ব্যবস্থায় হয়ত বা বলা হয়েছে ১০০ টাকা কমানোর জন্য কিন্তু আমি বলব যে টাকা বাড়ানো হোক। বর্তমান দিনে শিক্ষার যে পরিবেশ, শিক্ষকদের যে অবমাননা করা বা অস্বীকার করা হয় সেই ব্যবস্থাকে আগে ঠিক করতে হবে। আমি একটা কথা বলছি , একজন ছাত্রের সামনে ভগবান ও শিক্ষাগুরু দুজনেই এসে উপস্থিত হলেন। আমাদের সংস্কৃতি মতে প্রণাম করতে হয়। কিন্তু এই ছাত্রটা কাকে প্রণাম করবে? সে শিক্ষাগুরুকে প্রণাম করবে না ভগবানকে প্রণাম করবে? আমাদের রীতি মতে আমরা ভগবানকে প্রণাম করব। যদি ভগবানকে প্রণাম না করি তাহলে ভগবান রাগান্বিত হয়ে যাবেন। আমাদের অভিশাপও দিতে পারেন। সেই ছাত্র টা গিয়ে শিক্ষা গুরুকে প্রণাম করল। ভগবান রেগে গেলেন, তিনি বললেন যে তুমি শিক্ষা গুরুকে প্রণাম করলে আমাকে করলে না। তোমাকে আমি অভিশাপ দেব। ভগবান যখন অভিশাপ দেওয়ার জন্য প্রস্তুত হলেন তখন ছাত্র টি বলল, আপনি ভগবান, আপনি অভিশাপ দিতে পারবেন, কিন্তু আপনি যে ভগবান সেই কথা আমাকে শিক্ষা গুরু শিখিয়েছেন। শিক্ষা গুরু আমাকে শিখিয়েছে বলে আমি জানতে পেরেছি যে আপনি ভগবান। তাই আমাদের শিক্ষা গুরুকে সম্মান করতে হবে। তাই সব শেষে আমি একটা গল্প বলে আমার বক্তব্য শেষ করছি। একটা বিল্ডিং এ একটা ছেলে চাকরি করত। আর সেই বিল্ডিং এর সামনে একটা অন্ধ ছেলে বসে থকতো। একদিন চাকরিয়ান ছেলে টা দেখতে পেল যে অন্ধ ছেলেটার সামনে একটা টুপি আছে, সেখানে মানুষ ১ টাকা বা ২ টাকা করে দিয়ে যাচ্ছে। আর অন্ধ ছেলেটার পেছনে লেখা ছিল I am a blind boy. অন্ধ ছেলেটাকে মানুষ এত সামান্য টাকা দিল সেটা দেখে চাকরিয়ান ছেলেটার খুব দুঃখ হল। কিছুক্ষণ পরে সে আবার আসল অন্ধ ছেলেটার সামনে আর তার পেছনে যে লেখাটা ছিল সেটা পরিবর্তন করে অন্য একটা কিছু লিখে দিল। বিকেল বেলা অফিস করে সে মনে মনে ভাবলো সেই ছেলেটাকে দেখে আসি এবং তার সামনে এলো। ছেলেটার সামনে আসার সঙ্গে সঙ্গে ছেলেটা দাড়িয়ে গেল। সে বলল আপনি সেই মানুষ যে, আমার পেছনে লিখে দিয়ে গেছিলেন আপনি তো সে ব্যক্তিই। তখন উনি বললেন হে আমিই। তখন ছেলেটি বলল আপনি কি এমন লিখে দিয়ে গেছিলেন যে আমাকে দেখে লোকে অনেক টাকা দিয়ে গেল। ছেলেটা

লিখে দিয়ে গেছিল Today is the beautiful day but I can not see it. এই ছোট্ট একটা গল্প থেকে বোঝা যায় যে আমাদের মানসিকতার পরিবর্ত্তন করতে হবে। আমাদের সিস্টেমের পরিবর্তন করতে হবে। এই সব যদি পরিবর্তন করা যায় তাহলে আমি বিশ্বাস করি আমাদের সমস্থ সমাজ ব্যবস্থাটাকে পরিবর্তন করতে পারব। শিক্ষা ব্যবস্থা ভালো হোক, উন্নত হোক, সমাজের ভালো হোক, অসমের ভালো হোক, অসম যাতে ভারতবর্ষের মধ্যে শিক্ষা ব্যবস্থায় এক নম্বর হতে পারে সেটাই আমাদের মুখ্য উদ্দেশ্য। নমস্কার।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী পবিন্দ্ৰ ডেকা, অসম গন পৰিষদ।

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই দাবী মঞ্জুৰী যোগে কিছু অতিৰিক্ত টকা প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ কাৰণে বিচাৰিছে। ইয়াত সন্মানীয় বিৰোধী পক্ষৰ পৰা কিছু কৰ্তন প্ৰস্তাৱ অনা হৈছে। কৰ্তন প্ৰস্তাৱৰ উদ্দেশ্য হৈছে আলোচনা কৰা। ইতিমধ্যে ভালে কেইজন মাননীয় সদস্যই শিক্ষাৰ বিষয়ে ক'লে আৰু কিছু পৰামৰ্শ তেখেত সকলে দিছে। এইখিনিতে মোৰ এটা কথা মনত পৰিছে যেতিয়া আমি বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহিছো ১৯৭৮ চনত তেতিয়া ১৯৭৭ চনত কেন্দ্ৰত মোৰাজি দেশাইৰ নেতৃত্বত জনতা পাৰ্টীৰ চৰকাৰ আছিল আৰু অসমত শ্ৰদ্ধাৰ গোলাপ বৰবৰাৰ নেতৃত্বত চৰকাৰ আছিল। বিশিষ্ট নাট্যকাৰ, সাহিত্যিক, অ্ভিনেতা লক্ষ্যধৰ চৌধুৰী ডাঙৰীয়া তেতিয়া অসমৰ শিক্ষা মন্ত্ৰী আছিল আৰু ৰাজ্যিক শিক্ষামন্ত্ৰী আছিল শ্ৰদ্ধাৰ ৰমণী বৰ্মণ চাৰ। তেখেতে এবছৰ মান যোৱাৰ পিছত এখন ৰাজহুৱা সভাত তেখেতৰ বিভিন্ন বিশেষণ দি এখন প্ৰশস্তি পত্ৰ পাঠ কৰি দিওঁতে ধেমেলীয়া বক্তৃতা দি কৈছিল যে আপোনালোকে বহুত বিশেষণ দিছে ঠিকেই কিন্তু মই আগৰ জনমত এটা ডাঙৰ পাপ কৰিছিলো। আগতে পিতাই স্কুললৈ যাবলৈ দিওঁতে মই যোৱা নাছিলো আৰু পিতাই মোক পিটিছিল। সেয়ে খঙতে যি দুই এটা ল'ৰা স্কুললৈ যায় সিহঁতক বাটত ধৰিলৈ মই পিটিছিলো। সেই পাপৰ ফলত আজি মই ৰাজ্যখনৰ শিক্ষামন্ত্ৰী হ'ব লগীয়া হ'ল। সেয়ে যেতিয়াই মোৰ টেবুললৈ ডি পি আইৰ পৰা শিক্ষাৰ ফাইল আহে আৰু শিক্ষা বিভাগৰ ডাঙৰ ডাঙৰ লেখা বিলাক দেখো মোৰ বুকু কপি যায়। গতিকে এয়া হৈছে মোৰ অৱস্থা। তাতে আকৌ আপোনালোকে মোক ইমানবোৰ বিশেষণ দি প্ৰশস্তি পত্ৰ প্ৰদান কৰিছে। তেখেতে তাত ব্যাখ্যা কৰিছিল যে ১৯৩৭ চনত প্ৰথম চৰকাৰ গঠন হওঁতে মৌলবী মনোৱাৰ আলী ডাঙৰীয়া আমাৰ শিক্ষামন্ত্ৰী আছিল। তেতিয়াৰ পৰা বহু শিক্ষা মন্ত্ৰী গ'ল। প্ৰকৃত পক্ষত ১৮৮৪ চনৰ পৰাহে আমাৰ শিক্ষা বিভাগটো আৰম্ভ হৈছিল আৰু আমাৰ শিক্ষা চলিছিল কলিকতাৰ পৰা অৰ্থাৎ বংগ দেশৰ পৰা। কাৰণ ১৮৭৪ খ্ৰীষ্টাব্দলৈকে আমি বংগ দেশৰ লগতেই আছিলো। যদিও আধুনিক শিক্ষা ব্যৱস্থাটো অৰ্থাৎ ইংৰাজী শিক্ষা ১৭৭৬ খ্ৰীষ্টাব্দতেই মাদ্ৰাজত আৰম্ভ হৈছিল, আমাৰ ইয়ালৈ বহু পলমকৈ আহিছিল। কলিকতাত যেতিয়া ১৮১৮ চনতেই কলেজ হৈছিল আমাৰ ইয়াত কলেজ হৈছিল ১৯১৯ চনত। ১৮৪৯ খ্ৰীষ্টাব্দতেই কলিকতাত বিশ্ববিদ্যালয় স্থাপন হৈছিল আৰু আমাৰ ইয়াত হৈছিলে ১৯৪৮ চনত অৰ্থাৎ সম্পূৰ্ণ ১০০ বছৰ পিছত অৰ্থাৎ ভাৰত বৰ্ষৰ অন্য ৰাজ্যতকৈ আমাৰ অসমত প্ৰায় ১০০ বছৰ পিছতহে আধুনিক শিক্ষাৰ পোহৰ আমি পাইছো। ১৯২৯ চনত শদিয়াত ব্যপ্তিষ্ট মিছনেৰী সকলে এখন এল পি স্কুল খুলিছিল আৰু সেইখনেই অসমৰ প্ৰথম এল পি স্কুল আছিল। ১৮৩৫ চনত হৈছিল প্ৰথম হাইস্কুল। ১৯৪৭ চনত যিদিনাখন আমি স্বাধীনতা লাভ কৰো ১৮৩৫ চনৰ পৰা ১৯৪৭ চনলৈকে মাত্ৰ আমাৰ ২৮ খন হাইস্কুল হৈছিল। এল পি স্কুলৰ সংখ্যা তেতিয়া প্ৰায় ২০০০ মান হৈছিলগৈ। আজি আমাৰ ৰাজ্যখনত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যতকৈ শিক্ষাৰ মানদণ্ড বহুত ওপৰত। উত্তৰ ভাৰতৰ যিকেইখন ৰাজ্যই আমাৰ

দেশখন শাসন কৰে তেওঁলোকে এতিয়ালৈকে ৰাজনৈতিক ভাৱে দেশখন শাসন কৰাৰ ক্ষমতা লাভ কৰি আছে। সেইকেইখন ৰাজ্যতকৈ যেনে- উত্তৰ প্ৰদেশ, বিহাৰ, হাৰিয়ানাতকৈ আমাৰ ৰাজ্যৰ শিক্ষিতৰ হাৰ বহু ওপৰত। ভাৰতবৰ্ষত মুঠ শিক্ষিতৰ হাৰ হৈছে ৭৪ শতাংশ আৰু. আমাৰ ৰাজ্যৰ ৭৩.২৮ শতাংশ। ১৯৪১ চনৰ চেনচাচ অনুসৰি ১৯৪৭ চনত আমাৰ সাক্ষৰতাৰ হাৰ আছিল মাত্ৰ ১৩ শতাংশ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ আছিল ০.৪ শতাংশ আৰু সেই পৰ্য্যায়ৰ পৰা আহি আহি এতিয়া আমি ৭৩.২৮ শতাংশত উপনীত হৈছো। সেই সময়ত হাইস্কুলৰ সংখ্যা আছিল ২৮ খন আৰু এতিয়া হাইস্কুলৰ সংখ্যা হৈছে ৭০০০খন। সেই সময়ত প্ৰায় আঢ়ৈ হাজাৰ এল পি স্কুল আছিল আৰু আজি আমাৰ ৩৬ হাজাৰ। যিদৰে মিছনাৰী সকলেব্যক্তিগত খণ্ডত স্কুল স্থাপন কৰিছিল ঠিক তেনেদৰে আমাৰ ইয়াত অশিক্ষিত সকলে স্কুল বিলাক স্থাপন কৰিছিল যাক ভেঞ্চাৰ স্কুল বুলি কয়। । তেনে এখন ভেঞ্চাৰ স্কুলৰ পৰাই মই মেট্ৰিক পাচ কৰি আহি কটন কলেজত পঢ়িছিলো। আমি নিজেই খেৰ, বাঁহ ঘৰে ঘৰে গৈ তুলিছিলো। টিনপাত দিছিল, তাত কোনো বেৰ নাছিল। সেই হিচাবত আজিৰ স্কুলৰ আন্তঃগাঁঠনি বহু উন্নত। পৃথিৱীৰ পৰিৱৰ্তনৰ লগে লগে আজিকালি স্কুল, কলেজতো পৰিৱৰ্তন আহি পৰিছে। আমি যদি লক্ষ্য কৰো ১৮২৯ চনৰ পৰা বৰ্তমানলৈকে আন্তঃগাঁঠনি যথেষ্ট উন্নত হৈছে কিন্তু পৰিৱৰ্ত্তিত পৰিস্থিতিত পৰিৱৰ্তনৰ লগত খাপ খোৱাকৈ আমি আন্তঃগাঁঠনিৰ ক্ষেত্ৰত এতিয়াওঁ কিছু পিছপৰি আছো। 36 thousands L.P.School আৰু ১৫ শতকৈ আমাৰ অধিক হায়াৰচেকেণ্ডাৰী স্কুল আছে তাত আধাতকৈ অধিক Science Section আছে। এই বিজ্ঞান শাখাবিলাকৰ বহুতক মই ইয়াত প্ৰশ্নও কৰিছিলো। হাইস্কুলৰ পৰাই য'ত লে'বৰেটৰী লাগে। বিজ্ঞান শাখাত হায়াৰছেকেণ্ডাৰী বিলাকত লে'বৰেটৰী লাগেই। Laboratory ক্ষেত্ৰত বস্তুবোৰ আছে কিন্তু থবলৈ ঠাই নাই। মইও বহুকেইখন স্কুলত কোঠা বনাই দিবলগীয়া হৈছে। গতিকে আন্তঃগাঁথনি আমাৰ বহুত, যিহেতু আমাৰ সংখ্যা বাঢ়িছে। চৰকাৰী আৰু ব্যক্তিগত দুয়োটা খণ্ড মিলাই আমাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ৯৫ লাখ আছে। প্ৰায় ১ কোটি লৰা-ছোৱালী। বহু ছাত্ৰ-ছাত্ৰী অসমৰ বাহিৰতো আছে আৰু ভাৰতবৰ্ষৰ বাহিৰতো আছে। census ত সেইবিলাকৰ নাম অন্তৰ্ভুক্ত হয়। গতিকে পৰিৱৰ্তনৰ লগত আমি বহুত ক্ষেত্ৰত এতিয়াও পিছপৰি আছো। স্কুল বিলাকৰ বটাঁবিতৰণী অথবা যিকোনো অনুষ্ঠানত আমি গ'লে গম পাওঁ যে কোনোবা স্কুলত টিন ফুটিছে, কৰবাত কোঠা নাই, কাৰোবাৰ বেৰ ভাঙি পৰি আছে ঠিক কৰিব পৰা নাই। গতিকে এইবোৰ সমস্যা আমাৰ আছে। আমাৰ ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া শিক্ষা মন্ত্ৰী হৈ থকাত মই কৈছিলো যে হাইস্কুল আৰু হায়াৰ ছেকেণ্ডাৰী বিলাকত এটা অনুদান দিব লাগে minimum ৩০ বা ৪০ লাখ টকাকৈ। তেতিয়া তেওঁলোকৰ যিবিলাক আন্তঃগাঁথনি যিবিলাক ভাঙি পৰিছে, এইটো কিছু অন্ততঃ ভাল হ'ব। আটাতকৈ ডাঙৰ সমস্যা যিটো হৈছে হাইস্কুল বিলাকত শিক্ষকৰ যথেষ্ঠ অভাৱ। Retirement ত যোৱাৰ পিছত খালী হৈ থকা পদবোৰ আমি পূৰণ কৰিব পৰা নাই। সেই ডাঙৰ সমস্যাটো আমাৰ মাধ্যমিক স্কুল বিলাকত আছে। LP School ত নাই কাৰণ LP School ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ঠ কমিছে আৰু বেচৰকাৰী স্কুলবোৰ হোৱাৰ কাৰণে চৰকাৰী স্কুলবোৰৰ প্ৰতি অনীহা হৈছে। কিছুমান বেচৰকাৰী স্কুল নিয়ন্ত্ৰণৰ বাহিৰত আছে, যধে মধে তেওঁলোকে মাছুল লৈছে, শিক্ষকবিলাকক নিযুক্তি দিছে কিন্তু দৰমহা নিদিয়ে। যাৰ ফলত পৰিয়ালবোৰৰ অচলাৱস্থা হৈছে। এই ক্ষেত্ৰত এখন আইন হৈছিল তিনিজনীয়া কমিটিৰ। মন্ত্ৰী ডাঙৰীয়াই ক'ব সেই তিনিজনীয়া কমিটিয়ে কি কৰিলে ব্যক্তিগত স্কুলবিলাকৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত। এনেবোৰ সমস্যা আমাৰ আছেই। বিশেষকৈ দুটা সমস্যা এটা হৈছে স্কুলবিলাকৰ আন্তঃগাঁথনি ঠিক নহয়। দুই নম্বৰটো -শিক্ষকৰ অভাৱ। মাজতে চৰকাৰে

এটা ব্যৱস্থা লৈছিলে যে য'ত বেছি শিক্ষক আছে তাৰ পৰা শিক্ষক নি বেলেগ ঠাইত দিয়াৰ ব্যৱস্থা কৰিছিল, পিছত সেইটো কি হ'ল নাজানিলো। শিক্ষকবোৰ অৱসৰ হোৱাৰ পিছত বহুতো স্কুলত এতিয়াও শিক্ষকৰ নিযুক্তি হোৱা নাই। ৫৭০০ মান LP School আমি উঠাই দিব লগা হৈছে ছাত্ৰ-ছাত্ৰীৰ অভাৱত। এতিয়াও বহুত স্কুল আছে য'ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৭ জন আৰু শিক্ষকৰ সংখ্যা ৪ জন। এনেকুৱা LP School এতিয়ালৈকে আছে। সেইবিলাকত আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যিবিলাক স্কুলত ২৫-৩০ জন ছাত্ৰ-ছাত্ৰী আছে সেই অনুপাতে শিক্ষকৰ সংখ্যা আছে ৪-৫ জন আছে, সেই স্কুলবিলাকৰ পৰা শিক্ষক নি য'ত ছাত্ৰ-ছাত্ৰী আছে কিন্তু শিক্ষক নাই সেইবোৰত দিয়াৰ ব্যৱস্থা কৰিব লাগে। সঠিকভাৱে তদন্ত কৰিলে ওলাই যাব। মোৰ সমষ্টিত এনে বহুত স্কুল থকা বাবে মই গম পাওঁ। ছাত্ৰ আৰু শিক্ষকৰ সংখ্যা সমান সমান। সেই শিক্ষকবোৰক স্থানান্তৰিত কৰিব পাৰিলে আমাৰ বহুখিনি সমস্যাৰ সমাধান পোৱা যাব। Technical শিক্ষাৰ ক্ষেত্ৰত আমি যথেষ্ঠ পিচপৰি আছো অন্য ৰাজ্যবোৰৰ তুলনাত। আমাৰ বিশ্ববিদ্যালয়ো যথেষ্ঠ কেইখন আছে। চৰকাৰী কলেজ আছে ৩৬০ খন, বিশ্ববিদ্যালয় তিনিখন হ'ল- গুৱাহাটী, ডিব্ৰুগড় আৰু আছাম বিশ্ববিদ্যালয়, শিলচৰ। এই তিনিওখনত আমাৰ চৰকাৰী কলেজবোৰ অন্তৰ্ভুক্ত হৈ আছে, অৰ্থাৎ প্ৰদেশীকৃত কলেজবিলাক। ব্যক্তিগত খণ্ডৰ কলেজবিলাক বেলেগ। তেওঁলোকৰ হয়তো কাৰোবাৰ affiliation লৈছে, গুৱাহাটী বা ডিব্ৰুগড় পৰা লৈছে আৰু তেনেকৈ তেওঁলোক চলি আছে। মই আশাঁ কৰো আমি এই গোটেই দিশটো বা পৰিবেশটো যদি ঠিক হয়, তেতিয়াহ'লে যথেষ্ঠ সুবিধা হয়।

এতিয়া আমি দেখিছো খেলা-ধূলাৰ কাৰণে স্কুলবিলাকত ২০ লাখকৈ পইচা দিছে। প্ৰতিটো সমষ্টিত ৪-৫ খনকৈ স্কুলত দিছে। এই পদক্ষেপটো যথেষ্ঠ ভাল হৈছে। লৰা-ছোৱালীবোৰে খেলা ধূলাৰ ক্ষেত্ৰত উপকৃত হৈছে আৰু শিক্ষাৰ এটা অংগ হৈছে। প্ৰাচীন কালতো শিক্ষাৰ এটা অংগ হিচাপে ব্যায়াম আছিল। এই ৰোম, ইটালী আদি দেশতো আছে আনকি নালন্দা বিশ্ববিদ্যালয়তো এই এই ব্যায়াম বিষয়টো অন্তৰ্ভূক্ত আছিল। এতিয়াৰ পাঠ্যক্ৰম সম্পূৰ্ণ সলনি হৈছে, সলনি হোৱাৰ কাৰণে আমাৰ কিছুমান অসুবিধা হৈছে। স্কুল-কলেজত মই গলে বক্তৃতাৰ পৰিৱৰ্ত্তে মত বিনিময়হে কৰো। কিছুমান বিষয়ত যেনে-বিজ্ঞান, ভূগোল, বুৰঞ্জী ইত্যাদিৰ ক্ষেত্ৰত মত বিনিময় কৰো। ভূগোল আৰু বুৰঞ্জী নোহোৱাৰ কাৰণে বৰ্তমানৰ বহু ল'ৰা-ছোৱালীৰ বুৰঞ্জী আৰু ভৌগোলিক জ্ঞান যথেষ্ট কম। এই বিষয় দুটা হাইস্কুলৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰাৰ বাবে বিভিন্ন পৰ্যায়ত বৌদ্ধিক মহলৰ পৰাও দাবী উথাপন কৰা হৈছে। মই আপোনাৰ জৰিয়তে এই পৰামৰ্শটো মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ ওচৰত ৰাখিছো। বিভিন্ন সময়ত বিভিন্ন স্কুলৰ ছাত্ৰ-ছাত্ৰীক মই অসমৰ বুৰঞ্জী, আহোম যুগৰ কথা, কামৰূপ, প্ৰাগ্‌জ্যোতিষপুৰ, অসম কেনেকৈ হ'ল ইত্যাদি কথাবোৰ সোধো। কিন্তু তেওঁলোকৰ এই সম্পৰ্কত জ্ঞান যথেষ্ট কম। তদুপৰি, আমাৰ যিসকল মহান পুৰুষ যেনে- গুৰু নানক, শ্ৰীমন্ত শংকৰদেৱ, শ্ৰী চৈতন্য দেৱ, ৰামানুজন, গোপীনাথ বৰদলৈ, ভীমবৰ দেউৰী, মহম্মদ ছাদুল্লা- এই ব্যক্তিসকলৰ বিষয়ে এল.পি. স্কুল পৰ্যায়ৰ পৰাই পঢ়িছিলো আৰু ইয়াৰ চমু টোকাও লিখিছিলো। গতিকে মহান ব্যক্তি সকলৰ বিষয়ে পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰি তেওঁলোকৰ বিষয়ে জনাৰ বাবে ল'ৰা-ছোৱালীখিনিক সুযোগ দিব লাগে। বৰ্তমান সময়ত কিতাপ পঢ়াৰ অভ্যাস আগৰ সময়ৰ তুলনাত কমি গৈছে। যেতিয়া বস্তু যথেষ্ট পৰিমাণে উপলব্ধ হয়, তেতিয়া তাৰ আকৰ্ষণ কমি যায়। আগৰ দিনত আজিৰ নিচিনাকৈ কিতাপ উপলব্ধ নাছিল বাবে আমি বিচাৰি বিচাৰি গৈ কিতাপ পঢ়িছিলো। বৰ্তমান কিতাপ যথেষ্ট উপলব্ধ, কিন্তু ল'ৰা-ছোৱালীবোৰে নপঢ়ে। গতিকে এই সকলো

কথা মই সদনত ব্যক্ত কৰিলো আৰু মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই কথাবোৰ নিশ্চয় বিবেচনা কৰি চাব। বৰ্তমান, বিশেষকৈ, হাইস্কুল বোৰৰ অৱস্থা বৰ বেয়া। বৰপেটাৰ জুৰৰাম ছোৱালী হাইস্কুলৰ অৱস্থা নাইকিয়া হৈছে । হাইস্কুলৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে যিমান fund ৰ প্ৰয়োজন, বিধায়ক সকলে সিমান দিয়াটো সম্ভৱ নহয়। এক বা দুই লাখ টকাহে দিব পৰা যায়। যাৰ ফলত সেইখিনি পইচাৰে কাম কৰিবলৈ অসুবিধা হয়। সেয়েহে, যিবিলাক হাইস্কুলৰ আন্তঃগাঁথনি বেয়া, মই ভাৱো , সেইবোৰৰ বাবে বৰ বেছি নহ'লেও কমেও ১৫ লাখ মানকৈ টকা দিলে বহু উপকৃত হ'ব। এই পৰামৰ্শখিনি মই মন্ত্ৰী মহোদয়ক আগবঢ়ালো আৰু মাননীয় উপাধ্যক্ষ মহোদয় , মোক বক্তব্য ৰাখিব দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তৃতা সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া ইমানুয়েল মছাহাৰী।

**শ্ৰী ইমানুয়েল মছাহাৰী(তামুলপুৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোক দু-আষাৰ বক্তব্য ৰাখিবৰ বাবে যি সুবিধা দিলে, তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত আমাৰ সন্মানীয় সদস্য সকলে সুন্দৰ ভাৱে বক্তব্য ৰাখিছে। মই যিমান পাৰো প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ভিতৰতে মোৰ বক্তব্য সীমাবদ্ধ ৰাখিবলৈ চেষ্টা কৰিম। অসমত শিক্ষাৰ হাৰ ৰাষ্ট্ৰীয় পৰ্যায়তকৈ তুলনামূলকভাৱে অলপ কম। বিশেষকৈ, জিলা ভিত্তিত Tea Garden Area, Tribal area, Char Area বোৰৰ লগতে মহিলাৰ শিক্ষাৰ হাৰ যথেষ্ট কম। শিক্ষাৰ মানদণ্ড, আন্তঃগাঁথনি, শিক্ষক-ছাত্ৰৰ অনুপাত এই সকলোবোৰ যদি আমি চালি-জাৰি চাওঁ, তেতিয়া আমি দেখিম যে এই ক্ষেত্ৰত আমাৰ কৰিব লগীয়া বহুত আছে। ২০১৪ চনৰ পৰা কেন্দ্ৰত মাননীয় নৰেন্দ্ৰ মোডী চৰকাৰ অহাৰ পিছত শিক্ষাৰ ক্ষেত্ৰত আগৰ চৰকাৰে যি পদ্ধতিৰে শিক্ষানুষ্ঠানবোৰ চলাইছিল, তাত কিছু পৰিৱৰ্তন হোৱা আমি লক্ষ্য কৰিছো। ২০২০ চনত নতুন শিক্ষা নীতি গ্ৰহণ কৰা হ'ব বুলি আমি শুনিছো। Backward educational block বোৰ চিনাক্ত কৰি তাত শিক্ষাৰ প্ৰসাৰ বঢ়াবৰ বাবে Model School, Girls' Hostel বনোৱাৰ policy গ্ৰহণ কৰা হৈছিল। এই policy কিছু ঠাইত সম্পূৰ্ণ হৈছে। মোৰ সমষ্টিত Hostel বোৰ সম্পূৰ্ণ হৈছে। কিন্তু school building ৰ কাম সম্পূৰ্ণ হোৱা নাই। কিন্তু সেই সময়তে, এই policy টো drop হৈ গ'ল। যিবোৰ ঠাইত school building ৰ কাম সম্পূৰ্ণ হৈছিল, সেইবোৰ ঠাইত ক্লাছ আৰম্ভ কৰা হৈছিল কিন্তু তাত English medium introduce কৰা হ'বনে assamese medium কৰা হ'ব সেই বিষয়ত অলপ অসুবিধাৰো সৃষ্টি হৈছিল। Higher Secondary বা College level ৰ যি existing school আছিল, সেইবোৰো সেই campus টোতে স্থাপন কৰা হৈছিল। ঠিক তেনেদৰে মোৰ সমষ্টিৰ দুখন Model School অসম্পূৰ্ণ হৈ আছে। এইখিনি মই উদাহৰণহে দিছো। পূৰ্বৰ চৰকাৰ আৰু বৰ্তমানৰ চৰকাৰৰ মাজত শিক্ষাৰ policyবোৰ কিছু সলনি কৰা হৈছে। ২০২০ চনত শিক্ষাৰ policy সম্পূৰ্ণভাৱে introduce হ'ব বুলি আমি শুনিছো, নিশ্চিত ভাৱে ইয়াৰ এটা আমূল পৰিৱৰ্তন হ'ব। Policy যিমানেই সলনি নহওঁক, স্কুল এখনত আমাক ছাত্ৰ, শিক্ষক, অভিভাৱক, আন্তঃগাঁথনি, school building ৰ লগতে এটা সুন্দৰ পৰিৱেশ লাগিব। এই ক্ষেত্ৰত আমি চাব লাগিব যে শিক্ষা ক্ষেত্ৰত প্ৰয়োজনীয় সকলোখিনি আমি দিব পাৰিছো নে নাই। ২০১৬ চনৰ পৰা শিক্ষা ক্ষেত্ৰত যথেষ্ট প্ৰচেষ্টা চলোৱা হৈছে। চৰকাৰৰ যি সীমিত ৰাজহ, ই তুলনামূলকভাৱে যথেষ্ট কম। আমাৰ ৰাজ্যখন Revenue deficit State আৰু তাৰ বাবে আমি Finance Commissionৰ পৰা পইচা পাবলৈ সক্ষম হৈছো।

শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আগতে, Operation Black Board তথা বিভিন্ন ধৰণৰ কেন্দ্ৰীয় চৰকাৰৰ policy আছিল। কিন্তু, সৰ্বশিক্ষা আঁচনি গ্ৰহণ কৰাৰ পিছত যেতিয়া compulsory education introduce কৰা হ'ল, তাৰ পিছত আন্তঃগাঁথনিয়েই হওঁক বা শিক্ষক নিযুক্তি কৰাই হওঁক ইত্যাদি কামবোৰ ক্ৰমান্বয়ে দেখিবলৈ পাইছো। শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে শিক্ষক নিযুক্তি তথা আন্তঃগাঁথনি উন্নত কৰাৰ পিছতো দেখিবলৈ পোৱা গৈছিল যে অসমত প্ৰতি ৫ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৬ বছৰৰ পৰা ১৪ বছৰৰ পিছত ২ বা ৩ জন ছাত্ৰ-ছাত্ৰীহে থাকে। ল'ৰা-ছোৱালী সকলে যিধৰণেৰে পুষ্টিকৰ খাদ্য পাব লাগিছিল, সেইধৰণেৰে পোৱা নাই। সেয়েহে, ল'ৰা-ছোৱালীৰ পুষ্টিহীনতা দূৰ কৰাৰ বাবে কেন্দ্ৰীয় তথা অসম চৰকাৰে 'Mid Day Meal' আঁচনিৰ প্ৰৱৰ্তন কৰিছে। মই ক'ব বিচাৰিছো যে, শিক্ষা ক্ষেত্ৰত আমাৰ যি ধৰণৰ আঁচনি গ্ৰহণ কৰা হৈছে, সেইবোৰ ঠিকেই হৈছে। কিন্তু, implementation ৰ ক্ষেত্ৰত State to state কাম হোৱা নাই। অন্য বক্তা সকলে কৈছে যে, অন্য ৰাজ্যৰ তুলনাত অসমৰ শিক্ষাৰ মানদণ্ড তুলনামূলকভাৱে যথেষ্ট ভাল।অলপতে মই পঢ়িছিলো যে অসমৰ পুলিচত নিযুক্তিৰ ক্ষেত্ৰত উত্তৰ প্ৰদেশ আৰু বিহাৰৰ বহু লোকে ইয়াত চাকৰি পাবলৈ সক্ষম হৈছে। যিসকল হায়াৰ চেকেণ্ডাৰী পাচ তেওঁলোকে চাকৰিত নিযুক্তি পালে। কিন্তু তেওঁলোকে নুন্যতম পঢ়াখিনিও পঢ়িব নোৱাৰে। গতিকে অসমত শিক্ষাৰ যিখন Syllabus আছে, যিধৰণে পাঠদান কৰা হয়, সেইখন তুলনামুলক ভাৱে যথেষ্ট ভাল। ইয়াক বেচি ভাল কৰিবলৈ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ এক পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। ইয়াত বিশেষকৈ গুজৰাটৰ আৰ্হিত গুণোৎসৱ পতা হ'ল। যোৱাবাৰ বহু অভিভাৱক, ছাত্ৰ-ছাত্ৰী আৰু বহু শিক্ষকে বিদ্যালয়ৰ মুখ দেখা পাইছে। আমি জানো যে আমাৰ চৰকাৰী বিদ্যালয় সমূহৰ বিশেষকৈ দুখীয়া ল'ৰা-ছোৱালী সকলে পঢ়া-শুনা কৰে। ইয়াত যিসকল অভিভাৱক আছে, তেওঁলোক বেছিভাগৰে বিদ্যালয়লৈ যাবলৈ সময় নাথাকে। কাৰণ তেওঁলোকে বেছিভাগে দিন হাজিৰাৰ দৰে কাম কৰে বা বছৰি নুন্যতম উপাৰ্জন অতি কম। বাকী যিসকলে খৰছ বহন কৰিব পাৰে, তেওঁলোকে ব্যক্তিখণ্ডত ল'ৰা-ছোৱালীসকলক পঢ়ায়। আমাৰ অসমত কি ধৰণে স্কুল স্থাপন হৈছিল, তাৰ সৱিশেষ ডেকা ডাঙৰীয়াই আমাৰ ইয়াত কৈছে। আমাৰ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল যে চৰকাৰে প্ৰয়োজন সাপেক্ষে অসমত স্কুল স্থাপন কৰে। তাক ভেঞ্চাৰ স্কুল বুলি কয়। সেই ভেঞ্চাৰ স্কুল সমূহৰ অৱদান যথেষ্ট। ভেঞ্চাৰ স্কুল সমূহ স্থাপন হোৱাৰ পিছত শিক্ষক কিমানজন ল'ব লাগে, পাৰ্মিচনৰ বাবে কাৰ ওচৰত যাব লাগে, তাৰ পিছত দশম শ্ৰেণীৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি সেইসমূহক recognition দিয়া হয়। ইয়াৰ পিছত স্কুল সমূহৰ Provincialisation ৰ কথা আহে। Provincialisation ৰ ক্ষেত্ৰত সদৌ অসম শিক্ষক-কৰ্মচাৰী ঐক্যমঞ্চৰ সদস্য সকলে প্ৰত্যেকজন বিধায়কৰ ওচৰলৈ গৈছিল আৰু তেওঁলোকৰ কথাবোৰ কৈছিল। ২০১৭ চনৰ সংশোধনী আৰু ২০১৮ চনৰ শিক্ষক অধিকৰণ আইনৰ অধীনত সৰ্বমুঠ ৮,৮৩২খন শিক্ষানুষ্ঠান আৰু লগতে ৪১ হাজাৰতকৈ বেছি শিক্ষক-কৰ্মচাৰীয়ে চাকৰি পালে। তেওঁলোকৰ দৰমহা আদি হ'ল। কিন্তু বাকী যিখিনি ৰৈ গ'ল, যিসকলৰ recommendation হৈ গ'ল, যিসকলে সকলোখিনি condition fulfill কৰিলে, সেইসকলক এইবাৰ বাজেটত অন্তৰ্ভুক্ত কৰিলে। তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো আৰু নিশ্চয় Provincialisation ৰ কাৰণে ব্যৱস্থা আৰম্ভ হৈছে। মই প্ৰথমতে উল্লেখ কৰিছিলো অসমৰ শিক্ষাৰ Percentage Natural Average তকৈ সামান্য এক শতাংশ কম। তথাপিও কিছুমান Gray Area আছে, বিশেষকৈ ট্ৰাইবেল এৰিয়া বিলাকৰ কথা কৈছো। কাউঞ্চিল এৰিয়া, চৰ এৰিয়া আৰু বাগান এৰিয়া বিলাক

আছে সেই অঞ্চল বিলাকত কিন্তু শিক্ষাৰ পোহৰ অতি কম। বেঙ্গল নাইবা মাদ্ৰাজত যদি এশ বছৰৰ আগতে শিক্ষাৰ পোহৰ আহিছিল, অসমত কিন্তু এশ বছৰ পিছত আহিছিল। কিন্তু আমাৰ ট্ৰাইবেল অঞ্চলবোৰত শিক্ষাৰ পোহৰ আজিৰ পৰা দহ-পোন্ধৰ বছৰ আগতে অহা বুলি ক'ব লাগিব। BAC Accord হোৱাৰ আগতে আমাৰ অঞ্চলসমূহত কোনো এখন চৰকাৰী অনুদান পোৱা স্কুল নাছিল বুলি ক'ব পাৰি। কিছুমান ঠাইত মিছনাৰীসকলে আৰম্ভ কৰিছে আৰু কিছুমান অঞ্চলত গাঁঠিৰ ধন ভাঙি ৰাইজে বিদ্যালয় স্থাপন কৰিছিল। গতিকে ১-১-২০০৬ চনৰ আগৰ মানদণ্ড পৰিপূৰ কৰি যিসমূহ স্কুল Provincialisation কৰা হ'ল তাত বেচিভাগ কাউঞ্চিল বা বড়োলেণ্ড অঞ্চলৰ বিদ্যালয়সমূহ তাৰ আঁওতাত নাহিলে। গতিকে এই অঞ্চলসমূহৰ Provincialisation হোৱাৰ কোনো সম্ভাৱনা নাই। ঠিক তেনেকৈ মোৰ সমষ্টিত Provincialised কলেজ নাই। ইয়াত মুঠ জনসংখ্যা তিনি লাখমান হ'ব। কিন্তু আমি Provincialisation কলেজ পাবলৈ সক্ষম নহ'লো। কাৰণ সেইটো সময়ত কলেজ স্থাপন কৰা নহ'ল। ঠিক তেনেকৈ উচ্চ মাধ্যমিক কলেজৰ সংখ্যাও কম। গতিকে আমি বিচাৰিছিলো যে বি টি চি বা তেনে পিচপৰা অঞ্চলত যিবোৰ Cut off year আছে, সেইবোৰ বঢ়াই দিব লাগে। সেয়েহে কি ধৰণে সেইটো আনিব পৰা যায় সেই বিষয়ে চিন্তা-চৰ্চ্চা কৰিবলৈ অসম চৰকাৰক অনুৰোধ কৰিলো। মই এটা ক্ষেত্ৰত অতি সন্তোষ পাইছো যে মোৰ কলেজৰ ক্ষেত্ৰত যোৱাবাৰ সদনত কিছু Assurance দিয়া হৈছিল আৰু সেই সমূহ এইবাৰ আমি পাম। ইয়াৰ লগতে শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে আমাৰ যিসকল উঠি অহা প্ৰজন্ম, তেওঁলোকক শিক্ষাৰ লগত জড়িত কৰিবৰ বাবে চৰকাৰৰ ফালৰ পৰা বিনামূলীয়া নামভৰ্তি, উচ্চ মাধ্যমিকত বিনামূলীয়া ইউনিফৰ্ম দিয়াৰ ব্যৱস্থা কৰিলে। যোৱাবাৰ বাজেটত লোৱা হৈছিল যে যিসমূহ বিদ্যালয়ত পৰীক্ষাৰ চেণ্টাৰ আছে তাত চাৰিসীমাৰ বেৰ দিয়াৰ ব্যৱস্থা কৰা হ'ব। ঠিক তেনেকৈ য'ত বহাৰ যাৱতীয় স-সুবিধা নাই, সেইবোৰৰ ব্যৱস্থা কৰা হ'ব। সেইসমূহ কিছু কিছু কৰা হ'ল আৰু কিছু ঠাইত কৰা হোৱা নাই। কিন্তু নিশ্চয় সময়ত আমাৰ পুঁজি সাপেক্ষে এইবোৰ পৰিপূৰণ কৰিবৰ বাবে সক্ষম হ'ব। ঠিক তেনেকৈ উদাহৰণ স্বৰূপে পিছপৰা অঞ্চলসমূহৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক আনি আমাৰ বিধান সভাৰ কাৰ্য্যসমূহ কেনেকৈ পৰিচালনা কৰা হয়, সেইবোৰ চাবৰ বাবেও ব্যৱস্থা কৰা হ'ল। তেওঁলোকে ইয়াৰ পৰা ভৱিষ্যতে গণতান্ত্ৰিক প্ৰক্ৰিয়া কেনেকৈ পৰিচালিত কৰা হয়, নাগৰিক হিচাপে আমাৰ দায়িত্ব আৰু কৰ্ত্তব্য কি, সেই বিষয়ে অৱগত হ'ব। এইবোৰ তেখেতসকলৰ জীৱনৰ বাবে এটা সম্পদ হিচাপে পৰিগণিত হ'ব আৰু সময়ত তেওঁলোকে এইটো এটা ভাল পদক্ষেপ আছিল বুলি অনুভৱ কৰিব। ইয়াৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰোপৰিও ছাত্ৰ-ছাত্ৰীসকলক শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা কৰিছে। ঠিক তেনেকৈ আমি দেখা পাইছো যে বোৰ্ডাৰ অঞ্চলসমূহত য'ত বিশেষকৈ সীমা সুৰক্ষাৰ বলৰ (এচ এচ বি) ৰ কেম্প আছে, তাত Exposer ৰ বাবে লৈ যোৱা হয়। ঠিক তেনেকৈ যিসকল স্কুল ড্ৰপ আউট ছাত্ৰ-ছাত্ৰী আছে, সেইসকলৰ বাবে Residential স্কুল স্থাপন কৰা হৈছে। যাক আমি কস্তুৰবা গান্ধী স্কুল বুলি কওঁ। কিন্তু আগৰ তুলনাত এই স্কুলসমূহৰ পৰিচালনাৰ মানদণ্ড আগতকৈ তললৈ আহিছে। সেই বিষয়ে মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো। সেই স্কুল সমূহত যিসকল ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰিব পৰা নাছিল, সেইসকলক পুনৰ পঢ়া-শুনাৰ বাবে কস্তুৰবা স্কুলত ব্যৱস্থা কৰা হৈছে। যদি আমি চাওঁ প্ৰাক-প্ৰাথমিক স্তৰৰ পৰা আৰম্ভ কৰি উচ্চতৰ মাধ্যমিক লৈ শিক্ষাৰ ক্ষেত্ৰত আৰু শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যদিওবা বহুত কৰিবলগীয়া আছে, কিন্তু সমগ্ৰ অসমত যিমান ছাত্ৰ-ছাত্ৰী আছে, সেই ক্ষেত্ৰত আমি যদি গোটেই অসমৰ শতকৰা চাওঁ প্ৰতিজন শিক্ষকৰ বিপৰীতে ত্ৰিশজন ছাত্ৰ-ছাত্ৰীৰ কথা যদি আমি ভাৱো নিশ্চয় আমাৰ বেচি

শিক্ষকৰ প্ৰয়োজন নাই। কিন্তু মোৰ সমষ্টিত এনেকুৱা কিছুমান স্কুল আছে, য'ত ছাত্ৰ-ছাত্ৰী ১৪জন আছে আৰু শিক্ষক আছে ১০ জন। এইটো কৰাৰ কাৰণে ব্যৱস্থা কৰিব বুলি কোৱা হৈছিল যদিও আজিলৈকে সঠিকভাবে rationalisation কৰা হোৱা নাই। আশা কৰিছো এই বিষয়টোত চৰকাৰে মনোযোগ দিব। আমাৰ সন্মানীয় ডেকা ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ আমি যেতিয়া স্কুলসমূহত বঁটা বিতৰণী সভাৰ বাবে যাওঁ, প্ৰথমে তেখেতসকলে স্কুলৰ চাৰি বেৰখন আমাক দেখুৱাই দিয়ে। স্কুলৰ আন্তঃগাঁথনিৰ কথা কয়, ক'ৰবাত দৰ্জা নাই, কোনোবা অঞ্চল Low line Area, য'ত ৰাস্তাটো নতুনকৈ বনোৱা হৈছে কিন্তু স্কুলখন তলত থাকি গ'ল। ইয়াত লেণ্ড ফিলিংৰ ব্যৱস্থা আছে নেকি? ৰাস্তা সুন্দৰভাৱে হৈ গ'ল। আগতে ৰাস্তাঘাট নাছিল যোৱা পাঁচটা বছৰত বহু ৰাস্তা হ'ল। অসম চৰকাৰে PMGY আৰু SSPG ৰ পৰা ৰাস্তা বনোৱা হ'ল। এতিয়া গাড়ীসমূহ বেচি হ'ল। সৰু সৰু ল'ৰা-ছোৱালী বিলাকৰ কাৰণে বাউণ্ডেৰী ওৱালৰ ব্যৱস্থা কৰিব লাগে। তেনেকুৱা ধৰণৰ ডিমাণ্ড বিলাক আহি থাকে। গতিকে উন্নয়নৰ লগতে শিক্ষাৰ মানদণ্ড আহি যোৱাৰ লগতে, আগতে কিতাপ দুষ্প্ৰাপ্য আছিল, available নাছিল। আজি কালি লাইব্ৰেৰী বহু আহি গ'ল, কিতাপ দিয়া হৈ গ'ল কিন্তু পঢ়া মানুহ নাই। বেছিভাগ মোবাইলত নেটটে চায়। গতিকে পৰিবৰ্ত্তনৰ লগত খাপ খাই কি ধৰণে আমাৰ অসমখনটো শিক্ষাৰ মানদণ্ড উন্নত কৰিব পৰা যায়, যাতে আমাৰ ল'ৰা-ছোৱালী বিলাক বাহিৰত যাব নালাগে। বিশেষকৈ হায়াৰ এডুকেশ্যনৰ ক্ষেত্ৰত যিহেতু আজি সেইটো আওতাৰ বাহিৰত গতিকে আজি দিল্লী হওঁক নাইবা বাঙ্গালোৰ হওঁক বেছি ভাগ আমাৰ ল'ৰা-ছোৱালী পঢ়িবলৈ যায়। গতিকে অসমটো মানদণ্ড থকা অনুষ্ঠান হওঁক আমাৰ ছাত্ৰ-ছাত্ৰী যাতে বাহিৰত যাব লগা নহয়। আজি গাৱে-ভূঞে সমগ্ৰ অসমত স্কুল কলেজ হ'বলৈ ধৰিছে, ৰাস্তা-ঘাট হ'বলৈ ধৰিছে। সেই বিলাক আগুৱাই নিব লাগিলে অসম চৰকাৰৰ ফালৰ পৰা শিক্ষাৰ ক্ষেত্ৰত যি পুঁজি ধাৰ্য্য কৰা হৈছে, সেই পুজিঁ যথেষ্ট নহয়। পুঁজি বঢ়াব লাগে ঠিক তেনেকৈ যি ঠাইত কলেজ স্থাপন কৰা হোৱা নাই, তাত কলেজ স্থাপন কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, আৰু সৰ্বশিক্ষাৰ চাৰ্ভেৰ মতে যে প্ৰতিটো ৬ কিঃ মিঃ ৰ ওপৰত যদি হাই স্কুল নাই, হাই স্কুল স্থাপন কৰাৰ যিটো ব্যৱস্থা তেনেকৈ মোৰ সমষ্টিটো চিনাক্ত কৰা হৈছিল এখন হাইস্কুল স্থাপন কৰিব বুলি কিন্তু এতিয়ালৈকে হৈ নুঠিল। নিশ্চয় হ'ব। ঠিক তেনেকৈ প্ৰতিটো অঞ্চলত য'ত হাই স্কুল আছে তাক হায়াৰ ছেকেণ্ডাৰীলৈ উন্নিত কৰা, Science Stream introduce কৰা এনেকৈ আমি পুঁজি বিলাক পালো, ঘৰ বনালো, কিন্তু Project Approval Board ত দিল্লীত Approval নহ'ল সেই কাৰণে সেই Science Stream বিলাক introduce কৰা ন'হল। গতিকে সেই বিলাক ঘৰ এনেই পৰি আছে নিশ্চয় সেইবোৰ চকু দিব।

( মাননীয় অধ্যক্ষ মহোদয়ে আসন গ্ৰহণ কৰে)

গতিকে শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ Science ৰ ক্ষেত্ৰত ভিতৰুৱা অঞ্চলৰ ল'ৰা-ছোৱালী বিলাকে যাতে কম খৰচত সুন্দৰ শিক্ষা ল'ব পাৰে। তেনেকুৱা এটা Science ৰ শিক্ষাৰ কাৰণে ব্যৱস্থা আজিলৈকে accessible হোৱা নাই যদিও বা চেষ্টা কৰা হৈছে। বিজ্ঞান কেন্দ্ৰৰ জড়িয়তে বিজ্ঞানৰ বিষয়ে awareness আনিবৰ কাৰণে যদিও বা বিজ্ঞান কেন্দ্ৰ স্থাপন কৰা হৈছে তথাপিও আমি সেই সুযোগ বিলাক দিব পৰা নাই। গতিকে মই এইখিনিৰ ওপৰত বিশেষকৈ বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত শিক্ষা বিভাগক মনোযোগ দিবৰ কাৰণে অনুৰোধ জনাইছো, আৰু শিক্ষা বিভাগৰ বিযেশকৈ প্ৰাইমাৰী Education আৰু ছেকেণ্ডাৰী Education আৰু শিক্ষাৰ ক্ষেত্ৰতে যাতে পুঁজি কৃপনালি নকৰে, liberal Budget যাতে প্ৰদান কৰে ইয়াৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ। পিছৰ বক্তা শ্ৰী দূৰ্গা ভূমিজ।

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষা বিভাগৰ কৰ্ত্তন প্ৰস্তাৱক সমৰ্থন কৰি আমি এটা কথা কʼব বিচাৰিছো, বিশেষকৈ চাব বাগিচাৰ প্ৰাথমিক বিদ্যালয় বিলাক প্ৰায় ৫০০ বিদ্যালয় আজি চৰকাৰীকৰণ হোৱা নাই। পূৰ্বে প্ৰয়াত হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই চাহ বাগিচাৰ বহু স্কুল প্ৰাদেশীকৰণ কৰিছিল, কিন্তু বহু বাদ পৰিল। প্ৰায় ৫০০ খন বিদ্যালয় বাদ পৰিল। সেই বিদ্যালয় বিলাকৰ আন্তঃ গাঠনিৰ অভাৱ, এজন শিক্ষকৰ বিপৰীতে ১০০-১৫০ ছাত্ৰ-ছাত্ৰী। গতিকে শিক্ষা কেনেধৰণে চলিছে নিশ্চয় আপোনালোকে অনুমান কৰিছে। আমি আশা ৰাখিম আমি বিচাৰিম যে এই বাজেটতে হওঁক বা চলিত বৰ্ষতে হওঁক বিদ্যালয়বোৰ চৰকাৰী কৰণ কৰিব লাগে, আৰু শিক্ষক-শিক্ষয়ত্ৰী সকলৰ পদ সমূহ যি ধৰণে আছে, সেই ধৰণে ৰখাটো বিচাৰিছো। ২য় কথাটো হৈছে বিদ্যালয়ৰ যিবিলাক শিক্ষক-শিক্ষয়ত্ৰী আছে তেওঁলোকৰ বুনিয়াদ শিক্ষাটো নাই। আধুনিক শিক্ষাটো দিব পৰা অৱস্থাত নাই বুলি আমি ভাবিছো। ছাত্ৰ-ছাত্ৰী সকলৰ যিটো শিক্ষা ব্যৱস্থা সেইটো কলিতে চিঙি পেলোৱা হৈছে। পৰিবৰ্তনকামী চৰকাৰখন বহু আশাৰে চাহ বাগিচাৰ জনসাধাৰণে ভোট দি লৈ আহিছিল। বহুতে আশা কৰিছে বাগিচাৰ বিদ্যালয়বোৰ যাতে চৰকাৰীকৰণ হয়। চাহ বাগিচাৰ আৰু সেই বিদ্যালয় বিলাকত বিশেষ একো ব্যৱস্থা নাই। বিনামুলীয়া পাঠ্য-পুথি দিয়াৰ কথা চৰকাৰে কৈ আহিছে। কিন্তু আচৰিত হʼব যে চৰকাৰী বিদ্যালয় বা প্ৰাদেশীকৰণ বিদ্যালয় বিলাকৰ পাঠ্য-পুথি সমূহ দিয়াৰ পিছত অৱশিষ্ট অংশ বাগিচাৰ বিদ্যালয়লৈ দিয়া হয়। গতিকে এইখিনি এটা সমাধান কৰিবৰ কাৰণে মই অনুৰোধ ৰাখিম অহাবাৰৰ পৰা যাতে এইবিলাক নহয়। চৰকাৰখনে আৰু এটা কথা কৈছিল যে এল পি স্কুল বিলাক আপগ্ৰেড কৰিব এম ভি স্কুললৈ । কিছুদিন চাৰ্ভে কৰিলে বহুত খৰখেদা লগালে, মাটি-বাৰী যেতিয়া হৈ গʼল, কিন্তু এম ভি স্কুল আপগ্ৰেড নহʼল। কিয় নহʼল আমি অলপ চিন্তা কৰিছো আৰু ৰাইজেও চিন্তা কৰিছে, যে কি কাৰণে নহʼল। ইয়াৰ পিছত আহিলে হাইস্কুল। বাগিচাৰ হাই স্কুল, কেবিনেটট পাছ, পেপাৰে পত্ৰই হেড লাইন যে এই বাৰ চৰকাৰে বাগিচাত ১০০ খন হাই স্কুল দিব । ৰাইজ যথেষ্ট সন্তুষ্ট হʼল। কিন্তু আজিলৈকে হাই স্কুলৰ মুখ দেখা নাই। ইতিমধ্যে মাটি-বাৰী জোখ মাখ হৈ গৈছে, স্কুলৰ নামত, হাইস্কুলৰ নামত,কিন্তু কি কাৰণত নহʼল মন্ত্ৰী মহোদয়ৰ পৰা আমি জানব বিচাৰিম আৰু কেতিয়া হʼব এইটোও জানিব বিচাৰিম। ইয়াৰ উপৰি দেখা যায় যে ইউনিফ্ৰম আজি যুগ যুগ ধৰি চাহ বাগিচা অঞ্চলৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক দিয়া হোৱা নাই। কিয় পোৱা নাই? পূৰ্বৰ শিক্ষা মন্ত্ৰী মহোদয়ক মই কৈছিলো ইউনিফ্ৰম পোৱা নাই, তেতিয়া তেওঁ কৈছিল যে কিয় পোৱা নাই, কোনে দিয়া নাই, কোন ঠিকাদাৰে দিয়া নাই আমি জেলত দি দিম। কিন্তু কথা মতে কাম নহʼল। বাগিচাত যিবিলাক বিদ্যালয়ৰ আন্তঃগাঠনি খুব দুৰ্বল, সেইখিনি সবল কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। মই আশা ৰাখিছো এইখন চৰকাৰে বাগিচাৰ যিবিলাক কথা দিয়া হৈছে ১০০ খন হাই স্কুলৰ কথা এল পি স্কুল, এম ই স্কুল আপগ্ৰেডৰ কথা ইউনিফ্ৰমৰ কথা সেই বিলাক যাতে বাস্তৱত ৰূপ দিয়ে তাকে কৈ মই অনুৰোধ জনাইছো মই বাগিচাৰ কথা এইখিনি কলো। হাই স্কুল কেতিয়া হʼব? আমি নিশ্চয় জানিব বিচাৰিম, জনাৰ দৰকাৰ আছে, হাইস্কুলৰ কথাটো শীঘ্ৰে ব্যৱস্থা গ্ৰহণকৰিব বুলি মই আশা ৰাখিছো। এতিয়া মোৰ সমষ্টিৰ এল পি স্কুল বিলাকত মাতৃ ভাষাৰ শিক্ষক বা শিক্ষয়িত্ৰীৰ নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এতিয়া হাই স্কুল প্ৰাদেশীকৰণ ২০১৩ চনত হʼল খুউব খৰখেদাকৈ হʼল। তাত বহু বিষয় শিক্ষক, বিজ্ঞান শিক্ষক ইত্যাদি ড্ৰপ পৰিলে আনকি তৃতীয় শ্ৰেণী চতুৰ্থ শ্ৰেণীও আচলতে নিযুক্তি থাকি গʼল। গতিকে যিবিলাক ড্ৰপ হʼল সেই বিলাক পুনৰ নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

২০০৬ চনত  যি আইন হৈছিল, ২০১৭ চনত যি প্ৰাদেশিকীকৰণ আইন হৈছিল, ২০১৩ চনৰ পৰা যিখিনি হৈ গৈছে হ'ল। কলাৰ শিক্ষক, হিন্দীৰ শিক্ষক, সংস্কৃত, আৰবী, মনিপুৰী, পাৰ্চী, বিজ্ঞান, গণিত, ভাষা শিক্ষক, সংগীত ইত্যাদি শিক্ষক সকলক যাতে নিযুক্তি দিয়ে, তাকে মই আশা ৰাখিছো। ২০১৭ চনত  প্ৰাদেশিকীকৰণৰ ব্যৱস্থাৰ যি আইন কৰিছিল, ২০১৮ চনত তাৰ সংশোধন ঘটিল। সেই সংশোধনত আমি আশা ৰাখিছো ২০০৬ চনত যিটো প্ৰাদেশিকীকৰণৰ ব্যৱস্থা কৰিছিল, সেইটো issue date ক লৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা বুলি আমি জানিব পাৰিছো। গতিকে  issue date নহৈ affact date হ'ব লাগে।¯ Issue date হ'লে বহু বিদ্যালয় বাদ পৰিব  affact date হ'ব লাগে বুলি মই আশা কৰিছো আৰু এই বছৰতে হাইস্কুলৰ প্ৰাদেশিকীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে, হাইস্কুলৰ যিসকল শিক্ষক-শিক্ষয়িত্ৰী আছে, তেওঁলোকে যথেষ্ট কষ্টৰ সন্মুখীন হৈছে আৰু যিবিলাকৰ  প্ৰাদেশিকীকৰণৰ ব্যৱস্থা নহ'ব, তেওঁলোকক যাতে আৰ্থিকভাৱে পাৰিতোষিক আগবঢ়ায় তাকে মই অনুৰোধ জনাইছো। Tea Employee Welfare Board ত যিসকলে চাকৰি কৰে, তেওঁলোকে প্ৰায় বিশ মাহৰ দৰমহা পোৱা নাই। তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীয়ে এতিয়া বাগিচাৰ বিদ্যালয়সমূহ এৰিছে। মই আশা ৰাখিছো যে, যিবিলাক প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই, বিবেচনা কৰা হোৱা নাই, সেইখিনিৰ বিবেচনা কৰিবৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । শ্ৰী সঞ্জয় কিষান। আপোনালোকে speech টো ১০ মিনিটত confined কৰিব। কেইবাজনো আছে, বিধায়িনী দলৰ।

**শ্ৰী সঞ্জয় কিষান (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলে অনা শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱত মোক দুআষাৰ কবৰ কাৰণে আপুনি সুবিধা দিছে। মই বিশেষকৈ চাহ বাগিচাৰ কথাখিনি ক'ব বিচাৰিম। মই যোৱা দিনবিলাকতো কৈছিলো যে আটাইতকৈ ডাঙৰ কথা হৈছে আমাৰ জিলাতে প্ৰায় ১২২ খন চাহ বাগিচাৰ বিদ্যালয় আছে আৰু ২০১৭চনত যেতিয়া গুণোৎসৱ হৈছিল, তেতিয়া মাত্ৰ এখন বিদ্যালয়হে A plus পাবৰ বাবে সক্ষম হৈছিল আৰু সেইটো সেইদিনাখনহে প্ৰমাণ হৈছিল, বাগিচাৰ বিদ্যালয় সমূহৰ অৱস্থাটো কেনেকুৱা। এই কথাখিনি আমি কৈছো। আমাৰ চৰকাৰে ইতিমধ্যে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো।  বিশেষভাৱে বৰ্তমান অভিজ্ঞ এজন ব্যক্তিক আমি শিক্ষা মন্ত্ৰী হিচাপে পাইছো। গতিকে আশা কৰিছো, এই বাগিচাৰ বিদ্যালয় সমূহৰ নিশ্চয় এটা পৰিবৰ্তন ঘটিব। ইতিমধ্যে ভূমিজ ডাঙৰীয়াই কৈছে যে, সঁচাকৈ আমাৰ চাহ বাগিচাৰ বিদ্যালয়সমূহৰ শিক্ষক নিযুক্তিটো মেনেজাৰ সকলে কৰে। কোনোবা এজন ষ্টাফে যদি কামত ভালকৈ নাযায় তেতিয়া হ'লে তেওঁক শিক্ষাৰ দায়িত্ব দিয়া হয়। যিজন বেমাৰী লোক তেওঁ কি দৰে শিক্ষা প্ৰদান কৰিব। আজিও এই ব্যৱস্থাত বাগানৰ বিদ্যালয় সমূহ চলি আছে। আমি ধন্যবাদ জনাইছো মাননীয় অধ্যক্ষ ডাঙৰীয়াক, এই বিধান সভাৰ কক্ষতে কথাবিলাক বিভাগক বিতংভাৱে আলোচনা হৈছিল। গতিকে মই আশা কৰিছো যে, বাগিচাৰ নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা কৰিব লাগে। আমাৰ কেইবাখনো জিলাৰ চৰকাৰীকৰণৰ ব্যৱস্থা নহ'ল, সেই চৰকাৰী ব্যৱস্থাটো কৰিব লাগে লগতে খুউব দুখৰ কথাযে, শ্ৰমিকসকলে কম দৰমহা  পোৱাৰ কাৰণে তেওঁলোকৰ যথেষ্ট অভাৱ আৰু তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক ভাল এজোৰ কাপোৰ কিনি দিব নোৱাৰে। এতিয়া এনেকুৱা দশা হৈছে যে, ওচৰত এখন চৰকাৰী বিদ্যালয়ত ধুনীয়াকৈ কাপোৰ পিন্ধি এজন ছাত্ৰ গৈছে, কিন্তু বাগানৰ সেই শ্ৰমিকজনৰ সন্তানে এটা ফটা-চিতা কাপোৰ পিন্ধি বিদ্যালয় যাবৰ কাৰণে বাধ্য

হৈছে। এইটো এটা বৰ অন্যায় হৈছে চাহ বাগিচাৰ ক্ষেত্ৰত। আমি এইটো যোৱাবাৰে এইখন সদনত উত্থাপন কৰিছিলো আৰু প্ৰাক্তন শিক্ষামন্ত্ৰীয়ে এইটো কথা কৈছিল যে ছাত্ৰ-ছাত্ৰী সকলক ইউনিফৰ্মৰ ব্যৱস্থা কৰা হ'ব। কিন্তু আজিলৈকে নহ'ল। মাননীয় অধ্যক্ষ মহোদয়, গতিকে নতুনকৈ শিক্ষামন্ত্ৰী আহিছে, তেখেতক মই অনুৰোধ কৰিছো, যাতে এই ছাত্ৰ-ছাত্ৰী সকল বঞ্চিত নহয় এই সুবিধাৰ পৰা। কিতাপৰ ক্ষেত্ৰতো একেদৰে কৈছো, যেতিয়া চৰকাৰী বিদ্যালয়ৰ কিতাপবিলাক বিতৰণ কৰি শেষ হৈ যায়, তাৰ পাছত যিবিলাক কিতাপ বাছে, তাৰ পাছতহে বিদ্যালয়ত সেই কিতাপবিলাক দিয়াৰ ব্যৱস্থা হয়। মই এটা অনুৰোধ কৰিম যে বাগানৰ বিদ্যালয়ৰ কাৰণে বিশেষভাৱে এটা ব্যৱস্থ হ'ব লাগে, য'ত কিতাপৰ ব্যৱস্থাটো সুকীয়া হ'ব লাগে, য'ত ইউনিফৰ্মৰ ব্যৱস্থাটো সুকীয়া হ'ব লাগে লগতে এটা ডাঙৰ কথা হৈছে যে আমাৰ শিক্ষক সকলৰ যি প্ৰশিক্ষণৰ ব্যৱস্থা, এই প্ৰশিক্ষণৰ ব্যৱস্থাটো নোহাৱা গতিকে আৰু মেনেজাৰ সকলে শিক্ষক নিযুক্তি কৰে গতিকে শিক্ষাৰ পৰিৱেশটো আমি আজিলৈকে ভাল কৰিব পৰা নাই। এইটো এটা ডাঙৰ কথা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ MHRD ৰ জৰিয়তে যি খিনি সুবিধা বিদ্যালয় সমূহে পাইছে, বাগানৰ বিদ্যালয় সমূহে ইয়াৰ পৰা সম্পূৰ্ণভাৱে বঞ্চিত হৈছে যেনেকৈ খেলৰ সামগ্ৰীৰ ক্ষেত্ৰতে হওঁক বা অন্যান্যৰ ক্ষেত্ৰতে হওঁক। তেখেত সকলো দেশৰ নাগৰিক, তেখেতসকলেও সকলো অধিকাৰ পোৱাৰ যোগ্য আছে কিন্তু আমি সেইটো আজি কৰি দিব পৰা নাই। এই কথাখিনি মই বিশেষভাৱে অনুৰোধ কৰিছো আৰু লগতে আমাৰ বহু কেইখন পুৰণি বিদ্যালয় আছে। হাইস্কুলেই হওঁক বা এম ই স্কুলেই হওঁক আমি ইতিমধ্যে চিনাক্ত কৰিছো যে এই বিদ্যালয় সমূহ যিকোনো মুহুৰ্ত্তত খহি যাব পাৰে, যিকোনো মুহুৰ্ত্তত ডাঙৰ অঘটন হব পাৰে। গতিকে মোৰ এটা অনুৰোধ থাকিল যে যিবিলাক বিদ্যালয়ৰ অৱস্থা অতি জৰাজীৰ্ণ, এই জৰাজীৰ্ণ বিদ্যালয়সমূহ চিনাক্ত কৰি ব্যৱস্থা ল'ব লাগে। ইতিমধ্যে যিটো বাজেট শিক্ষা মন্ত্ৰী ডাঙৰীয়াই আনিছে ইয়াতকৈ আৰু এটা ডাবল টকাহে আনিব লাগে মই তেনেকুৱা ধৰণৰ অনুভৱ কৰিছো। যোৱাবাৰৰ বাজেটত আমি লক্ষ্য কৰিছিলো এটা বাজেট ধৰা হৈছিল কিন্তু বহুত কাম আশা কৰাৰ দৰে নহ'ল আৰু সেই কাৰণে এইবাৰো বাজেট ধৰিছে এই কথাখিনি যাতে সাঙুৰি লোৱা হয়। মই দুটামান কথা ক'ব বিচাৰিছো যে ইতিমধ্যে আমি শ্বহীদ আঁচনিৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক কিবা এটা দিবৰ কাৰণে সক্ষম হৈছো কিন্তু এনে বহুত দুখীয়া ছাত্ৰ-ছাত্ৰী আছে যিসকল ছাত্ৰ-ছাত্ৰীক আমি সহায়-সহায় কৰিব পৰা নাই। সেইকাৰণে যথেষ্ট অসুবিধা হয়। সেইদিনাখন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল আমাৰ ইয়াত আহিছিল, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ও চৰত তেওঁলোকে কৈছে যে এনেকুৱা ছাত্ৰ আছে যি ছাত্ৰ জনে একাপ চাহো খাবলৈ নাপায় বা তেওঁ যিখন বিচনাত শুৱে তাক অকল এখন বেডকভাৰ দি শুৱে। গতিকে এনেকুৱা ধৰণৰ ছাত্ৰ-ছাত্ৰী আছে, আমি যদি তেওঁলোকৰ বাবে কিবা এটা কৰিব পাৰো। আমি এনেকুৱা এটা শিক্ষা ব্যৱস্থাৰ মাজত গৈ আছো, গতিকে ইয়াৰ এটা পৰিৱৰ্তন হব লাগে বুলি মই আশা কৰিছো আৰু চৰকাৰী যিসমূহ বিদ্যালয় আছে তাৰ কাৰণে ইতিমধ্যে আমাৰ বিধায়ক পুঁজিৰ পৰা কিবাকিবি কৰিছো। কৰবাত ডেস্ক-বেঞ্চ, কৰবাত কোঠা এটা বনাই দিছো কিন্তু এতিয়াও আমাক তেনেকুৱা ধৰণৰ বিশেষ পুঁজি দিয়া হোৱা নাই। জনা গৈছিল যে বিদ্যালয় যিসমূহ আছে তেওঁলোকক, বিল্ডিং নিৰ্মাণ কৰিবৰ কাৰণে কিছু অনুদান আগবঢ়োৱা হব। কিন্তু এতিয়ালৈকে এই অনুদান বিলাক বিদ্যালয় বিলাকে পাবৰ কাৰণে সক্ষম হোৱা নাই। মই আশা কৰিছো যে এই অনুদানটো শীঘ্ৰে যাতে প্ৰদান কৰা হওঁক। আটাইতকৈ ডাঙৰ কথা হৈছেযে ওচৰতে এখন ধুনীয়া ব্যক্তিগত বিদ্যালয়, সুন্দৰভাৱে তাত ফেন লাগি আছে, সুন্দৰ ডেস্ক-বেঞ্চ আছে, সুন্দৰভাৱে ৰং দিয়া আছে কিন্তু ওচৰতে চৰকাৰী বিদ্যালয়খনত কোনো ধৰণৰ ব্যৱস্থা নাই। তাত কি কাৰণত

ছাত্ৰ-ছাত্ৰী যাব শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে। এই পাৰ্থক্যটো সলনি কৰিবৰ কাৰণে আমি এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি আমি সকলোৱে আশা কৰিছো যাতে ব্যক্তিগত বিদ্যালয় আৰু চৰকাৰী বিদ্যালয়ৰ মাজত কোনো ধৰণৰ পাৰ্থক্য নাথাকক। আমাৰো সেই বিদ্যালয়সমূহ সুন্দৰভাৱে হৈ উঠক যাতে এই দুখীয়া ছাত্ৰ-ছাত্ৰী সকলে তাত সুন্দৰ পৰিবেশত শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে সক্ষম হব। মই আশা কৰিছো, মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে আৰু এটা কথা হৈছে যে, বহু ছাত্ৰ-ছাত্ৰী আছে, বহু ভিতৰৰ পৰা তেওঁলোকে ওলাই আহিবলগীয়া হয় আৰু এনেকুৱা ছাত্ৰ-ছাত্ৰী দেখিছো যে তেওঁলোকৰ বাছভাড়া দিব নোৱাৰাৰ কাৰণে মাহেকত অন্তত একসপ্তাহ তেওঁলোকে কলেজ বা বিদ্যালয় সমূহৰ পৰা বঞ্চিত হ'বলগীয়া হয়। এই ব্যৱস্থ্যাটো কি কৰিলে আমি ছাত্ৰ-ছাত্ৰী সকলক সুবিধা কৰি দিব পাৰো। এই কথাখিনি ক'লো। এতিয়াওঁ বহুত স্কুল আছে, যিবিলাকত খোৱাপানীৰ অভাৱ আছে। মোৰ লক্ষীপথাৰ পঞ্চায়তত খোৱাপানীত যথেষ্ট আইৰণ আছে। সেইকাৰণে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক বিশুদ্ধ খোৱাপানী আজি পৰ্য্যন্ত দিব পৰা নাই। যিবিলাকত এনেকুৱা অৱস্থা আছে, তাত খোৱা পানীৰ সুব্যৱস্থা কৰিবলৈ জনস্বাস্থ্য কাৰিকৰি বিভাগক দায়িত্ব দিলে ভাল হয়, যাতে এই ছাত্ৰ-ছাত্ৰী সকলক আমি বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাটো কৰি দিব পাৰো। এনেকুৱা আৰু বহু কথা আছে, যেনে আমি স্বচ্ছতাৰ কথা কৈছো। কিন্তু স্বচ্ছতাৰ কথা কওঁতে, কব লাগিব যে বহুত স্কুল আছে য'ত লেট্ৰিনৰ অৱস্থাটো অতি শোচনীয়। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এইটো অতি কষ্টকৰ অৱস্থা। এই শৌচালয় বিলাকতটো আমি সোমাবয়ে নোৱাৰো। এই ক্ষেত্ৰত জিলা ভিত্তিত এটা চাৰ্ভে চলাই স্কুল বিলাকৰ প্ৰস্ৰাৱগাৰ আৰু শৌচালয় বিলাক সুন্দৰ ভাৱে নিৰ্মাণ কৰাৰ বাবে কিবা এটা ব্যৱস্থা কৰিলে ভাল হয়। তেতিয়া ছাত্ৰ-ছাত্ৰী বিলাকো নিশ্চয় উপকৃত হব। অধ্যক্ষ মহোদয় এই কথাখিনি মোক কব দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ইয়াৰ পিচত শ্ৰী ভূবন পেগু।

**শ্ৰী ভূবন পেগু ঃ** অধ্যক্ষ মহোদয়, বিৰোধীয়ে গ্ৰান্ট নং ৭১ ৰ প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষা ৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মই কথাটো কবলৈ যাওঁতে প্ৰথমে কব লাগিব যে ইমানদিন ধৰি প্ৰভিঞ্চিয়েলাইজেশ্যনৰ নতুন এক্টখন পাচ হোৱাৰ পিচত ০১-০১-২০০৬ ৰ আগৰ যিখিনি অনুষ্ঠান আছিলে ,যিখিনি প্ৰভিঞ্চিয়েলাইজ হবথাকি গৈছিলে, সেইখিনি কেতিয়া হব ,কেতিয়া হ'ব বুলি যোৱা এক- ডেৰ বছৰ ধৰি এই বিষয়টোৰ ওপৰত ৰাইজে প্ৰশ্ন উত্থাপন আৰু ডিমাণ্ড কৰা সদনত আমি দেখিছিলো। কিন্তু যোৱাকালি যেতিয়া এইটো দাখিল কৰিলে, বাজেটটো চাই মনটো ভাল লাগিছিল, এইবাৰ যিটো চাপ্লিমেন্টেৰী ডিমাণ্ড গ্ৰাণ্টৰ বাজেটত Rs. 43,91,34000.00 Provincialization Service of the Staff of the Venture L.P.School, U.P.School বুলি দিয়া আছে। এইবাৰ টকা আবণ্টন কৰিছে। ৮ নং ত আছে যে Rs.25Cr. required for provincialization of services of eligible employees of Venture Educational Institutions. গতিকে এইবাৰ Venture Educational Institutions ৰ শিক্ষক সকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ কাৰণে টকাটো ধাৰ্য্য কৰিছে।। সেইকাৰণে মই প্ৰথমতে আমাৰ চৰকাৰক আৰু শিক্ষা মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো এই সম্পৰ্কত টকা ধাৰ্য্য কৰাৰ কাৰণে আৰু বাকী যিখিনি ইয়াত উল্লেখ আছে, প্ৰয়োজনীয় যিখিনি টকা আমাৰ চেন্ট্ৰেল চেয়াৰ, ষ্টেট চেয়াৰআৰু আৰু সৰ্বশিক্ষা মিচনৰ বাবে এইখিনি ধৰা হৈছে। ইমানদিন ধৰি বিৰোধী সকলে যেহেতু এই দাবী উত্থাপন কৰিছিলে ,

সেয়েহেএই টকা ধাৰ্য কৰাৰ পিচত শিক্ষক সকলৰ চাকৰি যে নিয়মীয়া হ'ব এই ভাল কামটো হোৱাৰ বাবে বিৰোধী সকলে তেওঁলোকৰ ভাষণত চৰকাৰক এটা ধন্যবাদ দিব বুলি মই আশা ৰাখিছিলো। সেয়েহে মোৰ সন্দেহ হৈছে যে তেওঁলোকে সদনত হুলস্থুল কৰাৰ কাৰণে দাবী উৎথাপন কৰে নে কামটো হোৱাৰ কাৰণে কৰে !কামটো যিহেতু হ'ল, নিয়মমতে তেওঁলোকে এটা ধন্যবাদ দিবলাগে। যদি আগৰ বক্তা সকলে পাহৰিছে মই আশা ৰাখিম বাকী বিৰোধী বক্তা সকলে এই ভাল কামটোৰ বাবে চৰকাৰক এটা ধন্যবাদ জনাব। দ্বিতীয়তে, ইনফ্ৰাষ্ট্ৰাকচাৰৰ ক্ষেত্ৰত কব বিচাৰিছো, বাৰে বাৰে বক্তা সকলে কৈ আহিছে যে আমি যেতিয়া গাওঁৰ চৰকাৰী এল,পি বা এম,ই স্কুল খনলৈ যাওঁ শিক্ষক-অভিভাৱকসকলে স্কুলখনৰ দুৰৱস্থাটো আমাক দেখুৱাই, এইটো কি কৰা যায় ।কৰবাত টিনপাত পুৰণিহৈছে, কৰবাত বেৰা নাই,ডেক্স-বেঞ্চ নাই, লৰা-ছোৱালীৰ বহাৰ পৰিবেশ নাই, এইটো কেনেকৈ উন্নত কৰিব পৰা যাব বুলি আমাক সদায় সুধি থাকে। আজি মই চৰকাৰক ধন্যবাদ দিব বিচাৰিছো যে ৯৮০ কোটি টকা ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভল'পমেন্টৰ কাৰণে এইখন চৰকাৰে ধাৰ্য কৰিছে।শিক্ষামন্ত্ৰীৰ পৰা মই জানিব পাৰিছে যে টকাটো ৰিলিজ কৰি ইতিমধ্যে জিলাবোৰলৈ দিয়া হৈছে আৰু কামবোৰ অতি সোনকালে আৰম্ভ হ'ব।অধ্যক্ষ মহোদয়, আগৰ কোনো চৰকাৰেই ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভল'পমেন্টৰ বাবে ইমান পুঁজি একেলগে ধাৰ্য কৰা নাছিল। আশা ৰাখিছো এই টকাটো যেন সদব্যৱহাৰ হয়আৰু এই টকাটো অকল ঠিকাদাৰ কেন্দ্ৰিক নহয়। আগত আমি লক্ষ্য কৰিছিলো যে বিল্ডিং গ্ৰান্টটো কোনোবা শিক্ষকে খাই দিয়ে বা কনষ্ট্ৰাকচন কমিটীৰ মানুহে খাই দিয়ে। কোৱালিটিটো মেইনটেইন নহয়।সেই কাৰণে মই অনুৰোধ জনাইছো যে ইয়াত আমাকো যদি এম,লে,এ সকলক জড়িত কৰে ভাল হয়। মই সুখী, গুণোৎসৱত যিখিন অনুষ্ঠান চিলেক্ট কৰা হৈছিলে সেই অনুষ্ঠানখিনি লিংক কৰিছে সেইটো ভাল। কিন্তু আমাকো ,যিহেতু আমিও অঞ্চলটোত যাও, জনগণে প্ৰথম যেতিয়া চৰকাৰী অনুষ্ঠান এটা উন্নত কৰিব লাগে বুলি আমাকেই যিহেতু শোধে , গতিকে আমাকো গোটেই প্ৰক্ৰিয়াটোত শিক্ষা বিভাগে যাতে জড়িত কৰায় তাৰ বাবে অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, এই গোটেই প্ৰক্ৰিয়াটোত মোৰ কেতিয়াবা অনুভৱ হয় যে ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভল'পমেন্টৰ কাৰণে বহুত পইছা নালাগে। আমাৰ সৰু সৰু স্কুল আছে। যেতিয়াৰ পৰা টেট পাছ কৰা সকলে নিযুক্তি পাইছে, মই ভাৱো শিক্ষকসকলৰ মানদণ্ড বাঢ়ি গৈছে।কিয়নো কেতিয়াবা যদি তুলনা কৰো - কাষত যিবিলাক প্ৰাইভেট স্কুল চলি আছে, তাৰ শিক্ষক সকলৰ যদি কোৱালিফিকেশ্যনৰ খবৰ যদি লও, তাত টেট পাছ নকৰাখিনি আছে। টেট পাচ কৰাখিনি আমাৰ চৰকাৰী স্কুলসমূহত এবজৰ্ব হৈ আছে। প্ৰাইভেট স্কুলৰ দৰমহা ৩ হাজাৰ, ৭ হাজাৰ বৰবেছি ১২-১৪ হাজাৰ টকালৈ পায়। কিন্তু আমাৰ চৰকাৰী অনুষ্ঠানত যি সকলে টেট পাচ কৰি চাকৰি কৰি আছে , ২৫হাজাৰৰ ওপৰত দৰমহা পাই আছে। কোনোবাই ৩০ হাজাৰ,কোনোবাই ৩৫ হাজাৰ পাই আছে। কিন্তু দুৰৱস্থাটো ক'ত বুলি কলে অধ্যক্ষ মহোদয়, মোৰ গাওঁ অঞ্চলত যিসকল শিক্ষকে শিক্ষা প্ৰদান কৰি আছে তেওঁলোকক সুধিছিলো। তেওঁলোকে কৈছে- আমি স্কুলটোত গৈ পোৱাৰ পিছত, পৰিৱেশটো পোৱাৰ পিছত নিজেই হতাশ হৈ যাওঁ। ৫ টা শ্ৰেণী , এটা ক্লাচৰুম ।এটা শ্ৰেণীক ইফালে মুৰ কৰি আৰু আন টো শ্ৰেণীক সিফালে মুৰ কৰি বহুৱাবলগীয়া হয় ।দুজন শিক্ষক, তাতে যদিএজন হেডমাষ্টৰ হয়, তেওঁ চৰকাৰী কাম-কাজবোৰৰ কাৰণে জিলাত দৌৰি থাকিব লাগে। শিক্ষাৰ যিটো পৰিৱেশ, সেই পৰিৱেশটো নোপোৱাৰ কাৰণে তেখেত সকলে ভালকৈ পঢ়াম বুলি যিমান আশা কৰে সেইমতে পঢ়াব পৰা নাই ।অধ্যক্ষ মহোদয়,মিচিং স্বায়ত্বশাসিত পৰিষদৰ এটা প্ৰগ্ৰেমৰ কাৰণে তামিলনাডু পণ্ডীচেৰীৰ ওচৰত 'অৰ'বল' বুলি এটা কেম্পাচত গৈ মই এক সপ্তাহ থাকি আহিছো। তাত দেখিছো

সৰু সৰু স্কুল ইমান ধুনীয়াকৈ বনাই থৈছে, ইনফাষ্ট্ৰাকচাৰ ইমান সুন্দৰ, সৰু সৰু লৰা-ছোৱালী বিলাকে পঢ়ি ভাল পায়, খেলা-ধূলাৰ পৰিৱেশ এটা দি দিছে। মই তেওঁলোকক সুধিছিলো হোৱাট ইজ দা কনচেপ্ত ? তেখেত সকলে কৈছে যে লৰা-ছোৱালীক এনেকুৱা এটা পৰিৱেশ দিবলাগে যাতে মাক-দেউতাকে পিটি-পিটি স্কুললৈ পঠিয়াব নালাগে। লৰা-ছোৱালীয়ে শুই উঠিয়েই স্কুললৈ যোৱাৰ আগ্ৰহ থকাকৈপৰিৱেশ এটা দিব লাগে। বজাৰত ২০ হাজাৰ টকা দিলে ৩৫" ৩২" ৰ ভাল ভাল টিভি পাই। electricity ৰ main problem । মাননীয় অধ্যক্ষ মহোদয়, গুৰুত্বপূৰ্ণ কথা যে এই কেইদিন আমাৰ সমষ্টিবোৰত Agriculture department তে 2hp সৌৰশক্তি মটৰ পাম চেট চলাবলৈ ২ লাখ টকাৰ সামগ্ৰীটো ১৬,১৩২ টকাত subsidy ত দি আছে। গতিকে আমাৰ এল পি স্কুলবোৰত এই ১৬ হাজাৰ টকাতকৈ আৰু কম হব, তাত দুখন ফেন, ২,৩ লাইট জ্বলাব লাগে আৰু পানীৰ সৰু .৫ hp ৰ মটৰ এটা উঠাব লাগে। আমি যদি প্ৰত্যেক গ্ৰাম্য স্কুল বিলাকত subsidy সৌৰশক্তি চ'লাৰ লগাই দিওঁ, তেতিয়া হলে প্ৰত্যেকখন গ্ৰাম্যঅঞ্চলৰ স্কুলবোৰে দিনটো লাইন আৰু ফেন আৰু পানীৰ ব্যৱস্থাটো পাব। মাননীয় অধ্যক্ষ মহোদয়, শেষত মই অনুৰোধ জনাইছো এনেকৈ innovatively পেপাৰত যেতিয়া পাওঁ, দিল্লীৰ চৰকাৰে গোটেই পাচঁ বছৰত দিল্লীৰ চৰকাৰী স্কুলবোৰক ব্যক্তিগত স্কুলবোৰৰ লগত সমানে তুলনা কৰিব পৰাকৈ সক্ষম হৈছে বুলি খবৰটো পাওঁ, কিমান সত্য বুলি প্ৰমানিত হৈছে মই নাজানো, মই গৈ পোৱা নাই। কিন্তু খবৰ বাতৰি যেতিয়া পাওঁ মনবোৰ ভাল লাগে। চৰকাৰে ইচ্ছা কৰিলে পাৰিব বুলি মই ভাৱো। মই সেইকাৰনে আমাৰ চৰকাৰক ৯৮০ কোটি infrastructure ৰ কাৰণে স্কুলবোৰৰ গুণোউৎসব পাতি জনগনক যেতিকৈ involve কৰিছে, অভিভাৱক, অঞ্চলৰ ৰাইজক involve কৰি স্কুলবোৰক পৰিবৰ্তন আনিছে, মই চৰকাৰক তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। শেষত যিখিনি ভেঞ্চাৰ স্কুল শিক্ষক কিমান বছৰ বছৰ খাতি আছে, সিহতঁৰ দুখৰ দিনটো শেষ কৰি এতিয়া ভাল দিনলৈ আনি দিয়াৰ কাৰণে ধন্যবাদ জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ Thank you. এতিয়া মই মাননীয় সদস্য ৰাজেন বৰঠাকুৰ তাৰ পিছতে নুৰুল হুডা।

**শ্ৰী ৰাজেন বৰঠাকুৰ, ৰাঙাপাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষাৰ ক্ষেত্ৰত ৪৭০৫০.২৩ টকা অনুমোদন বিচাৰিছিল। তাত বিৰুদ্ধে পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে, এই কৰ্তন প্ৰস্তাৱক বিৰোধীতা কৰি মই তেখেতসকলক এই প্ৰস্তাৱ উঠাই লৈ শিক্ষাবিভাগত নিয়মীয়াকৈ কাম কৰি অহাৰ সুযোগ দিবলৈ মই পুনৰ তেখেতসকলক অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ সন্মানীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত আৰু বৰ্তমান শিক্ষামন্ত্ৰী সন্মানীয় শ্ৰীযুত সিদ্ধাৰ্থ ভট্টচাৰ্যৰ যি দুৰদৰ্শী পৰিকল্পনা, এই পৰিকল্পনাৰ মাজৰে শিক্ষা বিভাগে অসমক এক ঐতিহাসিক ৰূপ দিবৰ কাৰণে আগবাঢ়িছে এই কথাটো আমি সকলোৰে স্বীকাৰ কৰিব লাগিব। যে স্কুল প্ৰাদেশীকৰণ বা গুণোউৎসৱ ধাৰাবাহিকতাৰ ৰক্ষা কৰাৰ ক্ষেত্ৰতে হওঁক শিক্ষকসকলক মাহিলী বেতন নিয়মমতে তেখেতসকলক দিয়াৰ ক্ষেত্ৰতে হ'ওক, বিদ্যালয়সমূহত বছৰেকীয়া নিময়মীয়া পুজি বিতৰণ কৰাৰ ক্ষেত্ৰতে হওঁক, আজি এই বিভাগটো যি পদক্ষেপ গ্ৰহণ কৰিছে, আচলতে আমি আগলৈ যদি ঘুৰি সকলোৰে চাওঁ, তেনেতে শিক্ষা বিভাগে কেতিয়া কৰপৰা কেনেধৰণে আগ্ৰসৰ হৈছে। তাৰ সম্পূৰ্ণ চিত্ৰখন সকলোৰে মানস পতত ভাহি উঠিব। হয় শিক্ষা বিভাগ এনেধৰণৰ বিভাগ যি বিভাগে এটা মানৱ জাতিক বা এখন দেশক বা এখন সমাজক স্থীৰ কৰাৰ ক্ষেত্ৰত এক নতুন পৰিকল্পনাৰ মাজৰে ইয়াক অগ্ৰসৰ কৰিব লাগিব। এই অগ্ৰসৰক

প্ৰাধ্যন্য দি আমি যিধৰণে আগৰ পৰা কৈ আছো যে ছাত্ৰ-ছাত্ৰী অভিভাৱক বা সমাজ আমি সকলোৱে একত্ৰিত হৈ শিক্ষাৰ ব্যৱস্থাটোক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আমি নিজাববীয়াকৈ পৰিকল্পনা ৰচনা কৰাৰ এক সময় আহি পৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ব্যক্তিগত হিচাপে যদি মোক কোনোবাই সোধে যে আপুনি জন্ম লৈ কি কাৰণ গৌৰৱ অনুভৱ কৰে, কোন ক্ষেত্ৰত আপুনি গৌৰৱ অনুভৱ কৰে। তেন্ত মই কম যে মোৰ পিতৃ শিক্ষক আছিল আৰু তাৰ কাৰণে মই প্ৰথম গৌৰৱ আৰম্ভ কৰো। কাৰণ মোৰ পিতৃয়ে সদায় শিক্ষাৰ ক্ষেত্ৰত নিজক অগ্ৰাধিকাৰ দিছিল আৰু স্কুল প্ৰাদেশীকৰণ কৰাৰ আগত মোৰ পিতৃয়ে ভেঞ্চাৰস্কুল প্ৰতিষ্ঠা কৰিছিল। আৰু তেখেতে তিনিখন ভেঞ্চাৰ স্কুল যেতিয়া প্ৰাদেশীকৰণ হৈছিল তেখেতে এইখন এৰি সেইখনৰ ঠাইত স্কুল পাতিবৰ কাৰণে তেখেতে নিজৰ মনোনিবেশ কৰিছিল, এইটো এতিয়াৰ কথা নহয়, যেতিয়া অসমত শিক্ষাৰ ব্যৱস্থাতো একেবাৰে অনগ্ৰসৰ আছিল ঠিক ধৰণৰ অৱস্থাতে। চাহ জনজাতীয় ভাই সকলৰ মাজতে হওঁক, সংখ্যালঘু ভাই সকলৰ মাজতে হওক মোৰ পিতৃয়ে স্কুল স্থাপন কৰাত যথেষ্ট গুৰুত্ব তেখেতে সেই সময়ৰ পৰা দিছিল। মই নিজে এজন ভেঞ্চাৰ স্কুলৰ ছাত্ৰ মাননীয় অধ্যক্ষ মহোদয়, মই বেলেগ স্কুলত পঢ়িব পাৰিলোহেতেন। কিন্তু মোৰ পিতৃয়ে সেইখন স্কুল স্থাপন কৰি কৈছিল যে মোৰ লৰাই যদি সেইখন স্কুলত পাঠ গ্ৰহণ নকৰে। তেনেহলে বেলেগৰ লৰা - ছোৱালীয়ে কিয় পাঠ গ্ৰহণ কৰিব। এনেধৰণৰ শিক্ষাৰ ব্যৱস্থাই এটা সময়ত অসমৰ প্ৰত্যেকটো সামাজিক ব্যৱস্থালৈ ৰূপান্তৰিত হৈছিল। আজি শিক্ষকসকলে সমাজ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আমি প্ৰত্যেকে তেখেতসকলৰ নিজস্ব নিজস্ব পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অসমত এনেধৰণৰ সন্মানীয় ব্যক্তি এতিয়াও বহুত আছে। আমি কেনেকৈ নিজৰ স্কুলবিলাক স্থাপন কৰিব পাৰিম তাৰ ওপৰত বেছিকৈ গুৰুত্ব দিব লাগিব। আচলতে যিবিলাক চৰকাৰীকৰণৰ স্কুল তাত ছাত্ৰ-ছাত্ৰী কি কাৰণ হ্ৰাস হৈছে, এই কথাবিলাক আমি বেছিকৈ গুৰুত্ব দিব লাগিব। মই যদি শিক্ষক হোৱাৰ পিছতে মোৰ লৰাটো নিজৰ স্কুলখনত পঢ়াব নোৱাৰো, মোৰ স্কুলৰ খনৰ ওপৰত বিশ্বাস নাই। মাননীয় অধ্যক্ষ মহোদয়, কেনেধৰণৰ শিক্ষা ব্যৱস্থা আগবাঢ়ি যাব এইটো আচলতে আমি ভাৰি লব লগীয়া কথা আহি পৰিছে। আজি প্ৰতিযোগিতামুলক সময় আহি পৰিছে, এই প্ৰতিযোগিতাৰ মাজৰে নিজৰ লৰা-ছোৱালীক সংস্থাপিত কৰিবৰ কাৰণে প্ৰত্যেক জন নাগৰিকে নিজস্ব নিজস্ব পৰিকল্পনা কৰিবই লাগিব। আজি চৰকাৰী স্কুলসমূহত এই প্ৰতিযোগিতাৰ পৰিৱেশ পাব নে নাপাব। এই পৰিবেশৰ কাৰণে দায়ি কোন এই কথাবিলাক সমাজ ব্যৱস্থাৰে চিন্তা কৰিব লাগিব। আজি পৰিচলনা সমিতি বিলাক গঠন কৰা হয় মাননীয় অধ্যক্ষ মহোদয়, আজি শুনি আচৰিত হব যে পৰিচলনা সমিতি গঠন কৰাৰ ক্ষেত্ৰত বহু ঠাইত ভোট দিব লগীয়া হয়। আজি বহু ইয়াতে সন্মানীয় বিধায়কসকল আছে তেখেতসকলক ৰাতি এক দুই বজাত গাড়ী ভাড়া কৰি লৈ যায় কয় যে এখেতক পৰিচালনাৰ সভাপতি পাতিব লাগে, বেলেগেক পাতিব নালাগে। ইয়াৰ কাৰণ কি ? মাননীয় অধ্যক্ষ মহোদয়, সেইবিলাক আমি বিশ্লেষণ কৰি চাব লাগিব। আজি বাগান স্কুলৰ কথা ইয়াত উত্থাপন হৈছে। মোৰ ৰাঙাপাৰা সমষ্টিত **৩৩** খন বাগান স্কুল আছে। এই **৩৩** খন বাগান স্কুল প্ৰাদেশীকৰণ নহ'ল। কিয় নহ'ল সভাপতি মহোদয় ? কিয় হোৱা নাই মই বিশ্লেষণ কৰিছো। এটা কথাৰ কাৰণে হোৱা নাই সভাপতি মহোদয়, যে ইয়াত অসম চাহ কৰ্মচাৰী সংস্থাই আদালত কেচ দি বন্ধ কৰাইছে। বেলেগত নাজানো, কিন্তু শোণিতপুৰ জিলাত কেচ দি স্কুল সমূহ বন্ধ কৰি ৰাখিছে। এই বন্ধ স্কুল বিলাকত কেনেকৈ শিক্ষা বিভাগে নিজাববীয়াকৈ পদক্ষেপ গ্ৰহণ কৰিব। আমি চাহ কৰ্মচাৰী সংস্থাৰ লগত আলোচনাৰ কৰাৰ সিদ্ধান্ত লৈছো। ইয়াত আজি মই শিক্ষামন্ত্ৰীক অনুৰোধ জনাম যে এই চাহ কৰ্মচাৰী সংস্থাৰ ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ বিকাশ কৰিবৰ কাৰণে স্কুল প্ৰাদেশীকৰণ

কৰিব নালাগে। কিন্তু চৰকাৰে এটা ব্যৱস্থা গ্ৰহণ কৰক। এটা আইন আনক, কেবিনেটত সিদ্ধান্ত লওঁক এই বিদ্যালয় সমূহত আমাৰ অতিৰিক্ত যিবিলাক শিক্ষক আছে য'ত **৮** জন লৰা-ছোৱালী **১৪** জন শিক্ষক তাৰ পৰা শিক্ষক নি বাগান স্কুলত শিক্ষক দিয়াৰ কাৰণে নতুন পৰিচালনা, আমি ৰচনা কৰিব লাগিব। নহলে এটা চাম হেৰুৱাই পেলাম। মাননীয় অধ্যক্ষ মহোদয়, আমি সমান্তৰাল হিচাপে যদি এই চাহ জন-জাতীয় ভাই সকলৰ লৰা-ছোৱালীক শিক্ষিত কৰিব নোৱাৰো। এইটো সচাঁ কথা যে তেখেতসকলক বাগানৰ যিজন বাবুৰ বেমাৰী হয়, যিজন বাবুৰ বাগানত কৰ্ম কৰিবৰ কাৰণে অক্ষম হয়, তেওঁক শিক্ষা বিভাগলৈ ঠেলি দিয়া হয়। এই কথাবিলাক আচলতে আমি আইনগতলৈ পৰিনত কৰি কোনোও যাতে আমাৰ ওপৰত কেচ দিব নোৱাৰে ঠিক তেনেকুৱা ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰৰ শিক্ষা বিভাগৰ সকলোতকৈ ডাঙৰ এটা সাফল্য যে সময়মতে বিনামুলীয়া কিতাপ প্ৰদান কৰাতো। অসমত যে ইমান মাধ্যমৰ শিক্ষা আছে, প্ৰায় **২২** টা মাধ্যমৰ জৰিয়তে গোটেই অসমখনত শিক্ষা প্ৰদান কৰিব লাগে। আজি সময়মতে তিনিটা বছৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত পাঠ্যপুথি অসম প্ৰকাশন নিগমে যেনেধৰনত ৰাইজে বা ছাত্ৰ-ছাত্ৰীয়ে বিচৰাৰ আগতে কিতাপ দিব পাৰিছে। সেইটো কাৰণে আমি আজিৰ তাৰিখত তেখেতেক অভিনন্দন জনাম।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ শুনি ভাল পাইছিলো কিন্তু সময় বহুত কম আজি। বেছি নলব, চুটি কৰক। পিছত বাৰু আকৌ শুনিম।

**শ্ৰী ৰাজেন বৰঠাকুৰ ঃ** অধ্যক্ষ মহোদয়, বিশেষ কথা আচলতে নাই, শিক্ষাৰ সন্দৰ্ভক লৈ আচলতে বিধান সভাত এটা অতিৰিক্ত দিনত কোনো ধৰণৰ কৰ্তন প্ৰস্তাৱ নহয়, অতিৰিক্ত দিনত আলোচনা কৰাৰ সুযোগ আপুনি নিশ্চয় এটা সময়ত সকলোকে গ্ৰহণ কৰাব লাগে। কাৰণ আমি সকলোৰে ইয়াৰ উপৰত আচলতে এক্টিভ হ'ব লাগিব। মোৰ বক্তব্য দি মই ইয়াৰ পৰা ওলাই যোৱাটোৰে মোৰ দায়িত্ব সামৰি পেলাব নালাগিব শিক্ষা বিভাগৰ ক্ষেত্ৰত। গতিকে মই বিৰোধী সকলকো কওঁ যে যোনে দায়িত্ব লৈছিল তেখেত সকলে কৈছে, কমচে কম তেখেত সকলৰ ধৰ্য্য নিশ্চয় থাকিব লাগিব শিক্ষা বিভাগৰ ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই উত্তৰ নিদিয়া পৰ্যান্ত। গতিকে মই আজি আৰু দীঘলীয়া নকৰো। সময় আৰু সুবিধা মিলাই নিশ্চয় আমি শিক্ষা বিভাগৰ কথা আলোচনাা কৰিম, এটা কথা সকলোৰে স্বীকাৰ কৰে যে আমি মাত্ৰ ৭৩ শতাংশ ৰ ওপৰত আমি শিক্ষাৰ হাৰত আমি এতিয়াও যথেষ্ট অগ্ৰসৰ হ'ব লগীয়া আছে। ইয়াৰ মুল কাৰণ সমূহ আছে, সংখ্যালঘু ৰাইজৰ ঠাই সমূহত শিক্ষা উন্নত কৰিব লাগিব, চাহ জনজাতিৰ ঠাই সমূহত আমি উন্নত কৰিব লাগিব, আমি বিভিন্ন জনগোষ্ঠীৰ অঞ্চল সমূহ উন্নত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হওঁক শিক্ষা মন্ত্ৰী ডাঙৰীয়াক এই পৰামৰ্শৰে পুনৰ কৰ্তন প্ৰস্তাৱ বিৰোধীতা কৰিছো আৰু যি সকলে কৰ্তন প্ৰস্তাৱ আনিছে তেখেত সকলৰ কৰ্তন প্ৰস্তাৱ উঠাই লৈ শিক্ষাক অগ্ৰসৰ হ'বলৈ এক নতুন পৰিকল্পনা আগবাঢ়িবৰ সুযোগ দিবৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ইয়াৰ পিছত নুৰুল হুদাই ক'ব। মই আপোনাক এটা কথা কও, আপুনি অলপ দেৰিকৈ জইন্ট কৰিলেটো ইয়াত আহি, অলপ দেৰি হ'ল আপুনি ইয়াত অহা। আমি প্ৰকৃততে শিক্ষা বিভাগৰ ওপৰত details আলোচনাও কৰিছিলো। এইটো কথা আমি পিছত কেতিয়াবা এই সদনৰ পিছত বহিম। এতিয়া নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে মই কব ওলাইছো।

**মাননীয় অধ্যক্ষ ঃ** সময় ১০ মিনিট দে।

**শ্ৰী নুৰুল হুদা ঃ** শিক্ষা অনুষ্ঠান সমূহ হৈছে জ্ঞানৰ মন্দিৰ, আৰু এই জ্ঞান আৰু মন্দিৰত প্ৰৱেশ কৰি আমাৰ ভৱিষ্যতৰ প্ৰজন্মই মানৱ সম্পদ হিচাপে চিহ্নিত হোৱাৰ লক্ষ্যৰে বিদ্যালয়লৈ যায়। এই বিদ্যালয় সমূহত বা শিক্ষা অনুষ্ঠান সমূহত শৈক্ষিক বাতবৰণ, গুণগত শিক্ষা আৰু আন্ত গাঠনি যদি উন্নত নহয় তেতিয়াহলে আমাৰ এই নৱপ্ৰজন্মৰ মানৱ সম্পদৰ যিটো ধাৰণা এই ধাৰণাটো নৎসাত হৈ যাব। মই আপোনাৰ জৰিয়তে কব বিচাৰিছো যে পৰিবৰ্তনৰ চৰকাৰ খনে শিক্ষাৰ পৰিবৰ্তনত যিটো যোৱাৰ আনিছে এই জোৱাৰত দেখা গৈছে যে শিক্ষা বিভাগটো বিধস্তহোৱাৰ দিশে আগবাঢ়ি গৈছে। উদাহৰণ স্বৰূপে কব লাগিব যে ২০০১ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আছিল ৩৩.২৮ শতাংশ আৰু ২০১৬ চনত এই ফলাফল গৈ পাইছিল ৬২.৭৯ শতাংশ। তাৰমানে এই ১৫ বছৰত প্ৰায় ৪০ শতাংশ অগ্ৰগতি হৈছে। কিন্তু যি সকলে কৈ থাকে যে ১৫ বছৰত চৰকাৰে কি কৰিলে, মই এইটোৱে কব বিচাৰিছো যে ১৫ বছৰে চৰকাৰে ৩৩.২৮ শতাংশৰ পৰা ৬২.৭৯ শতাংশলৈ শিক্ষা বিভাগত উৰ্ত্তীনৰ হাৰ অগ্ৰগতিৰ দিশে আগবঢ়াই লৈ গৈছে আৰু ৪০ শতাংশ অগ্ৰগতি হৈছে। ২০০১ চনত আছিল ৩৩.২৮, তাৰ এটা বছৰৰ পিছতে ৪০.৮৭ লৈ আগবাঢ়ি গৈছিল। এটা বছৰতে সেই চৰকাৰে ৭.৫৯ শতাংশ আগবাঢ়ি লৈ গৈছিল। কিন্তু দেখা গ'ল ২০১৬ চনত সেই চৰকাৰে দায়িত্ব এৰাৰ পিছত ৰিজাল্ট হ'ল ৬২.৭৯ শতাংশ। তাৰপিছত একবছৰ পিছত ২০১৭ দেখা গৈছে নামি আহি ৪৭.৫৪ শতাংশলৈ। এটা বছৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ১৪.৮৫ শতাংশলৈ নামি আহিছে। গতিকে অধ্যক্ষ মহোদয়, মই এইটো কব বিচাৰিছো আজি এইটো কিহৰ কাৰণে হৈছে? নিশ্চয় এই কথাখিনি আমি অলপ আলোচনা কৰিব লাগিব। আজি আমাৰ শিক্ষাৰ এটা প্ৰতিযোগিতা আছিল আৰু সেই প্ৰতিযোগিতাটো ক্ৰমশ নাইকীয়া হৈ যাব ধৰিছে। এই শিক্ষাৰ প্ৰতিযোগিতা সৃষ্টি কৰাৰ কাৰণে পূৰ্বৰ চৰকাৰে যিবিলাক আঁচনি লৈছিল সেই আঁচনি বিলাক কাৰ্য্যত পৰিণত নোহোৱাৰ বাবে আজি এই অৱস্থা হ'ব ধৰিছে। আপুনি যদি চাই আমাৰ যিটো কিতাপ দিয়াৰ আঁচনি আছিল, এই কিতাপ সমূহ শিক্ষাবৰ্ষ আৰম্ভণিৰ লগে লগে গৈ নাপায়। গতিকে আমি এইটো বিচাৰো যে শিক্ষা বৰ্ষ আৰম্ভ হোৱাৰ এসপ্তাহ আগতে যাতে বিদ্যালয় সমূহত কিতাপবিলাক যোগান দিয়া হয়, এই ব্যৱস্থা চৰকাৰে কৰিব লাগে। দ্বিতীয়তে, আমাৰ যিবোৰ ইউনিফ্ৰম দিয়া হৈছিল সেইবোৰৰ যিটো পইচাটো স্কুল মেনেজমেন্ট কমিটিক দিয়া হৈছিল আৰু সেই কমিটিয়ে টেণ্ডাৰ কল কৰি থলোৱা সকলক, আত্মাসহায়ক গোট হওঁক বা এন জি অ' সকলক দিছিল। তেওঁলোকে সেই ইউনিফ্ৰম কাপোৰ বিলাক যোগান ধৰিছিল। কিন্তু বৰ্তমান এই পৰিবৰ্তনকামী চৰকাৰে কৰিলে যে এন জি অ' সকলক আৰু স্কুল মেনেজমেন্ট কমিটিক নিদি বহিৰাগত কোম্পানীক দিয়াৰ কাৰণে ব্যৱস্থা ললে। যাৰ কাৰণে উচ্চতম ন্যায়ালয়ত কেছ হ'ল আৰু এই ইউনিফৰ্ম দিয়াটো বন্ধ হৈ থাকিল। আজি দুখীয়া ছাত্ৰ-ছাত্ৰী সকলে এই ইউনিফৰ্মৰ পৰা বঞ্চিত হৈ আছে। আজি এনেধৰণৰ অৱস্থা হৈছে আমাৰ গাঁৱৰ লৰা-ছোৱালী বিলাকক, দুখীয়া ঠেলাৱালা, ৰিক্সাৱালাৰ লৰা-ছোৱালী বিলাকক তেওঁলোকে স্কুললৈ পঠিয়াব নোৱাৰা হৈছিল। কাৰণ তেওঁলোকে খাদ্য দিব নোৱাৰে, কাপোৰ দিব নোৱাৰে। সেই কাৰণে কাৰোবাৰ ঘৰত কাম কৰিবৰ বাবে পঠিয়াইছিল, আজি এই খাদ্য, কিতাপ আৰু ইউনিফৰ্ম এইবিলাক দিয়াৰ পিছত ছাত্ৰ-ছাত্ৰী সকল বিদ্যালয়লৈ আহিছিল, শিক্ষাৰ এটা প্ৰতিযোগিতা আৰম্ভ হৈছিল। কিন্তু এই যেতিয়া বন্ধ হৈ গ'ল আমাৰ দুখীয়া লোক সকলৰ মনত এটা বেজাৰ আহি গ'ল তেওঁলোক আজি শিক্ষা অধ্যয়ণৰ ক্ষেত্ৰত পিছ পৰি আছে। আমাৰ প্ৰথম শ্ৰেণীত উৰ্ত্তীন্ন হোৱা ছাত্ৰ-ছাত্ৰী সকলে আগতে এটা লেপটপ বা কম্পিউটাৰ পাইছিল। আজি প্ৰথম শ্ৰেণীত উৰ্ত্তীন্ন হোৱা ছাত্ৰ-ছাত্ৰী সকলে লেপটপ বা কম্পিউটাৰটো নাপায়। আজি সেই

প্ৰতিযোগিতাটো নাইকিয়া হৈ গৈছে। যাৰ কাৰণে নিম্নগামী হ'ব ধৰিছে। আজি আমাৰ অসমত এতিয়ালৈকে গুণগত শিক্ষাটো আৰম্ভ কৰিব পৰা নাই। ৩০ঃ১ ৰ যিটো অনুপাত আছিল সেইটো চৰকাৰে কৰিব পৰা নাই। এতিয়া আমাৰ ২৬৮৩ খন এজনীয়া শিক্ষকৰ বিদ্যালয় আছে। এনেকুৱা বিদ্যালয় আছে যে ২০০ বা ২৫০ ছাত্ৰ-ছাত্ৰী আছে আৰু শিক্ষক আছে মাথো এজন। এই ২০০ বা ২৫০ ছাত্ৰ-ছাত্ৰীক এজন শিক্ষকে ৰখিয়া হৈ থাকিব নে তেওঁলোকক শিক্ষাদান দিব। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো যে আমাৰ ২৬৮৩ খন প্ৰাথমিক বিদ্যালয়ত এজনকৈ শিক্ষক আছে, এই এজনীয়া শিক্ষকৰ ঠাইত অনুপাতৰ ভিত্তিত ৩০ঃ১ যিটো, সেই অনুপাতৰ ভিত্তিত শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি আৰু এটা ডাঙৰ কথা হৈছে আজি আমাৰ সমাজৰ প্ৰয়োজন অনুভৱ কৰি এনেকুৱা কিছুমান মানুহ লগ লাগি কপালৰ ঘাম মাটিত পেলাই বহুত কষ্ট কৰি, বহুত ত্যাগ কৰি শিক্ষা আগবঢ়াবৰ কাৰণে নতুন শিক্ষানুষ্ঠানৰ সৃষ্টি কৰিছে। কিছুমান ভেঞ্চাৰ স্কুল বনাই আমাৰ স্থানীয় যিসকল শিক্ষিত যুৱক-যুৱতী আছে তেওঁলোকক দি স্কুলটো চলাই আছিল। কিন্তু দেখা গ'ল আমাৰ ২০০৬ চনৰ পিছত ১৩৭০ খন ভেঞ্চাৰ স্কুল আছে। আজি এই ১৩৭০ খন ভেঞ্চাৰ স্কুল প্ৰদেশিকৰণ নকৰাৰ কাৰণে আজি সেই বিদ্যালয় সমূহত গুণগত শিক্ষা দিব পৰা নাযায়। গতিকে মই অনুৰোধ কৰিছো যে আমাৰ ভৰিষ্যৎ প্ৰজন্মক মানৱ সম্পদ গঢ়াৰ স্বাৰ্থত এই ১৩৭০ খন স্কুল প্ৰাদেশীকৰণ কৰি শিক্ষাৰ এক জাগৰণ সৃষ্টি কৰাৰ কাৰণে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা দুখ লগা কথা আমাৰ যিবিলাক বিষয় শিক্ষক এই বিষয় শিক্ষক বিলাক নিযুক্তি দিয়া নাই। কিছুদিন আগতে মই মাননীয় মন্ত্ৰী মহোদয়লৈ এখন আবেদন পঠিয়াইছিলো। মোৰ সমষ্টিৰ জুৰীয়া হাইচেকেণ্ডাৰী খনত ১৬ টা পোষ্ট খালী হৈ আছে। ১৬ টা পদ যদি এখন বিদ্যালয়ত খালী হৈ থাকে তেতিয়াহলে তাৰ শিক্ষা ব্যৱস্থাটো কেনেকৈ ঠিকেই থাকিব? গতিকে খালী পদবোৰ অনতিপলমে পূৰণ কৰিব লাগে। আৰু এটা ডাঙৰ সমস্যাৰ সৃষ্টি কৰি থৈছে, যে যিবিলাক বিষয় শিক্ষক, যিবিলাক আৰবী শিক্ষক সেই আৰবী শিক্ষক সকলক নিযুক্তি দিয়াৰ কাৰণে সংৰক্ষণ কৰি থৈ দিছে। আৰবী বিষয়ৰ শিক্ষক সংৰক্ষণ কৰি ৰাখিছে এচ চি, এচ টি ৰ কাৰণে। মই ২০১৭ চনত এই সদনত প্ৰশ্ন কৰিছিলো যে ২০ টা বছৰত এচ চি আৰু এচ টি ৰ কিমান মানুহ আৰবী বিষয়ত ডিগ্ৰী লাভ কৰিছে? চৰকাৰে উত্তৰ দিলে তথ্য তেওঁলোকৰ হাতত নাই। যদি তেওঁলোকৰ হাতত তথ্য নাই, বিনা তথ্যত কেনেকৈ তেওঁলোকে এচ চি, এচ টি ৰ সংৰক্ষণ কৰিলে? তাৰমানে ইয়াত এটা গোপন ৰহস্য সোমাই আছে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো আৰবী শিক্ষাৰ ক্ষেত্ৰত যিটো এচ চি, এচ টি ৰ সংৰক্ষণ, সেই সংৰক্ষণটো প্ৰত্যাহাৰ কৰিব লাগে। কাৰণ এচ চি আৰু এচ টি ৰ মানুহে আৰবী শিক্ষা নলয়, গতিকে আৰবী বিষয়ৰ পদবোৰ খালী হৈ পৰি আছে যাৰ কাৰণে এই শিক্ষাৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰী সকল বঞ্চিত হৈ আছে। গতিকে এইটো প্ৰত্যাহাৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Try to conclude now.

**শ্ৰীনুৰুল হুদা(ৰূপহীহাট)ঃ** অধ্যক্ষ মহোদয়, এনেকুৱা বহু বিদ্যালয় আছে য'ত আন্তগাথঁনিৰ অভাৱ হৈ আছে। ছাত্ৰ ছাত্ৰীসকলক উপযুক্ত শিক্ষা দিয়াৰ ব্যৱস্থা নাই। এটা অনুৰোধ কৰিব বিচাৰিছো ছাৰ, আমাৰ Higher Education ৰ কথাটো ক'ব নালাগে বুলি কৈছে। অসমত ৫০ খন কলেজত বিজ্ঞান শিক্ষা আৰম্ভ কৰা হ'ল। ৰূপহী মহাবিদ্যালয়ত প্ৰায় আঢ়ৈ হাজাৰ ছাত্ৰ-ছাত্ৰী আছে, আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞানটো পঢ়াৰ কাৰনে আমি privately বিজ্ঞান শাখা চলাই আছিলো। আমি

চৰকাৰক বহু কেইবাৰ আৰ্জি কৰিলো কিন্তু আজিলৈকে আমাক বিজ্ঞান শাখাটো নিদিলে। ৫০ খন কলেজত বিজ্ঞান শাখা যিটো দিলে, তাত হাতীচোং মহাবিদ্যালয় আছিলে কিন্তু আজি ২ বছৰ হ'ল হাতীচোং মহাবিদ্যালয়ে বিজ্ঞান শাখা খুলিব পৰা নাই। য'ত infrastructure, Laboratory নাই তাত বিজ্ঞান শাখা দিয়ে আৰু য'ত infrastructure, Laboratory আছে তাত বিজ্ঞান শাখাটো নিদিয়ে। ৰূপহী মহাবিদ্যালয়ত infrastructure, Laboratory আছে কিন্তু বিজ্ঞান শাখা দিয়া নাই। হাতীচোং মহাবিদ্যালয়ে বিজ্ঞান শাখা কৰিব পৰা নাই। মই অনুৰোধ জনাইছো আপোনাৰ জৰিয়তে আপুনি এবাৰ গৈ ৰূপহী মহাবিদ্যালয় পৰিদৰ্শন কৰক। তাত গ'লে দেখা পাব তাত কিমান ছাত্ৰ- ছাত্ৰী আছে। এইখিনি যদি নকৰে মানৱ সম্পদ সৃষ্টি নহ'ব গতিকে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে আজি উত্তৰ দিব নোৱাৰে। ..... আপুনি জনাইছে এইটো ভাল কৰিলে। ...সময় কম আপুনি conclude কৰক।

**শ্ৰীনুৰুল হুদা(ৰূপহীহাট)ঃ** ঠিক আছে ছাৰ। আৰু এটা কথা ছাৰ, হিন্দী শিক্ষকসকলক নিযুক্তি দিছে দৰমহা দিয়া নাই, চাকৰি নিয়মীয়াকৰণ কৰা নাই। কেনেকৈ তেওলোকে শিক্ষাদান কৰিব? গতিকে এইটো চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, সমস্যা আছে, সময়ৰ কথা আছে। আমি প্ৰতিটো দলকে Time Allotment কৰি দিছিলো , ...... এতিয়া শেষ কৰক।.......... এতিয়া আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনাই অতি সংক্ষেপে দুটামান কথা ক'ব বিচাৰিছো। Sir, Right to Education,2009 মতে প্ৰতি ১ কি.মি মুৰে মুৰে এখনকৈ প্ৰাথমিক বিদ্যালয় আৰু প্ৰতি ৩ কি.মি অন্তৰে অন্তৰে মাধ্যমিক বিদ্যালয় আৰু ৫ কি.মি মুৰে মুৰে ১খনকৈ হাই স্কুল থাকিব লাগে। এই Right to Education,2009 মতে আমি যেতিয়া কৰ্মশালা পাতিছিলো তেতিয়া তাত এই কথাটো কোৱা হৈছিল যে যিকোনো ১৪ বছৰ তলৰ এজন ছাত্ৰ বা ছাত্ৰীয়ে যদি তেওঁৰ প্ৰাথমিক মৌলিক অধিকাৰৰ পৰা বঞ্চিত হয় তেতিয়া তাৰ বাবে আইনগতভাবে দায়বদ্ধ হ'ব লাগে। যদিহে তেওঁৰ nearest কোনো School নাই তেনেহ'লে দায়বদ্ধ হ'ব চৰকাৰ আৰু আইনৰ আওতাত পৰিব। যদি তেওঁৰ অভিভাৱকে স্কুলত দিয়া নাই তেন্তে অবিভাৱক জগৰীয়া হ'ব। আৰু যিসকল নাইবাৰিং তেওৰ আছে পঞ্চায়ত প্ৰেছিডেন্ট, কাউন্সিলৰ পৰা আৰম্ভ কৰি প্ৰত্যোকে দায়বদ্ধ হ'ব যিহেতু এলিমেন্টৰি এডুকেশ্যনটো ১৪ বছৰৰ তলৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ মৌলিক অধিকাৰ Right to Education Act মতে কৰা হৈছে। কিন্তু 2009 চনত এই আইনখন পাছ হোৱাৰ পিছত 2019 লৈকে ১০ বছৰ পাৰ হৈ গ'ল কিন্তু এতিয়াও বহুত dropped out Children যিখিনি never Enrolled and dropped out দুটা কেটেগৰিত আছে। সেই ষ্টুডেন্টখিনিক কিয় স্কুলত অৰ্ন্তভূক্ত কৰা নাই। তেওলোকক কিয় আমি আন্তগাঁথনি দিব পৰা নাই। নিয়াৰেষ্ট স্কুলৰ সুবিধা কৰি দিব পৰা নাই, আৰু যদি স্কুল আছে তাত sufficient Teacher দিয়া নাই। এই ক্ষেত্ৰত আমি কিন্তু সকোলৰে জগৰীয়া।Right to Education Act মতে ৰাজ্য চৰকাৰৰ পৰা পঞ্চায়ত প্ৰতিনিধিলৈক প্ৰতিজনে আমি আইনৰ দৃষ্টিত জগৰীয়া হৈ আছো। এইটো বিষয়ত আমাৰ ওপৰত আইনগতভাবে ব্যৱস্থা ল'লে আমি সকলোৱে বাধ্য হ'ব লাগিব। অধ্যক্ষ মহোদয়, মই যেতিয়া চাকৰি কৰিছিলো স্কুল টিছাৰ হিচাপে তেতিয়া অসম সৰ্ব্ব শিক্ষা অভিযান মিছনত মই টিছাৰ হিচাপে deputation ত আছিলো। তেতিয়া মই বহু স্কুলত Support visit and monitor and Teacher Train-

ing কৰিছিলো । তাৰ লগে লগে আমি ৰাজ্যিক পৰ্য্যায়ত থকা Course Carriculam production, Text Book production এই বিলাক কৰ্মশালাত যোগদান কৰিছিলো। আৰু Right to Education Act ৰ অধীনত আমি সমগ্ৰ অসমত টিছাৰ সকলক আৰু পঞ্চায়ত প্ৰতিনিসিকলৰ ট্ৰেইনিঙ দিছিলো। তাত যিমানখিনি কথা আমি কৈছিলো যে ১ বছৰৰ ভিতৰত আন্তগাথনি সমস্যাবিলাক চৰকাৰে দূৰ কৰিব যাতে ১৪ বছৰৰ তলৰ ছাত্ৰ-ছাত্ৰীসকলে নেভাৰ এনৰোলড হৈ থাকিব নোৱাৰে কিন্তু দেখা গ'ল যেতিয়া আমি প্ৰতিশ্ৰুতি দিছিলো অসম সৰ্ব্ব শিক্ষা মিছনৰ কৰ্মকৰ্ত্তা হিচাপে , কিন্তু আজি ১০ বছৰতো এই সমস্যাৰ সমাধান কেতিয়াও কৰিব পৰা নাই । এতিয়াও ১৪ বছৰৰ তলৰ বহু ছাত্ৰ ছাত্ৰ dropped out হৈ আছে গতিকে এই ক্ষেত্ৰত চৰকাৰ দায়বদ্ধ। কিন্তু কোনো NGO আমাৰ ওপৰত কেছ কৰা নাই সেই কাৰনে বাছি আছো। এইটো আমি এটা ডাঙৰ মৌলিক অধিকাৰ খৰ্ব কৰি আছো। অধ্যক্ষ মহোদয়, ইয়াত কিছুমান কথা আছে আমাৰ এডুকেশ্যন চিষ্টেমটো বহু ডিফেক্টিভ হৈ আছে। ছাৰ এইটো আজিৰ নহয়, বহু বছৰ আগৰ পৰাই চলি আছে। এডুকেশ্যন ডিপাৰ্টমেন্টটো আটাইতকৈ ৰুগ্ন আৰু পয়াঁলগা হোৱাৰ কাৰনটোৱে হ'ল আমাৰ চিষ্টেমবিলাকত বহু ড্ৰ বেগ আছে। অধ্যক্ষ মহোদয় ইয়াৰ পূৰ্ব্বে আপুনিও ৪দিন ধৰি Stake Holderক মাতি মিটিঙ কৰিছে। আপুনিও নিজে গম পাইছে । এই গোটেই বিলাকত আমাৰ যিবিলাক বিষয়া আছিল তেখেতসকলে আগৰে পৰাই কিছুমান ভুল কৰি থৈ গৈছে। ভেন্সাৰ স্কুলৰ যিবিলাক সমস্যা আৰু টিছাৰসকলৰ যি দাবী আছিলে , আজি যিহেতু আমি আইন প্ৰণয়ন কৰিছো , বিল কৰিছো যে তাতে কোৱা হৈছে যে, এই কেটেগুৰি লোৱা হ'ব বাকীবিলাক লোৱা নহ'ব। বাকীসকলে কৈ আছে যে আমি ২০-২৫ বছৰ কষ্ট কৰিলো নিজে মাটিও দিলো , নিজা টকা পইচাদি স্কুল কৰিলো , এতিয়া কিয় provincialised নহ'ব। আছলতে এই স্কুলবিলাক যেতিয়া লোৱা হৈছিল তেতিয়া permission দিয়া বা Recognisation কৰা এই সকলোখিনি কাম বিভাগে কৰিছিল । কিন্তু সেই বিষয়াসকলে সেইবিলাক বেআইনীভাবে নে আইনীভাবে কৰিছিল সেইবিলাকো চাবলগীয়া কথা আছে। যদি তদানীন্তন আইনমতে কৰিছিল তেওলোকে কৈ আছে আমি কিয় deprive হ'ম । আছলতে এই বেমাৰবিলাক সৃষ্টি কৰি গৈছে ডিপাৰ্টমেন্টে ২০-২৫ বছৰ আগতে। আজি কিছুমান প্ৰপাৰ টিছাৰ আছে আৰু কিছুমান illegaly regular, irrigular- শিক্ষামন্ত্ৰী জানিব এনেকুৱা বিভিন্ন নামত বহু সন্থা আছে । তেওলোকেক Appointment দিয়া হৈছিল, কিছুদিন দৰমহা পালে। আকৌ বাদ দিয়া হ'ল। যদি এপইন্টমেন্টটো ভুৱা আছিলে সেই বিষয়াসকলক আজিলৈকে শাস্তি দিয়া হোৱা নাই। এই কথাটো বিধান সভাত মই আগতেও কৈছিলো। এই কাৰনে তেওলোকে যদি কোৰ্টৰ যায়, কোৰ্টত তেওলোকে পাবনে নাপাব সেইটোহে কৈ দিয়ে। গতিকে গোটেই চিষ্টেমটো আমি যদি Reform কৰিব নোৱাৰো শিক্ষা মন্ত্ৰীক এইবিলাক ক্ষেত্ৰত দৃষ্টি দিবলৈ অনুৰোধ কৰিছো । যিখিনি চিষ্টেমত ডিফেক্ট আছে সেই খিনি ৰিফৰ্ম কৰাৰ প্ৰয়োজন আছে। মোৰ সমষ্টিত এখন হায়াৰ চেকেণ্ডৰী স্কুল আছে নাম দলৈ গাও হায়াৰ চেকেণ্ডৰী, য'ত ২৩ টা পদৰ ভিতৰত মাত্ৰ ৮ জন শিক্ষক আছে বাকী ১৫ জন নাই। তেওলোকে বাৰে বাৰে মোক কৈ থাকে। এনেকুৱা সমস্যা বিভিন্ন স্কুলত আছে। আমাৰ Teacher Recruitment ৰ যিটো Policy যে আমি একেলগে টেট পাতো বা সমগ্ৰ অসমত একেলগে appointment দিম , এনেধৰনে কৰোতে কেতিয়াবা ২-৪ বছৰ দেৰী হৈ গৈ আছে। গতিকে অধ্যক্ষ মহোদয যেনেকৈ Special Tet পতা হৈছিল, তাৰ পৰা ৩৫০ জনক এপইন্টমেন্ট দিয়া নাছিল তেওলোকৰ বয়স পাৰ হৈ গ'ল বুলি কিন্তু তেওলোকে কেইবাবছৰলৈকে কাম কৰিছিল। এনেকুৱা সমস্যা এশ এবুৰি।

গতিকে সাৰাংশ হিচাপে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও আমাক লৈ বৈঠক কৰি ৰিৰ্ফমেটিক ষ্টেপখিনি ল'ব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব । ধন্যবাদ । প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (বৰমপুৰ) ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, কাট মোশ্যন সপক্ষে বা বিপক্ষে ক'বলৈ অহা নাই। কেৱল শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ এটা দৃষ্টি আকৰ্যন কৰিব বিচাৰিছো। শিক্ষা বিভাগক যিমান টকা নিদিয়ক সেই টকা প্ৰপাৰ ইউটিলাইজ নহ'লে কোনো লাভ নহ'ব। এটা আখ্যান আছে - মহৰ্ষি বাল্মীকিয়ে তেওৰ কুটিৰৰ আগত বহি আছিলে তেতিয়া দেখিলে যে এজন ব্যাধে চাকৈ চকোৰা হালৰ এটাক শৰবিদ্ধ কৰিছে। তেতিয়া তেওঁৰ মুখেৰে আপোনা আপুনি এটা শ্লোক ওলাই আহিল আৰু এই শ্লোকৰ পৰাই ৰামায়ণৰ ৰচনা হ'ল। ৰামৰ জন্মৰ ১৪ বছৰ আগত। এই ৰামায়ন লিখিছিলে সংস্কৃতত। তুলসী দাসৰ ৰামায়ন কিন্তু হিন্দী ভাষাত লিখিছিল । তেনেকৈ কৃতিবাসী ৰামায়নখনো । এতিয়া এই গ্ৰন্থসমূহ বিভিন্ন ভাষালৈ অনুদিত হৈছে। জাৰ্মানসকলে সংস্কৃত শিকি ৰামায়ণ জাৰ্মান ভাষাত অনুবাদ কৰিছিলে। যিমান টকাই নিদিয়ক কিয় সেই টকাৰ প্ৰপাৰ ইউটিলাইজ নহলে সমাজৰ উন্নতি হ'ব নোৱাৰে। আপুনি জানে যে ৱৰ্ল্ডৰ ভিতৰত আটাইতকৈ ৰিচেষ্ট লেংগুৱেজ হৈছে সংস্কৃত। পৃথিৱীৰ আটাইতকৈ পুৰণি গ্ৰন্থ হৈছে ৰামায়ণ। যেতিয়া বাল্মিকীয়ে তেওঁৰ কুটিৰৰ আগত বহি আছিল তেতিয়া দেখিলে যে এজন ব্যাধে চাকৈ-চকোৰা এটাক শৰবিদ্ধ কৰিছে। তেতিয়া তেওঁৰ মুখেদি আপোনা আপুনি এটা সংস্কৃতৰ শ্লোক ওলাই আহিল আৰু এই শ্লোকৰ ফলতেই আজি ৰামায়ণ ৰচনা হ'ল ৰামৰ জন্মৰ ১৪ বছৰ আগত। এই ৰামায়ণ লিখিছিলে সংস্কৃতত। তুলসী দাসৰ ৰামায়ণ কিন্তু থলুৱা হিন্দী ভাষাত লিখিছিল। তেনেকৈ কীৰ্তিবাসী ৰামায়ণ। এই গ্ৰন্থ সমূহ বিভিন্ন ভাষালৈ অনুদিত হৈছে। জাৰ্মান সকলে সংস্কৃত শিকি জাৰ্মানী ভাষালৈ এই গ্ৰন্থ সমূহ অনুবাদ কৰিছে। মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক এটা কথালৈ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ভেঞ্চাৰ টোলৰ শিক্ষক সকলে আন্দোলন আৰম্ভ কৰিব বিচাৰিছে। আজিৰ দৈনিক অসমত লিখিছে যে, "ভেঞ্চাৰ টোললৈ সাহাৰ্য্য বন্ধ কৰিলে বি জে পি চৰকাৰে। প্ৰাদেশিকৰণৰ নাম গোন্ধ নাই। ৪৫০ খন ভেঞ্চাৰ টোলক প্ৰাদেশিকৰণ কৰিম বুলি নিৰ্বাচনৰ সময়ত চৰকাৰে প্ৰতিশ্ৰুতি দিছিল তেতিয়াৰ শিক্ষামন্ত্ৰীয়ে"। গতিকে এই ভেঞ্চাৰ স্কুল সমূহৰ ক্ষেত্ৰত পজিটিভ দৃষ্টিভংগী ল'ব লাগে আৰু সংস্কৃত শিক্ষা ল'বৰ কাৰণে যিসকল আগবাঢ়ি আহিছে বা ভেঞ্চাৰ টোল গঢ়ি উঠিছে সেই বিলাকক প্ৰাদেশিকৰণ কৰি তেওঁলোকক চৰকাৰে সহায় আগবঢ়াব লাগে, তেওঁলোকৰ চিন্তাধাৰা শক্তিশালী কৰিব লাগে। মোৰ ক'বলগীয়া এইখিনিয়েই। মই এইবিষয়ে শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষা বিভাগৰ যিটো মঞ্জুৰী কৰ্তন প্ৰস্তাৱ উত্থাপিত হৈছে এই বিষয়ত প্ৰায় ১২ গৰাকী বক্তাই সপক্ষে হওঁক বা বিপক্ষে হওঁক বিতৰ্কত অংশগ্ৰহণ কৰিলে আৰু তেখেত সকলে বিভিন্ন প্ৰসংগ উত্থাপন কৰাৰ বাবে মই তেখেত সকলক ধন্যবাদ জ্ঞাপন কৰিছো। তেওঁলোকে বিভিন্ন বিষয় আজি সদনৰ মজিয়াত উত্থাপন কৰি এইক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে সেই সম্পৰ্কে ক'বলৈ আজি আমাক এটা সুযোগ প্ৰদান কৰিলে। মই বিৰোধী পক্ষৰ সদস্য সকলক বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰিছো কিয়নো তেখেত সকলে যিখিনি সমালোচনা কৰিলে এই সমালোচনা খিনিৰে আজি আমি যি মঞ্জুৰী বিচাৰিছো এই মঞ্জুৰীৰ প্ৰয়োজনীয়তা আৰু যথাৰ্থতা সত্যত প্ৰমাণিত কৰিলে। তেখেত সকলৰ প্ৰায় ভাগেই কৈছে যে আমাৰ ভেঞ্চাৰ স্কুল সমূহ প্ৰভিনচিয়েলাইজ হ'ব লাগে। আজি ঘাটি মঞ্জুৰীৰ যি প্ৰস্তাৱ উত্থাপন কৰিছো সেই প্ৰস্তাৱৰ এটা শিতানত কিন্তু প্ৰভিনচিয়েলাইজ কৰিবৰ কাৰণে শিক্ষক সকলক

যি বেতন দিব লাগিব সেই বেতনৰ বাবে প্ৰয়োজনীয় ধনহে বিচাৰিছো। আপোনালোকে যিহেতু আমাৰ ভেঞ্চাৰ স্কুল সমূহ প্ৰভিনচিয়েলাইজ হোৱাটো বিচাৰিছে গতিকে মই আপোনালোকক এটা তথ্য দিব বিচাৰিছো। আপোনালোকে জানে যে এতিয়ালৈকে আমাৰ প্ৰাথমিক বিভাগত ১ লাখ ১৬ হাজাৰ ৪শ ৭৩ গৰাকী নিয়মীয়া শিক্ষক আছে, ৪১ হাজাৰ ৫ শ ৩৪ গৰাকী ঠিকাভিত্তিক শিক্ষকে ষ্টেটপুল বা এচ এচ এ ৰ অন্তৰ্ভুক্ত হওঁক তেওঁলোকে কাম কৰি আছে। আমাৰ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা হৈছে ৪৭ হাজাৰ ৮ শ ১৮ খন। প্ৰায়ে কোৱা হয় যে শিক্ষকৰ নিযুক্তি দিয়া হোৱা নাই কিন্তু আপোনালোকে জানিবলৈ পাই সুখী হ'ব যে ২০১৬ চনৰ পিছত আমি ১৩ হাজাৰ ২৩ গৰাকী ৰেগুলাৰ শিক্ষক আৰু ১৯ হাজাৰ ৬ শ ৪০ গৰাকী ঠিকাভিত্তিক শিক্ষকক নিযুক্তি দিবলৈ সক্ষম হৈছো। মই ভাৱো যে এখন চৰকাৰে ইমান কম সময়ৰ ভিতৰত ইমান সংখ্যক শিক্ষকক নিযুক্তি দিয়াৰ এনেকুৱা দৃষ্টান্ত হয়তো আগতে নাই আৰু যদি আজি মঞ্জুৰী গৃহীত কৰা হয় তেনেহ'লে আমি ৫ হাজাৰ ২ শ ৯৫ খন প্ৰাথমিক বিদ্যালয়ক প্ৰভিনচিয়েলাইজ কৰিবলৈ সক্ষম হ'ম। কিয়নো প্ৰভিচিয়েলাইজ কৰাৰ মূল কথাটোৱে হৈছে প্ৰভিচিয়েলাইজ কৰিলেহে আমি এখন স্কুলৰ শিক্ষকক বেতন দিয়াৰ কথাটো আহিব। যদি বেতন দিব লাগে তেনেহ'লে আমাক অতিৰিক্ত পুঁজিৰ প্ৰয়োজন হ'ব। মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন জনে বিভিন্ন কথা উত্থাপন কৰিছে। তেওঁলোকে উত্থাপন কৰা প্ৰত্যেকটো বিষয়লৈ মই এটা এটাকৈ যাব বিচৰা নাই। কিন্তু থুলমূলকৈ মই দেখিছো যে বেছিভাগেই যিখিনি প্ৰসংগ উত্থাপন কৰিছে সেই উত্থাপন কৰা প্ৰসংগ বিলাকৰ ভিতৰত এটা হৈছে বহুতো স্কুলত ডেফিচিত শিক্ষক আছে। অৰ্থাৎ এনেকুৱা হৈছে যে ২ শ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক মাত্ৰ ১০ গৰাকী। এই যিটো ডিচপ্ৰপোৰশ্যনেট এই সম্পৰ্কে আমিও জ্ঞাত। আপোনালোকে জানে যে আমি এটা ৰেচ'নেলাইজেশ্যনৰ প্ৰক্ৰিয়া কৰিব বিচাৰিছো। যিবোৰ প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম কিন্তু তাৰ ওচৰতে এক কিলোমিটাৰ ব্যাসাৰ্ধতে এনেকুৱা প্ৰাথমিক স্কুল আছে যিখনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি, এই দুইখন স্কুলক আমি একত্ৰিত কৰি সঠিক শিক্ষক আৰু পঢ়ুৱৈৰ যিটো অনুপাত এইটো আমি চাবলৈ বিচাৰিছো। এই প্ৰক্ৰিয়াটো আজি প্ৰায় সম্পূৰ্ণ হৈছে। মই তথ্যটো দিব পাৰো। 1885 Nos. of Lower Primary Schools have been amalgamated with Upper Primary School, 1267 Nos. of Lower Primary Schools have been merged with nearby Lower Primary Schools and 2837 Nos. of LP Upper Primary Schools have been amalgamated with High-Higher Secondary School. এই যিটো আমি প্ৰক্ৰিয়া কৰিছো এই প্ৰক্ৰিয়াটো শেষ পৰ্য্যায়লৈকে আহি পাইছে আৰু ইয়াত প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱাৰ লগে লগে আমাৰ এটা গ্ৰাণ্ট হ'ব যে এইখন স্কুলত ইমানখিনি শিক্ষক চাৰপ্লাচ আছে আৰু এইখন স্কুলত ইমানখিনি শিক্ষকৰ ডেফিচিয়েঞ্চী আছে। গতিকে চাৰপ্লাচ থকা শিক্ষক সকলক আমি ডেফিচিয়েন থকা স্কুললৈকে ট্ৰান্সফাৰ কৰিব পাৰিম বা তেখেত সকলক সেই স্কুলৰ লগত আমি জড়িত কৰি আমাৰ যিটো শিক্ষক ছাত্ৰৰ প্ৰকৃত অনুপাতটো ৰাখিবলৈ সক্ষম হ'ম। চেকেণ্ডাৰী স্কুলৰ ক্ষেত্ৰত কোৱা হৈছে যে আমি শিক্ষক সকলক নিযুক্তি দিয়া নাই। মই মাননীয় সদনক জনাইছো যে এতিয়ালৈকে আমি প্ৰিন্সিপাল ৪৬২ জন নিযুক্তি দিয়া হ'ল, প্ৰধান শিক্ষক ৫৫৪ জনক আমি নিযুক্তি দিলো আৰু এই বিধান সভাৰ অধিবেশন অহাৰ বাবে আৰু ৩২৪ গৰাকীক আমি আনুষ্ঠানিক ভাৱে নিযুক্তি দিব পৰা নাই কিন্তু ৯ বা ১০ তাৰিখৰ ভিতৰত আৰু ৩২৪ গৰাকী প্ৰধান শিক্ষকক আমি নিযুক্তি দিব পাৰিম। সহকাৰী প্ৰধান শিক্ষকৰ ক্ষেত্ৰত আমি ১২৮ গৰাকী নিযুক্তি দিছো। কিন্তু আপোনালোকে জানে যে উচ্চ

ন্যায়ালয়ত এটা গোচৰ ৰুজু কৰা হৈছে আৰু সেই গোচৰৰ বাবে হয়তো কিছুদিনৰ বাবে এই প্ৰক্ৰিয়াটো থমকি ৰ'ব। আমি এতিয়ালৈকে গ্ৰেজুৱেট শিক্ষক ১১৫০ জন, পি জি টিচাৰ ৪৬৬ গৰাকীকনিযুক্তি দিলো। গতিকে মাধ্যমিক ক্ষেত্ৰত হাইস্কুল বা হায়াৰ চেকেণ্ডাৰীতে হওঁক আমি এই পদক্ষেপ খিনি লোৱাৰ কথা মই আশা কৰিছিলো যে এবাৰ হ'লেও তেওঁলোকে শলাগ ল'ব। মাননীয় অধ্যক্ষ মহোদয়, তথ্য দিব বিচাৰিলে মোৰ হাতত যথেষ্ট তথ্য আছে। কিন্তু সময়ৰ নাটনিৰ কাৰণে মই তথ্যগত উত্তৰলৈ যাব বিচৰা নাই। সামগ্ৰিক ভাৱে যিসকলে আজি এই বিতৰ্কত অংশগ্ৰহণ কৰিলে তেখেত সকলৰ কিছু কথা মই ক'ব বিচাৰিছো। সন্মানীয় বিধায়ক শ্ৰী গুৰুজ্যোতি দাস ডাঙৰীয়াই প্ৰসঙ্গ এটা উত্থাপন কৰিছিল যে এই জ্যোতিকেন্দ্ৰ সমূহত যিবোৰ শিক্ষা সামগ্ৰী দিয়া হৈছে, সেই শিক্ষা সামগ্ৰীবোৰ নিম্ন মানদণ্ডৰ। এইক্ষেত্ৰত মই তেখেতক জনাব বিচাৰো যে এনেকুৱা ধৰণৰ অভিযোগ আমাৰ ওচৰলৈ যদি আহে আমি তাৎক্ষনিকভাৱে ব্যৱস্থা লোৱাৰ প্ৰক্ৰিয়া আছে। কিয়নো এই সামগ্ৰী সমূহ আমি কেন্দ্ৰীয়ভাৱে procure নকৰো, জিলা পৰ্য্যায়ত ক্ৰয় কৰা হয়। ক্ৰয় প্ৰক্ৰিয়াত ক'ৰবাত কিবা ক্ৰুটি দেখা পাই যদি জনাই তাৎক্ষণিকভাৱে আমি পদক্ষেপ লম। শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই দুই তিনিটা বিষয়ৰ ওপৰত কথা কৈছে। মোৰ ৰাজহুৱা বক্তব্যক তেওঁ আঙুলিয়াই দুই চাৰিটা কথা কৈছে কিন্তু মই বিতৰ্কলৈ যাব নিবিচাৰো। কিয়নো মই কি কৈছো সেইটো on record.গতিকে কোনোবাই মোৰ সেই record টো কেনেভাৱে interpret কৰিছে, that is their problem, that is not my problem.কিন্তু মই আশা কৰিম যেতিয়া কোনোবা এটা অভিযোগ তোলা হয়, দুয়ো পক্ষৰে চালি জাৰি চাই অভিযোগ তুলিলে ভাল হয়। তেখেতে বাকী কোৱা কথাখিনি লৈ মই নাযাওঁ। তেখেতে transfer ৰ কথাটো কৈছে। transfer ৰ কথাটো আপোনালোকে জানে। আমি এটা সিদ্ধান্ত লৈছো যে শিক্ষা বৰ্ষৰ পৰীক্ষাটো তিনিমাহলৈ থকা বুলি জানিও মানুহ transfer লৈ গুচি আহে। গতিকে আমি এটা সিদ্ধান্ত লৈছো transfer প্ৰক্ৰিয়াটো আমি বছৰৰ বাকী পৰীক্ষা শেষ হোৱাৰ পিছত allow কৰিম। গণিত বিষয়ৰ শিক্ষকজন পৰীক্ষাৰ আগে-আগে transfer ল'লে গণিত বিষয়টো কোনে পঢ়াব সেইটোলৈ চিন্তা নকৰে। এইবোৰৰ লগতে আৰু কিছু কথা আছে, অলপ আগতে কোৱা হৈছিল সেইটোতময়ো একমত যে আমাৰ সীমান্তৱৰ্তী অঞ্চলবোৰত যেনে-ধুবুৰী , গোৱালপাৰা, মৰিগাওঁয়ে ইত্যাদি স্থান সমূহত বহুতো শিক্ষক-শিক্ষয়িত্ৰীয়ে একমাত্ৰ চাকৰিটো লোৱাৰ খাতিৰতে চাকৰিটো কৰিব বুলি তেখেতসকলে কথা দিছিল। কিয়নো যেতিয়া তেখেতসকলে চাকৰিৰ Form Fill-up কৰে সেই আবেদন পত্ৰত তেখেতসকলে নিজে লিখি দিব লাগে যে মই অমুক জিলাত চাকৰি কাৰবলৈ প্ৰস্তুত আৰু পৰৱৰ্তী সময়ত তেখেতসকলে যেতিয়া মোৰ ওচৰত transfer বিচাৰি আহে তেতিয়া মই তেখেতসকলক সোধো আপুনি কিয় লিখি দিছিল। তাৰ উত্তৰত তেওঁলোকে কয় যে নহয় ছাৰ চাকৰি তাত বেচি আছিল সেয়েহে লিখি দিছিলো। তেখেতসকলে যিদিনা তাত যোগদান কৰিলে, যোগদান কৰাৰ পিছদিনাৰ পৰাই তেওঁলোকৰ প্ৰচেষ্টাটো থাকে। কিদৰে মই আকৌ transfer লৈ নিজৰ গৃহ জিলালৈ আহো। বহুতে মোক বেয়া পাইছে লগতে সমালোচনাও কৰিছে। কিন্তু মই অনুভৱ কৰো যে শিক্ষা মন্ত্ৰী হিচাপে মই সকলোৰে শিক্ষামন্ত্ৰী। চৰ অঞ্চলৰ এখন স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলেও শিক্ষকৰ দ্বাৰা শিক্ষা পোৱাৰ যিটো অধিকাৰ সেই অধিকাৰটোৰ পৰা তেখেতসকলক কোনেও বঞ্চিত কৰিব নোৱাৰে। কোনোবাই যদি একমাত্ৰ চাকৰিৰ খাতিৰত তাত চাকৰি কৰিম বুলি গৈছে পৰৱৰ্তী সময়ত তাত চাকৰি কৰিবলৈ প্ৰস্তুত নহয়, সেইবাবে চৰকাৰ কেতিয়াও দায়ী হ'ব নোৱাৰে। যদি তাত চাকৰি নকৰে resign দিয়ক। কিন্তু তেখেতসকলে চাকৰিটো ল'বৰ কাৰণে

বিচাৰিব আৰু চাকৰি লৈ transfer বিচাৰিব। আবেগিক কথা, শালীনতাৰ কথা, মহিলাৰ কথা , বিভিন্ন কথা উত্থাপন হয়। এই কথাবিলাক কিমান সমীচিন। ৰাইজেও চালি জাৰি চাব লাগে। মই সংবাদ মাধ্যমত যিসকল আছে, তেখেত সকলকো কম এই ক্ষেত্ৰত তেখেতসকলে কি কাৰ্য্যকলাপ প্ৰচাৰ কৰে। এই ক্ষেত্ৰতো অলপ চাই চিতি ল'ব লাগে। কিয়নো কোনেও তাতে কাকো জোৰ কৰি দুৰ্গম ঠাইবোৰত নিযুক্তি দিয়া নাই। তেখেতসকলে নিজ ইচ্ছাৰে চাকৰিৰ খাতিৰত তাত লৈছে আৰু চাকৰি লৈ উঠি সেই ঠাইত চাকৰি নকৰো বুলি ক'লে সেইটো কেতিয়াও গ্ৰহনযোগ্য হ'ব নোৱাৰে।

আশা কৰো এই কথাটো আমাৰ কমলাক্ষ দে পুৰকায়স্থ দেৰেও স্বীকাৰ কৰিব। Regularization ৰ কথা তেখেতে উত্থাপন কৰিছিল, আৰু বহু কেইজনে উত্থাপন কৰিছে। এই সংক্ৰান্তত মই আপোনালোকক জনাব বিচাৰো যে সেই বিষয়টো হৈছে Uniform. আগতে uniformৰ যিটো পদ্ধতি আছিল সেই একে পদ্ধতি এতিয়াও আছে। মাথো যিটো আমি বিচাৰিছো আগতে যেতিয়া uniform দিয়া হৈছিল কি মানদণ্ডৰ কাপোৰ দিব বা কিভাৱে uniform বোৰ চিলাব সেই সম্পৰ্কে কোনো নিৰ্দেশ চৰকাৰৰ ফালৰ পৰা নাছিল।

বাৰম্বাৰ কোৱা হৈছে থলুৱা সকলৰ কি হ'ব? অসমত কেইটা কাপোৰৰ মিল আছে? যিসকলে এই সম্পৰ্কত সমালোচনা কৰে তেখেতসকলে মোক এটা কথা জনাওঁক, মই জানিব বিচাৰিছো যে অসমত Uniform ৰ কাপোৰ প্ৰস্তুত কৰা কেইটা মিল আছে? আজি যিসকলে স্থিতাৱস্থা বিচাৰিছে তেখেতসকলেও বাহিৰৰ কোনো মিলত প্ৰস্তুত কৰা কাপোৰ আনিব। আমি মাথো এটা standardization কৰিছো। আমি কৈছো যে এই মানদণ্ডৰ কাপোৰ দি Uniform বনাব লাগিব। আমাৰ Uniform ক্ৰয় কৰাৰ ক্ষেত্ৰত বৰ্তমানেও SMC য়ে ক্ৰয় কৰাৰ পদ্ধতি বাহাল আছে। তাৰ বাবে আপোনালোকে জানি সুখী হ'ব প্ৰত্যেকখন বিদ্যালয়ত আমি তেখেত সকলৰ যি পুঁজি আহিছিল সেই পুঁজি আমি বিদ্যালয় সমূহলৈ পঠিয়াইছো। কিন্তু কিছু ন্যস্ত স্বাৰ্থ জড়িত লোকে আদালতত প্ৰথমে এটা গোচৰ দিলে, যেতিয়া দেখিলে যে এই গোচৰটো নিটিকিল এনেদৰে বাৰে বাৰে ৬ টা মান গোচৰ দিলে, এই যে বাৰে বাৰে কোৱা হৈছে। স্কুল Uniform আমাৰ ক্ৰুটিৰ বাবে দিব পৰা নাই এইটো নহয়। এতিয়া উচ্চ আদালতে ক'লে যে এই সংক্ৰান্তত যি সিদ্ধান্ত লোৱা হ'ব সেই হিচাপে তেখেতসকলে Uniform গ্ৰহন কৰিব। যিহেতু বিভিন্ন বিষয়ত কোৱা হৈছে বহুতে কৈছে আন্তঃগাঁথনিৰ পইচা দিয়া হোৱা নাই। মই পবিত্ৰ সদনক আজি জনাইছো যে আমাৰ যিটো Annual School Grant থাকে এই A.S Grant এতিয়ালৈকে ৪২ হাজাৰ ২০৮ খন প্ৰাইমাৰী বিদ্যালয়ত আমি DBT ৰ মাধ্যমেৰে আমি এতিয়ালৈকে ২০১৮-২০১৯ চনত তেখেতসকলক দিছো আৰু আমাৰ ইয়াত যিখিনি ছাত্ৰ-ছাত্ৰী আছে, সেইখিনিক আমি বিনামূলীয়া পাঠ্যপুথিৰ যোগান ধৰো। অলপ আগতে ৰাজেন বৰঠাকুৰ ডাঙৰীয়াই কৈছে খুব সম্ভৱ ভাৰত বৰ্ষৰ ভিতৰত বিভিন্ন ভাষাত আৰু ইমান মিডিয়ামত কোনো ৰাজ্যতে পাঠ্যপুথি প্ৰদান কৰা নহয়। আপোনালোকে জানি সুখী হ'ব যে আমি ১৯ টা ভাষাত আৰু ৯ টা মিডিয়ামত আমি ছাত্ৰ-ছাত্ৰী সলক পাঠ্যপুথি দিওঁ। আমাৰ 'ক' শ্ৰেণীৰ পৰা class viii লৈকে ৪৮ লাখ ৬৬ হাজাৰ ৩৯১ ছাত্ৰ-ছাত্ৰী, তেওঁলোকক আমি মূল পাঠ্যপুথি এতিয়ালৈকে দিছো যিটো সংখ্যা কোটিৰ হিচাপত। ২ কোটি ৯ লাখ ৫৭ হাজাৰ ৫৬৪ খন পাঠ্যপুথি আমি সময়ত তেখেতসকলক দিবলৈ সক্ষম হৈছো।

মই আকৌ সংখ্যাটো কৈছো, ২ কোটি পাঠ্যপুথি ১৯ টা ভাষা, ৯ টা মিডিয়ামত ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে, এনে ব্যাপক ভাৱে দিয়া হোৱা নাই। এইটো হৈছে মাত্ৰ class viii লৈকে। ix আৰু xত আমাৰ আছে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৯ লাখ ৯ হাজাৰ ৩৪৪ গৰাকী আৰু আমি তেখেতসকলৰ

মাজত কিতাপ বিলাইছো ১ কোটি ৬ লাখ ৯৭ হাজাৰ ১৯৩ খন। Total title of books. বিভিন্ন বিষয়ৰ ১৬৮ খন কিতাপ। Class -XI ৰ পৰা Class -XII ৰ ৩ লাখ ৬৫ হাজাৰ ৬৬৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত ২৫,৪৬, ৮০০ কিতাপ বিলি কৰা হৈছে। ৮০ খন হ'ল- Total Title of Books । ইয়াৰোপৰি, অলপতে, শ্ৰী দুৰ্গা ভূমিজ, সঞ্জয় কিষাণ ডাঙৰীয়াই চাহ-বাগিচা অঞ্চলৰ বিদ্যালয়ৰ কথা উত্থাপন কৰিছে আৰু অন্যান্য সদস্য সকলেও এই বিষয়ে যি উল্লেখ কৰিলে, এই ক্ষেত্ৰত আমাৰ আটাইতকৈ ডাঙৰ অসুবিধাটো হৈছে যে চাহ-বাগিচা অঞ্চলৰ বিদ্যালয়বোৰৰ যি Management আছে, সেই Management চাহ-বাগিচাৰ authority ৰ হাতত আছে বুলি আপোনালোক সকলোৱে জানে। চাহ-বাগিচাৰ স্কুলবোৰ tea garden managed school হ'লেও তাৰ ল'ৰা-ছোৱালীক বিনামূলীয়া পাঠ্যপুথি দিয়াৰ এটা প্ৰচেষ্টা হাতত লৈছো। অন্য চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে যিদৰে বিনামূলীয়া school uniform, পাঠ্যপুথি পাইছে, ঠিক তেনেদৰে garden managed school ৰ ছাত্ৰ-ছাত্ৰীখিনিয়েও যাতে সুবিধাখিনি পায় তাৰ বাবে কিছু পদক্ষেপ হাতত লৈছো। Supplementray Demand পোৱাৰ পিছত আমি আশা কৰিছো যিখিনি স্কুল আমি provincialize কৰিম, সেই provincialized স্কুলৰ ভিতৰত চাহ-বাগিচা অঞ্চলৰ স্কু ল সমূহকো অন্তৰ্ভূক্ত কৰিব পাৰিম আৰু যি বৈষম্যৰ কথা কোৱা হৈছে, সেই বৈষম্য আমি দূৰ কৰিব পাৰিম।

মই কোনো বিতৰ্ক কৰিব বিচৰা নাই, কিন্তু কথাটো নক'লে সঠিক নহ'ব বাবে মই কথাটো উল্লেখ কৰিব বিচাৰিছো। আমাৰ সন্মানীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই তেখেতৰ বক্তব্যত কৈছে যে, পূৰ্বৰ চৰকাৰৰ দিনত শিক্ষা ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমানৰ চৰকাৰৰ তুলনাত ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে মেট্ৰিকত খুব ভাল ফলাফল দেখুৱাইছিল আৰু তাৰ বাবে তেওঁ মোক কিছু statistics দিছে। কিন্তু সেইখিনি সময়ত ছাত্ৰ-ছাত্ৰীসকলক যে grace number দিয়া হৈছিল তাৰ statistics টো তেখেতে মোক নিদিলে। এই grace number দিয়াৰ ফলত pass percentage টোহে high হৈছিল, কিন্তু, ছাত্ৰ-ছাত্ৰীসকলৰ সঠিক মূল্যায়ন হোৱা নাছিল। যিজন ল'ৰা উত্তীৰ্ণ হোৱাৰ বাবে হয়তো উপযুক্ত নহয়, সেই ল'ৰাজনক grace number দি উত্তীৰ্ণ কৰাই এনেদৰে pass percentage বঢ়োৱা হৈছিল। কিন্তু, ২০১৬ চনত আমাৰ চৰকাৰ অহাৰ পিছত কোনো ল'ৰা-ছোৱালীক আমি grace number দিয়া নাই। আজি আমি quantity লৈ যোৱা নাই, quality লৈ গৈছো। ইয়াৰোপৰি, তেখেতে Anandaram Barooah Laptop distribution ৰ যি কথা কৈছে, সেই কথাখিনি সঠিক নহয়। তেখেতে হয়তো সঠিক খবৰ ৰখা নাই। আমি এই Laptop দি আহিছো, এইবাৰো দিম আৰু আগন্তুক সময়লৈকে দিম। আমি এইবাৰ Star Mark পোৱা সকলক Laptop দিছো আৰু তেওঁলোকৰ শৈক্ষিক উন্নয়নৰ বাবে তাত কিছু software add কৰিছো যাতে তেওঁলোকে প্ৰয়োজনীয় online coaching লব পাৰে। তেওঁলোকৰ যি course সেই course ৰ প্ৰয়োজনীয় শিক্ষা তেওঁলোকে ল'ব পাৰে। ইয়াৰ লগতে, প্ৰতিযোগিতামূলক পৰীক্ষা যেনে-JEE, NEET, IIT ইত্যাদিৰ Entrance ৰ বাবে প্ৰয়োজনীয় যি প্ৰশিক্ষণ সেই প্ৰশিক্ষণৰ বাবে laptop টোত আমি এটা package দিছো যাৰ জৰিয়তে তেওঁলোকে online প্ৰশিক্ষণ ল'ব পাৰিব।

এটা কথা মোৰ আজি বৰ দুখ লাগিছে যে, ভাৰতবৰ্ষৰ সংবিধান ৰচোতা সকলে SC/ST ৰ যি ব্যৱস্থা কৰিছিল সেইটো তেওঁলোকে সমাজৰ দলিত ব্যক্তি, সমাজৰ নিষ্পেষিত ব্যক্তিসকলৰ বাবে কৰিছিল। তেখেতসকলে এই ক্ষেত্ৰত কোনো ধাৰ্মিক গোষ্ঠী বা ধৰ্মীয় দৃষ্টি-

ভংগীৰে চোৱা নাছিল। গতিকে, সংস্কৃতত যদি SC/ST ৰ বাবে quota থাকিব পাৰে, অন্য স্কুলত যদি quota থাকিব পাৰে তেন্তে আৰবী শিক্ষকৰ ক্ষেত্ৰত SC/ST quota থাকিলে কাৰ, কি অসুবিধা হয়? মই ভাৱো যেতিয়া মানুহে দেখিব যে আৰবী শিক্ষকৰ ক্ষেত্ৰত SC/ST quota আছে, তেতিয়া SC/ST ল'ৰা-ছোৱালীবোৰে আৰবী ভাষাৰ ওপৰত শিক্ষা গ্ৰহণ কৰিব আৰু আৰু তেওঁলোকে চাকৰি পোৱাৰ বাট দেখি উদ্‌গনি অনুভ ৰ কৰিব। সেয়েহে মই ভাৱো, এনে ধৰণৰ বক্তব্য আমাৰ সমাজৰ বাবে সমীচিন নহয়।

**মাননীয় শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ কথাখিনি বিৰোধিতা কৰা নাই। কিন্তু, SC/ST ৰ category ত আৰবী পঢ়া ল'ৰা-ছোৱালী আছে নেকি? তেওঁলোকে আৰবী কেনেকৈ পঢ়িব?

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদিঃ** আপুনি কোৱা কথাবোৰ আমাৰ বিধান সভাৰ proceedings ত লিপিবদ্ধ হৈ আছে আৰু ময়ো লিপিবদ্ধ কৰি ৰাখিছো। আপুনি হয়তো আপোনাৰ মন্তব্য পাহৰিছে। তেতিয়া কোন সত্য কোন অসত্য ওলাই পৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা বিষয়ত সদনক জনাব বিচাৰিছো যে মাদ্ৰাছা সমূহত নিযুক্তিৰ ক্ষেত্ৰত আদালতৰ বাধাৰ বাবে আমি নিযুক্তি দিব পৰা নাছিলো। কিন্তু, বৰ্তমান এই বাধা আঁতৰাবলৈ আমি সক্ষম হৈছো। এই ক্ষেত্ৰত চৰকাৰ পক্ষ জয়ী হৈছো। TET qualified মাদ্ৰাছা শিক্ষকৰ নিযুক্তিৰ যি process ইমানদিনে ৰৈ আছিল, এই process টো অতি সোনকালে আমি আগবঢ়াবলৈ চেষ্টা কৰিম। আমি মাদ্ৰাছাত শিক্ষক দিব নোৱাৰাৰ কথা তেওঁলোকে আমাক কৈছিল আৰু মই এই কথাটো মানি লৈছো। কাৰণ কোৰ্ট ত কোনো এগৰাকী প্ৰাৰ্থীয়ে case দিয়াৰ ফলত নিযুক্তি প্ৰক্ৰিয়াটো ৰৈ গ'ল। কিন্তু এই case ত চৰকাৰ জয়ী হোৱাৰ পিছত আমি লোৱা পদক্ষেপটো সঠিক বুলি প্ৰমাণিত হৈছে। এই নিযুক্তিৰ Selection List খন আমি পুনৰবাৰ বিবেচনা কৰি খুব কম সময়ৰ ভিতৰতে আমি TET qualified মাদ্ৰাছা শিক্ষকক নিযুক্তি দিবলৈ সক্ষম হ'ম। ২০১২ চনৰ পিছত আমি TET অনুষ্ঠিত কৰিবলৈ সক্ষম হোৱা নাছিলো। কিছু ক্ষেত্ৰত বিভিন্ন বাধা আছিল। কিন্তু, মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে ২০১২ চনৰ পৰা ২০১৯ বৰ্ষৰ মুঠ ৭ টাবৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলৰ অন্যান্য অৰ্হতা থকা স্বত্বেও একমাত্ৰ TET পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ certificate খন নথকাৰ বাবে চৰকাৰী চাকৰিৰ বাবে আবেদন কৰিব পৰা নাছিল। ২০১৬ চনত তেখেতে সকলৰ TET পৰীক্ষা আমি পাতিলো। ইয়াৰ পছত ডিচেম্বৰ মাহত আমি Secondary TET ও পাতিম। কোৰ্টৰ নিৰ্দেশমৰ্মে পুনৰ বাৰ TET পৰীক্ষা পতাৰ পিছত প্ৰায় ৯ হাজাৰ পদত চাকৰিৰ বাবে দৰ্খাস্ত বিচাৰিও থমকি ৰ'ব লগীয়া হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সময় আবেলি দুই বাজিছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (পূব গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, মোক এক মিনিট সময় দিয়ক। মই শেষ কৰি দিওঁ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি শেষ নকৰিলেও হ'ব, আমি guillotine ত দি দিম। পৰিপূৰক দাবী মঞ্জুৰীসমূহ হ'ল-**৭১**, ১, ৩, ৪,৫,৬,৭,৮, ৯, ১১, ১২,১৩, ১৪,১৫, ১৬,১৭, ১৮,১৯, ২০, ২১, ২২, ২৫, ২৬, ২৭, ২৯, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৪৮, ৪৯, ৫১, ৫১, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬২, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, মই **৭১** টো আগতেও কৈছো, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭ আৰু ৭৮। মই সদনত

অনুমতিৰ বাবে আগবঢ়ালো।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

**মাননীয় অধ্যক্ষ ঃ** মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

গতিকে পৰিপূৰক দাবী মঞ্জুৰী ১ ৰ পৰা ৭৮ লৈ গৃহীত হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া অসম বিনিয়োজন (নং ৪) বিধেয়ক ২০১৯ খন বিতৰণ কৰিবলৈ অনুৰোধ কৰিছো। ৰূপজ্যোতি কুৰ্মী, আপুনি মন্ত্ৰী ডাঙৰীয়াক লগ ধৰি আপোনাৰ কথাখিনি ক'ব। আপুনি কথাটো ক'লে আৰু এতিয়া শেষ কৰক।যেতিয়া আমি Suplimentary বিল আৰু Finance bill ৰ ওপৰত আলোচনা কৰো, তেতিয়া নিয়মৰ মাজেৰে যাব লাগে। বাকী কেইদিন যি কথা ক'ব মই আপত্তি নকৰো। তেতিয়া Allow কৰিম। এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰীৰ হৈ অসম বিনিয়োজন (নং ৪) বিধেয়ক ২০১৯ সদনত উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰিবলৈ দিয়াৰ বাবে সদনৰ সন্মতি আছেনে?

(সদনে অনুমতি প্ৰদান কৰে।)

**মাননীয় অধ্যক্ষ ঃ** অনুমতি দিয়া হৈছে। মই ৰাজভৱনৰ পৰা অসম বিনিয়োজন (নং ৪) বিধেয়ক ২০১৯ খন সদনত উত্থাপন কৰাৰ বাবে অসমৰ ৰাজ্যপাল ডাঙৰীয়াই ২০১৯ চনৰ ২৯ নবেম্বৰ তাৰিখে পঠোৱা এটা বাণী পাঠ কৰি দিব বিচাৰিছো।

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Appropriation (No.IV) Bill, 2019 in the Assam Legislative Assembly.

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰীৰ হৈ অসম বিনিয়োজন (নং ৪) বিধেয়ক ২০১৯ সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব (অসম বিধান সভা) ঃ** বিধেয়কখনৰ শিৰোনামা। অসম বিনিয়োজন (নং ৪) বিধেয়ক ২০১৯।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়ক খন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবৰ বাবে ৰাজ্যপাল মহোদয়ে এটা বাণী পঠাইছে। মই বাণীটো পঢ়ি দিব বিচাৰিছো।

Under the provision of Article 207 Subclause (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that the Appropriation (No.IV) Bill, 2019 be taken into

consideration by the Assam Legislative Assembly.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় বিত্ত মন্ত্ৰীৰ হৈ অসম বিনিয়োজন (নং ৪) বিধেয়ক ২০১৯ সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছিলো যে নগাওঁ আৰু কাছাৰ পেপাৰ মিলৰ কৰ্মচাৰী সকলে ৩৫ মাহৰ পৰা দৰমহা পোৱা নাই। তাৰ বাবে চাৰিজন মানুহৰ মৃত্যু হ'ল। তাৰে তিনিজনে আত্মহত্যা কৰিছে। কিন্তু ফিল্ম ফেয়াৰ এৱাৰ্ডৰ বাবে ৩০ কোটি টকা ধৰা হৈছে। কিন্তু নগাওঁ পেপাৰ মিল আৰু কাছাৰ পেপাৰ মিলৰ বাবে য'ত ৩৫ মাহ ধৰি কৰ্মচাৰীসকলে দৰমহা পোৱা নাই, মানুহে মৃত্যুবৰণ কৰিছে, তাৰ বাবে এটকাও ধৰা হোৱা নাই। এই বিষয়টো বিবেচনা কৰি এই সংক্ৰান্তত আমাৰ চৰকাৰে যাতে কিবা ব্যৱস্থা লয় তাৰ বাবে মই সদনত অনুৰোধ কৰিলো। নহ'লে হয়তো আৰু মানুহ মৰিব পাৰে।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা গ্ৰীষ্মকালীন অধিৱেশনত আমাৰ মাননীয় শিক্ষা মন্ত্ৰীয়ে এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে এইবাৰ শীতকালীন অধিৱেশনত তেখেতে দুটামান Ammendment Bill আনিব। Issue Date আৰু Effect Date ৰ কিবা এটা অসুবিধা হৈছে। যিসকল লোক বহুদিন কাম কৰি অৱসৰ লৈ আছে, তেওঁলোকক মানৱতাৰ খাতিৰত এক কালীন পইচা দিয়াৰ বাবে কিবা এখন Ammendment Bill আনিব। আমি এইবাৰ সদনত Ammendment Bill খন আনিব বুলি আশা কৰিছিলো। কিন্তু নানিলে। আজি শিক্ষা মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে, তাত এটা ভাল কথা কৈছে যিটো আমি অতি ভাল পাইছো। যেনেকৈ শিক্ষক বদলিকৰণৰ কথাটো। বহুত শিক্ষকে With post transfer লৈ গুচি গ'ল। এই অসুবিধাটো মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে বুজি পাইছে আৰু এটা গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে যে যিখিনিয়ে With post transfer গুচি গ'ল, সেই পোষ্ট খিনি স্থানীয় কোনোৱে কৰিব নোৱাৰে। সেইখিনিৰ বাবে আগন্তুক দিনত Ammendment Bill আনে তাৰ বাবেও মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা লৈ যাতে এই সমস্যাটো চিৰদিনৰ বাবে সমাধান কৰে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি চাহ বাগিচাৰ সন্দৰ্ভত এখন সভা পতিছিলো আৰু উদ্যোগ মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিছিলো যোৱা অধিবেশনত। বৰ্তমান চাহ উদ্যোগটোৰ যিটো সংকটৰ অৱস্থা, সেই গোটেই কথাবোৰ লৈ চাহ বাগিচাৰ শ্ৰমিক সকলৰ হাজিৰা বৃদ্ধি লৈ এটা পেকেজৰ কথা অসম চৰকাৰক চিন্তা কৰিবৰ বাবে আহ্বান জনালো।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰবী পোষ্ট অনুসূচীত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে এটা আলোচনা হৈছিল। মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিলো আৰু আৰবীক বিভাগে অহা বছৰ সোণালী জয়ন্তী পাতিব। যোৱা ৫০ বছৰে এজনো অনা মুছলিম লোকে আৰবীক বিভাগৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয় বা অসম বিশ্ববিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা নাই আৰু তেনে ক্ষেত্ৰত কলেজ সমহূত অনুসূচীত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে আসন সংৰক্ষণ কৰাৰ উদ্দেশ্যটো কি? মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ গেষ্ট লেকচাৰাৰ আছিলো। সংস্কৃত বিভাগত প্ৰত্যেক বছৰে পাঁচ-দহজন মান মুছলিম ছাত্ৰই পঢ়ি আছে। কথা হ'ল যে যদি অনুসূচিত জাতি-

জনজাতিৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি আছে। তাত কোনো আপত্তি নাই। কিন্তু ৫০ বছৰে এজনো অনা মুছলিম লোকে আৰবীক বিভাগৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয় বা অসম বিশ্ববিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা নাই। তেনে ক্ষেত্ৰত স্কুল সমূহত আৰবীক পোষ্টসমূহ অনুসূচীত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে আসন সংৰক্ষণ কৰাৰ উদ্দেশ্য কি?

**মাননীয় অধ্যক্ষ ঃ** আপুনি আপোনাৰ কথাটো ক'লে । এতিয়া বহক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ-** অধ্যক্ষ মহোদয়, মোক উত্তৰ দিবলৈ দিব লাগে। মই এটা কথা শুধিব বিচাৰিছো তেখেতক ৫০ বছৰে কোনোৱাই নপঢ়িলে কাৰণে, এতিয়া কি আপোনালোকে বিছাৰে নেকি তেওঁলোকে নপঢ়িব ?

**মাননীয় অধ্যক্ষ ঃ** He has raised his point we will discuss later এইটো debate নহয়, আপুনি আপোনাৰ পইন্ট কলে, মন্ত্ৰীয়ে মন্ত্ৰীৰ পইন্ট কলে। পিছত হ'ব এইবোৰ কথা। আপুনি কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বাজেটত অৰুন্ধতি আঁচনিত এটোলাকৈ সোণ দিয়াৰ যিটো কথা ঘোষণা কৰা হৈছিল। সেই সময়ত শিক্ষাগত অৰ্হতাৰ কথাটো অহা নাছিল। এতিয়া কোৱা হৈছে যে দুয়োজনে মেট্ৰিক পাছ কৰিব লাগিব। তেতিয়াহে দিয়া হ'ব । গতিকে এই কথাটো বিবেচনা কৰি আগৰ নিয়মতে ৰাখিবলৈ চেষ্টা কৰিব বুলি মই দৃষ্টি আৰ্কষণ কৰিলো।

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (বড়মপুৰ) ঃ** অধ্যক্ষ ডাঙৰীয়া, ৪৫০ খনৰো অধিক যিবিলাক সংস্কৃত টোল আছে, নিৰ্বাচনৰ সময়ত চৰকাৰে ঘোষণা কৰিছিল যে এই বিলাক provincialise কৰিব। এতিয়া তাৰ বাবে শিক্ষা মন্ত্ৰীক বিত্ত মন্ত্ৰীয়ে পইচা দিব নে নিদিয়ে?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া,

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আজি যিখন Appropriation Bill আনিছো আৰু ইতিমধ্যে যিখিনি Suplimentary Grant পাছ হ'ল বিভিন্ন বিভাগত, তাত দুই এটা কথা আমাৰ মাননীয় সদস্যই উত্থাপন কৰিছে যেনে অৰুন্ধতি আঁচনিৰ কথাখিনি কৈছে, মেট্ৰিক পাছ হ'ব লাগে বুলি কেবিনেটে সিদ্ধান্ত লৈছে। সিদ্ধান্ত এই কাৰণে লৈছে Indian Marriage Act ত দৰা-কইনাৰ ন্যুনতম বয়সটো নিৰ্দিষ্ট কৰি দিয়া থাকে। গতিকে এই Qualification টো ধৰি নিদিলে কম বয়সৰ ল'ৰা-ছোৱালীয়ে বিয়াত সন্মতি দিব। অৰুন্ধতি আঁচনি মতে বিয়াখন কিন্তু register হ'ব লাগিবল আৰু register হ'ব লাগিলে যদি আমি মেট্ৰিক পাছ বুলি নিদিওঁ তেতিয়া হ'লে under age হৈ যায়। গতিকে এইটো কোনো ৰাজনৈতিক দৃষ্টিভঙ্গী ৰাখি কৰা হোৱা নাই। ইতিমধ্যে কেবিনেটত এইটো পাছ কৰিছে। গতিকে অধ্যক্ষ মহোদয়, সেয়েহে তাত মেট্ৰিক পাছৰ ব্যৱস্থাটো কৰা হৈছে। ইয়াৰ উপৰিও চাহ বাগিচাৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ নিজৰ আঁচনি SOPD ৰ তাৰ জৰিয়তে আমি ফ্ৰী ৰেচন চাহ বাগিচাত দিব পাৰিছো। Non-Tea Garden ৰ কাৰণে BPL ৰ জৰিয়তে আমি এক টকাত চাউল দিয়াৰ ব্যৱস্থা কৰিছো,আৰু এইটো State Budget ৰ পৰা কৰা হৈছে। গতিকে বিৰোধী পক্ষই কথাখিনি ক'লে Appriciate ও কৰিব লাগে। দ্বিতীয় কথাটো হৈছে যে আজি ৰাজ্যখনত আমি Suplimentary Demand ত ১১,৫৩৫.৮২ কোটি আনিছো। এইটো আনিব লগা হৈছে এই কাৰণে যে ৰাজ্যখনত বৰ্তমান উন্নয়নৰ গতি ক্ষীপ্ৰ হৈছে, তাৰ কাৰণে আজি আমাক বেছিকৈ পইচা লগা হৈছে। সেইটো কাৰণে মই দুটা কথা কৈ থওঁ অধ্যক্ষ ডাঙৰীয়া। কাৰণ Appropriation Bill খন যেতিয়া আমি প্লেচ

কৰিছো আমাৰ ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছত অসম ৰাজ্যখনত বৰ্তমান আজিৰ দিনটোত আটাইতকৈ সৰ্ববৃহৎ বাজেট হৈছে, এই বাজেটখন। এতিয়া ১,১৮,৫৩৫.২৫ কোটিৰ এই বাজেটখন হৈছে। অধ্যক্ষ ডাঙৰীয়া মই আপোনাক এটা কথা কওঁ,

**মাননীয় অধ্যক্ষ ঃ** I think this is Appropriation Bill. Elaborate নকৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Elaborate নকৰো, অধ্যক্ষ ডাঙৰীয়া আজি এই কাৰণে আমি এই বাজেটখনত Suplimentary আনিব লগীয়া হৈছে, Appropriation Bill যে আমি আনিব লগীয়া হৈছে, আনকি AG য়েও এইবাৰ অসম চৰকাৰক praise কৰিছে যে আমাৰ Capital expenditure বাঢ়িছে। যিখিনি আমাৰ বাকী সদস্যসকলে কৈছে, সেইখিনি infrustructure ৰ লগত জড়িত আছে। দ্বিতীয় কথাটো হৈছে যে আগতে আমি কেন্দ্ৰীয় চৰকাৰৰ ফাণ্ডৰ কাৰণে বাট চাই আছিলো বাজেট বিলাকত। কিন্তু এইবাৰ আপুনি শুনি সুখ পাব অধ্যক্ষ ডাঙৰীয়া যে অসম চৰকাৰে নিজৰ resource ৰে এইবাৰ অষ্টাদশ মুকুতাৰ উন্নয়নী মালা আঁচনি ল'বলৈ সক্ষম হৈছে আৰু এইখন implement ও হৈছে। আজি ৬৫ শতাংশ বাজেটখনত implementation হৈছে, সেইটো ৰেকৰ্ড। গতিকে এইখন এখন ডাঙৰ বাজেট।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এতিয়া বহক। Thank you মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল অসম বিনিয়োজন (নং ৪) বিধেয়ক, ২০১৯ বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় ৰ সপক্ষে হয় ৰ সপক্ষে হয় ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। মই এতিয়া বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো সদনত দাঙি ধৰিলো। বিধেয়কৰ ২ আৰু ৩ নং দফা অনুসূচীখনো বিধেয়কৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয় যি সকল বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয় ৰ সপক্ষে হয় ৰ সপক্ষে হয় ৰ সপক্ষে বিধেয়কৰ ২ আৰু ৩ নং দফাৰ লগত অনুসূচীখনো বিধেয়কৰ অংশ হ'ল।

...........(সদনত গণ্ডগোল).........

এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক, 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়' মই ভাৱো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ল। এতিয়া বিত্তমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** "দি আসাম বিনিয়োজন (নং-IV) বিধেয়ক, ২০১৯" বিধেয়কখন মই সদনত পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। অসম বিনিয়োজন (নং ৪) বিধেয়ক ২০১৯ পাৰিত কৰা হওঁক। যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক, 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়' মই ভাৱো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে। প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

**মই সদন অহা ইংৰাজী ০৩-১২-১৯ তাৰিখৰ পুৱাৰ ৯.৩০ বজালৈ স্থগিত ৰাখিলো।**